## ভিতৰৰ পৃষ্ঠাত

অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰস পৃষ্ঠা ৪
অসমীয়া ৰহস্য সাহিত্য পৃষ্ঠা ৫
প্ৰব্ৰজন আৰু অসমৰ... পৃষ্ঠা ৭
নৰকান্ত বৰুৱাৰ কবিতাৰ... পৃষ্ঠা ৮
ভেলেণ্টাইনৰ নামত... পৃষ্ঠা ১০



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 26 ■ Guwahati ■ Wednesday ■ 11 February, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ২৬ ■ গুৱাহাটী ■ বুধবাৰ ■ ২৮ মাঘ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা


### ডিব্ৰুগড়ত চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালক ভূমি বন্দৱস্তিৰ প্ৰ-পত্ৰ প্ৰদানৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ

## ভূমিৰ অধিকাৰ লাভ কৰিব ৰাজ্যৰ চাহ শ্ৰমিকে



**অসম ভূমি সেৱা, ডিব্ৰুগড় ঃ** ৰাজ্যৰ চাহ জনগোষ্ঠীৰ কল্যাণৰ দিশত এক ঐতিহাসিক পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে ডিব্ৰুগড় জিলাৰ চাবুৱাৰ দিনজয় চাহ বাগিচা খেলপথাৰত আয়োজিত এক অনুষ্ঠানত চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালৰ বাবে প্ৰস্তাৱিত ভূমি বন্দৱস্তিৰ প্ৰ-পত্ৰ প্ৰদানৰ আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ চাহ জনগোষ্ঠীয় ৰাইজৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ দিন। যোৱা বিধানসভাত ৰাজ্য চৰকাৰে এখন বিশেষ আইন গৃহীত কৰিছিল যে চাহ বাগিচাৰ মজদুৰ লাইনত থকা ঘৰ আৰু মাটিৰ মালিকী স্বত্ব এতিয়াৰে পৰা চাহ শ্ৰমিকসকলেহে পাব। ■ *দুই পৃষ্ঠাত*

### দিলীপ শইকীয়াৰ দাবী

## কংগ্ৰেছৰ নীতি আদৰ্শই পাকিস্তানক শক্তিশালী কৰি আহিছে

**গুৱাহাটী ঃ** পাকিস্তানৰ সৈতে থকা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ গভীৰ সম্পৰ্কৰ বিষয়টো কেন্দ্ৰীয় তদন্তকাৰী সংস্থা এনআইএ নাইবা চিবিআইৰ জৰিয়তে তদন্ত কৰাবৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে দৰং-ওদালগুৰিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। এক বিবৃতিত শইকীয়াই কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৮ ফেব্ৰুৱাৰীৰ দিনা ৰাজহুৱা কৰা এছআইটিৰ প্ৰতিবেদনত উল্লেখ থকা প্ৰতিটো তথ্য আৰু বক্তব্য ১০০ শতাংশ প্ৰমাণ আধাৰিত। কোনো কাৰণতেই গৌৰৱ গগৈয়ে এই প্ৰশ্নসমূহৰ উত্তৰ এৰাই চলিব নোৱাৰিব। তেওঁ পাকিস্তানলৈ কিয় গৈছিল আৰু কাক কাক লগ ধৰিছিল তাৰ স্পষ্ট উত্তৰ অসমবাসীক গৌৰৱ গগৈয়ে দিবই লাগিব বুলি শইকীয়াই দৃঢ়তাৰে কয়। গৌৰৱ গগৈৰ পাকিস্তান সম্পৰ্কৰ বিষয়টোৰ ৰাজনীতিৰ লগত কোনো সম্বন্ধ নাই। বৰঞ্চ ই এগৰাকী ৰাজনেতাৰ নিজৰ মাতৃভূমিৰ প্ৰতি ■ *দুই পৃষ্ঠাত*

## অষ্টম অসম দৰমহা আয়োগ গঠনত অনুমোদন কেবিনেটৰ

**গুৱাহাটী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত যোৱা ৭ ফেব্ৰুৱাৰীত দিছপুৰস্থিত লোকসেৱা ভৱনত অসম মন্ত্ৰী পৰিষদৰ এখন বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেটে জলজীৱন মিছনৰ অধীনত গ্ৰামাঞ্চলত ৰূপায়ণ হৈ থকা নলযোগে পানীযোগান আঁচনিসমূহৰ সংশোধিত পৰিচালনা তথা তত্বাৱধান নীতিত অনুমোদন জনায়। কেবিনেটে ধেমাজি নগৰৰ ১ কিলোমিটাৰৰ পৰা ৫ কিলোমিটাৰ দূৰত্বলৈকে ২৩৭২ গৰাকী ভূমিহীন খিলঞ্জীয়া পৰিয়ালক ভূমি আৱণ্টনত অনুমোদন জনায়। কেবিনেটে ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেন্ট, অসমৰ স্থায়ী চৌহদ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টন কৰে। ■ *দুই পৃষ্ঠাত*

### চৰকাৰৰ পদক্ষেপে অসমৰ শিক্ষাখণ্ডক অধিক শক্তিশালী কৰিব ঃ ডাঃ ৰনোজ পেগু

## ৰাজ্যৰ ১৪৯টা শিক্ষাখণ্ডলৈ বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ





**ষ্টাফ ৰিপৰ্টাৰ ঃ** নতুন শিক্ষা বৰ্ষৰ প্ৰথম দিনটোতে ৰাজ্যৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ হাতত বিনামূলীয়া পাঠ্যপুথি তুলি দিয়াৰ লক্ষ্যৰে আজি গুৱাহাটীৰ বোন্দাস্থিত অসম ৰাজ্যিক পাঠ্যপুথি নিগমৰ কেন্দ্ৰীয় ভঁৰাল চৌহদৰ পৰা অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা ২০২৬-২৭ বৰ্ষৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ৰাজ্যৰ মুঠ ১৪৯টা শিক্ষাখণ্ডলৈ অসম চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰাজ্যৰ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰনোজ পেগুৱে। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন নিগমৰ দ্বাৰা ৯টা মাধ্যম আৰু ১৯টা ভাষাত প্ৰকাশ কৰা মুঠ ৩.৪২ কোটি বিনামূলীয়া পাঠ্যপুথি ৰাজ্যৰ ৪৯.৮৪ লাখ শিক্ষাৰ্থীৰ মাজত বিতৰণ কৰা হ'ব। পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি শিক্ষামন্ত্ৰী ৰনোজ পেগুৱে কয় যে ৰাজ্যৰ শিক্ষাৰ্থীসকলে যাতে সময়মতে পাঠ্যপুথি লাভ কৰে, সেই ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল ■ *দুই পৃষ্ঠাত*

### যুৱ শক্তিক সজাগ-সংগঠিত-সংকল্পৱদ্ধ কৰাৰ লক্ষ্যৰে গুৱাহাটীত 'প্ৰজ্ঞা'ৰ যুৱ নেতৃত্ব সমাৰোহ

## আকাশ চুবলৈ সক্ষম হ'ব অসমৰ যুৱ সমাজ ঃ মুখ্যমন্ত্ৰী

### নতুন প্ৰজন্মক মূল্যবোধ-সামাজিক প্ৰমূল্যৰ দ্বাৰা সমৃদ্ধ কৰিব লাগিব ঃ বশিষ্ঠ বুজৰবৰুৱা

**গুৱাহাটী ঃ** অসমৰ অগ্ৰণী সামাজিক সাংস্কৃতিক সংস্থা প্ৰজ্ঞাৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে যোৱা দেওবাৰে গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু কলাকেন্দ্ৰৰ প্ৰেক্ষাগৃহত প্ৰায় ৫ হাজাৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী, যুৱ ব্যৱসায়ী, যুৱ সমাজকৰ্মীৰ উপস্থিতিত সফলভাৱে 'যুৱ নেতৃত্ব সমাৰোহ-৫১২৭'ৰ অনুষ্ঠিত হয়। অসমৰ যুৱ শক্তিক সজাগ, সংগঠিত আৰু সংকল্পৱদ্ধ কৰাৰ প্ৰয়াসেৰে প্ৰজ্ঞাই আয়োজন কৰা এই বিশাল সমাৰোহখন ভাৰতমাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰাৰ পাছত ■ *১৫ পৃষ্ঠাত*



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ভূমিৰ অধিকাৰ লাভ কৰিব ৰাজ্যৰ

পূৰ্বে এই লেবাৰ লাইনৰ মাটি আৰু ঘৰৰ মালিকী স্বত্ব কেৱল বাগিচা কৰ্তৃপক্ষৰ হাতত আছিল আৰু শ্ৰমিকসকল কেৱল তাত বাসহে কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে চাহ বাগিচাৰ শ্ৰমিকসকলে বহুদিনৰ পৰা চৰকাৰৰ ওচৰত ভূমিৰ অধিকাৰ বিচাৰি আহিছিল যদিও বিগত কোনো এখন চৰকাৰে শ্ৰমিকসকলক মাটিৰ অধিকাৰ দিয়াৰ কথা আন্তৰিকতাৰে চিন্তা কৰা নাছিল। তেওঁ কয় যে বৰ্তমানৰ চৰকাৰে অসম বিধানসভাত চিলিং আইন সংশোধন কৰি লেবাৰ লাইনৰ ভূমি আৰু ঘৰৰ মালিকী স্বত্ব বাগিচাৰ কৰ্তৃপক্ষৰ পৰা চৰকাৰৰ হাতলৈ লৈ আহিছে আৰু এতিয়া এই ভূমি শ্ৰমিকসকলৰ মাজত বিতৰণ কৰাৰ আনুষ্ঠানিক প্ৰক্ৰিয়া আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়াৰ পৰা শ্ৰমিকসকলক ভূমিপট্টাৰ বাবে প্ৰ-পত্ৰ বিতৰণৰ কাম আৰম্ভ কৰা হৈছে। শ্ৰমিকসকলে এই প্ৰ-পত্ৰত মাটি কাৰ নামত হ'ব লাগিব, তেওঁলোকে কিমান মাটিত ঘৰ সাজি বাস কৰি আছে আৰু তেওঁলোকৰ সঠিক নাম-ঠিকনা আদি বিতংভাৱে উল্লেখ কৰি জমা দিব লাগিব। সমান্তৰালভাৱে ভূমি জৰীপৰ কামো চৰকাৰে ক্ষিপ্ৰ গতিত চলাই আছে বুলি জানিবলৈ দি তেওঁ কয় যে ইতিমধ্যে ৰাজ্যৰ ১০৩ খন বাগিচাত জৰীপৰ কাম সম্পূৰ্ণ হৈছে আৰু এতিয়াৰ পৰা নতুনকৈ আৰু ২৫০ খন বাগিচাত জৰীপ আৰম্ভকৰা হ'ব। আগন্তুক নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ পূৰ্বে অন্তত একাংশ শ্ৰমিকৰ হাতত ভূমিৰ পট্টা তুলি দিয়াৰ লক্ষ্য চৰকাৰে নিৰ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ প্ৰায় ৫ লাখ শ্ৰমিক পৰিয়ালক ভূমিৰ পট্টা দিয়াৰ এই বিশাল আৰু দীঘলীয়া প্ৰক্ৰিয়াটো সম্পন্ন কৰিবলৈ চৰকাৰক অন্তত ৬-৭ মাহ সময়ৰ প্ৰয়োজন হ'ব। দিনজয় চাহ বাগিচাৰ সঞ্চালকগৰাকীয়ে শ্ৰমিকসকলক ভূমিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কোনো আপত্তি নকৰি শ্ৰমিকৰ স্বাৰ্থত আগতীয়াকৈ ভূমি এৰি দিয়াৰ যি মহানুভৱতা দেখুৱালে, তাৰ বাবে মুখ্যমন্ত্ৰীয়ে তেওঁক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, যিবোৰ বাগিচাৰ মালিকে চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে, সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে ন্যায়ালয়ে চৰকাৰৰ কামত কোনো ধৰণৰ বাধা আৰোপ কৰা নাই। সেয়েহে নিৰ্বাচন ঘোষণাৰ পূৰ্বেই যিমান পৰিয়ালক পাৰি পট্টা প্ৰদান কৰি এই ব্যৱস্থাক এক স্থায়ী নিয়মৰ ৰূপ দিয়া হ'ব, যাতে ভৱিষ্যতে আন কোনো চৰকাৰ বা কৰ্তৃপক্ষই ইয়াত বাধা দিব নোৱাৰে। প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত শ্ৰমিকসকলক সহায় কৰিবলৈ প্ৰতিখন বাগিচাতে একোখনকৈ চাৰিজনীয়া সমিতি গঠন কৰি দিয়া হৈছে বুলি তেওঁ অৱগত কৰে। চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া সমস্যাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চাহ বাগিচাসমূহলৈ শ্ৰমিকসকল অহাৰ প্ৰায় ২০০ বছৰ অতিক্ৰম কৰিলে। অসমৰ গাঁৱত বাস কৰা লোকসকল মাটিৰ মালিক হ'ল, তেওঁলোকে নিজৰ মাটি বিক্ৰী কৰিব পাৰে বা বেংকত বন্ধকত থৈ ঋণ ল'ব পাৰে, কিন্তু বাগিচাৰ শ্ৰমিকসকলে আজিও ভূমিৰ মালিকী স্বত্ব পোৱা নাছিল। আনকি বাগিচাত কাম নকৰিলে ঘৰৰ পৰা নাম কটা যাব পাৰে, এনে ভয়ত বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ পৰিৱৰ্তে পঢ়া-শুনা ত্যাগ কৰি কামত সোমাবলগীয়া হৈছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে এতিয়াৰ পৰা শ্ৰমিকসকলে তেনে ভয় কৰিব নালাগে। চৰকাৰে দিয়া মাটি আৰু ঘৰ এতিয়া শ্ৰমিকৰ নিজৰ হ'ব আৰু ঘৰ বনাবলৈ বা মেৰামতি কৰিবলৈ তেওঁলোকক মালিকৰ কোনো অনুমতি বা আপত্তিবিহীন প্ৰমাণপত্ৰৰ প্ৰয়োজন নহ'ব। নিজৰ মাটিত এতিয়াৰে পৰা শ্ৰমিকসকলে নিজাকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ সাজিব পাৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে কেৱল মাটিয়েই নহয়, অহা দিনত প্ৰতিটো যোগ্য শ্ৰমিক পৰিয়ালক চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ প্ৰদান কৰিব। যাৰ পুৰণা ঘৰ আছে, তেওঁলোকক ঘৰ মেৰামতিৰ বাবে এক লাখ টকা আৰু যাৰ ঘৰ নাই তেওঁলোকক নতুন পকী ঘৰ নিৰ্মাণৰ বাবে ১ লাখ ৬০ হাজাৰ টকা চৰকাৰে প্ৰদানৰ পৰিকল্পনা গ্ৰহণ কৰিব। চাহ শ্ৰমিকৰ কল্যাণৰ বাবে লোৱা অন্য আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে যিসকলৰ নাম এতিয়াও 'এটি কলি দুটি পাত' আঁচনিৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই, তেওঁলোকৰ নামো চৰকাৰে সংগ্ৰহ কৰি আছে। চাহ বাগিচাত আধাৰ কাৰ্ড আৰু ৰেচন কাৰ্ডৰ সুবিধা ১০০ শতাংশ নিশ্চিত কৰাৰ লগতে বৰ্তমান ১০০ টকাত যোগান ধৰি থকা দাইল, চেনি আৰু নিমখ অনাগত দিনত সম্পূৰ্ণ বিনামূলীয়া কৰাৰ লগতে প্ৰতিটো পৰিয়ালকে প্ৰতিমাহে ১ লিটাৰকৈ মিঠাতেলো বিনামূলীয়াকৈ যোগান ধৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। অৰুণোদয় আঁচনিৰ ১২৫০ টকা চাহ শ্ৰমিকসকলে নিয়মীয়াকৈ লাভ কৰি থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়ালৈকে চাহ শ্ৰমিকৰ সন্তানসকলে তৃতীয় আৰু চতুৰ্থবৰ্গৰ চাকৰিত ৩ শতাংশ সংৰক্ষণ পাই আহিছে। কিন্তু এতিয়াৰ পৰা ৰাজপত্ৰিত পদ যেনে এ চি এছ, এ পি এছ বা অন্যান্য প্ৰথম শ্ৰেণীৰ চাকৰিতো চাহ শ্ৰমিকৰ সন্তানৰ বাবে ৩ শতাংশ আসন সংৰক্ষণৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। ইয়াৰ ফলত চাহ বাগিচাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে দণ্ডাধীশ আৰু আৰক্ষী বিষয়াৰ দৰে গুৰুত্বপূৰ্ণ পদবীত নিযুক্ত হোৱাৰ সুযোগ লাভ কৰিব বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ গৌৰৱ ঝুমইৰ নৃত্যক বিশ্ব দৰবাৰলৈ নিয়াৰ সংকল্পৰে গুৱাহাটীত ঝুমইৰৰ বৃহৎ প্ৰদৰ্শনৰ পাছত ৰাজ্য চৰকাৰে অহা বছৰ দিল্লীতো এই নৃত্য প্ৰদৰ্শন কৰাৰ লক্ষ্য লৈছে। গৰ্ভৱতী মহিলালৈ ১৫ হাজাৰ টকাৰ অনুদান, চিকিৎসা মহাবিদ্যালয়ত আসন সংৰক্ষণ আৰু মহাপ্ৰভু জগন্নাথ সামূহিক প্ৰেক্ষাগৃহ নিৰ্মাণৰ দৰে পদক্ষেপবোৰৰ পাছত এতিয়া ভূমি আৰু গৃহৰ অধিকাৰে চাহ জনগোষ্ঠীৰ জীৱনলৈ আমূল পৰিৱৰ্তন আনিব বুলি মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে। চাহ শ্ৰমিকৰ কল্যাণৰ বাবে হাতত লোৱা এই বিশাল কৰ্মযজ্ঞত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক বিনোদ হাজৰিকা, পোনাকন বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ভাৰতীয় চাহ মজদুৰ সংঘৰ সভাপতি অশোক ওৰাং, অসম চাহ পৰিষদৰ সভাপতি প্ৰমোদ ভেগ্ৰা, অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল ছুইটি চাংছন, সচিব ভাস্কৰ পেগু, ভূমিলেখা আৰু জৰীপ সঞ্চালক কৈলাশ কাৰ্তিক এন, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী, দিনজয় চাহ বাগিচাৰ পৰিচালক মৃতুঞ্জয় জালান প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# ৰাজ্যৰ ১৪৯টা শিক্ষাখণ্ডলৈ

নেতৃত্বত ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ শিক্ষাগ্ৰহণৰ পথ অধিক সুচল কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপে অসমৰ শিক্ষাখণ্ডক অধিক শক্তিশালী কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। বোন্দাত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীৰ লগতে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেবানন্দ হাজৰিকা, উপাধ্যক্ষ তুলসী বৰঠাকুৰ, পৰিচালন সঞ্চালক শ্বাহ নৱাজ চৌধুৰী প্ৰমুখ্যে নিগম আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসহ বিভিন্ন প্ৰকাশন গোষ্ঠীৰ স্বত্বাধিকাৰ-পৰিচালকো উপস্থিত থাকে।

# অষ্টম অসম দৰমহা আয়োগ গঠনত

উল্লেখ্য যে অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আই আই এম, অসমৰ অস্থায়ী শৈক্ষিক চৌহদ মুকলি কৰিব। কেবিনেটে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ৰূপায়ণৰ বাবে ৮০০ কোটি টকা মঞ্জুৰ কৰে। কেবিনেটে অষ্টম অসম দৰমহা আয়োগ গঠনত অনুমোদন জনায়। ৰাজ্যৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাস এই আয়োগৰ আয়োগৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল মহন্ত এই আয়োগৰ বিশেষ নিমন্ত্ৰিত সদস্য হিচাপে থাকিব দিয়ে। কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ বাবে সৰ্থেবাৰীত ১০০ বিঘা ভূমি আৱণ্টনৰ লগতে কেবিনেটে শোণিতপুৰ, চৰাইদেউ আৰু কামৰূপ মহানগৰ জিলাৰ চন্দ্ৰপুৰত জৱাহৰ নবোদয় বিদ্যালয় স্থাপনৰ বাবেও ভূমি আৱণ্টন দিয়ে। আলি তৌকিৰ শ্বেখ আৰু অন্যান্যসকলৰ ভাৰত বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে বিশেষ তদন্তকাৰী গোটে কৰা তদন্তৰ প্ৰতিবেদনখন আলোচনা কৰি ইয়াৰ পৰৱৰ্তী তদন্তৰ বাবে গোচৰটো কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়লৈ হস্তান্তৰৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, তদন্তৰ প্ৰতিবেদনৰ যিসমূহ বিষয় গোপনীয় নহয়, সেইসমূহ সদৰী কৰিবলৈ মুখ্যমন্ত্ৰীক কেবিনেটে কৰ্তৃত্ব প্ৰদান কৰে। এটা ৰাজনৈতিক দলৰ কেইগৰাকীমান নেতাই মহিলাৰ বিৰুদ্ধে অশালীন আচৰণ প্ৰদৰ্শন কৰা ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰাৰ সিদ্ধান্তত অনুমোদন জনায়।

# কংগ্ৰেছৰ নীতি আদৰ্শই পাকিস্তানক

থকা নৈতিক দায়িত্ব আৰু ৰাষ্ট্ৰীয় দায়বদ্ধতা তথা ৰাষ্ট্ৰীয় সুৰক্ষাৰ লগতহে জড়িত বিষয় বুলি শইকীয়াই মতপোষণ কৰে। সেয়েহে এগৰাকী নিৰ্বাচিত জনপ্ৰতিনিধিয়ে বৈৰী ৰাষ্ট্ৰৰ লগত গোপন সম্বন্ধ ৰক্ষা কৰা বিষয়টোক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই পুংখানুপুংশভাৱে তদন্ত কৰি আইনীভাৱে যথোচিত শাস্তিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন আছে। কিয়নো দেশবিৰোধী কাৰ্যত জড়িত থকা ৰাজনৈতিক নেতাসকলৰ প্ৰকৃতস্বৰূপ উদঙাই দিয়াৰ বাবেই কেন্দ্ৰীয় সংস্থাই তদন্ত কৰাৰ প্ৰয়োজন আছে বুলি ৰাজ্যিক সভাপতিজনে মন্তব্য কৰে। ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়ত কংগ্ৰেছৰ ভাষা আৰু পাকিস্তানৰ ভাষা সদায় একে হয়। সাধাৰণতে কংগ্ৰেছৰ ভাষা আৰু কাম-কাজ পাকিস্তান সমৰ্থিত মৌলবাদী শক্তি আৰু সন্ত্ৰাসবাদীৰ সৈতে একে। কংগ্ৰেছৰ নেতাসকলে সংসদত দিয়া ভাষণ পাকিস্তানৰ সংবাদ পত্ৰই অতি গুৰুত্ব সহকাৰে প্ৰকাশ কৰে। কিয়নো কংগ্ৰেছৰ নেতাৰ ভাষা সদায় পাকিস্তানৰ সন্ত্ৰাসবাদী কাম-কাজৰ পৰিপূৰক হিচাপে চিহ্নিত হৈ আহিছে। উল্লেখ্য যে ড° মনমোহন সিঙৰ চৰকাৰৰ সময়ত পাকিস্তানক দিয়া সকলো ডজিয়াৰ পাকিস্তানে ভাৰত বিৰোধী কামত ব্যৱহাৰ কৰিছিল। এটা কথা স্পষ্ট যে চৰকাৰ হিচাপে হওক বা দল হিচাপেই হওক কংগ্ৰেছ সদায় পাকিস্তানৰ পক্ষত আছে। কংগ্ৰেছৰ সকলো কাম পাকিস্তানৰ মৌলবাদী আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিপূৰক হিচাপে প্ৰমাণিত হৈ আহিছে বুলি ৰাজ্যিক বিজেপিৰ সভাপতিয়ে মত পোষণ কৰে। অসমৰ সাংসদ তথা বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈৰ সামজিক মাধ্যমৰ বক্তব্যবোৰ পাকিস্তানৰ সংবাদ মাধ্যম আৰু বৈৰী ৰাষ্ট্ৰখনৰ নাগৰিকে ব্যৱহাৰ কৰা সামাজিক মাধ্যমৰ হেণ্ডেলসমূহত যথেষ্ট প্ৰশংসা বুটলিবলৈ সক্ষম হয়। পাকিস্তানৰ বুকুৰ কুটুম কাৰণেই দেশখনৰ সংবাদ মাধ্যমৰ বাবে গৌৰৱ গগৈ হিয়াৰ আমঠু। সেয়েহে গৌৰৱ গগৈৰ সকলো কথা পাকিস্তানত সদায় সংবাদ শিৰোনামাত থাকে বুলি শইকীয়াই মত পোষণ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱা কৰা এছআইটি প্ৰতিবেদনত উল্লেখ থকা ভয়ংকৰ তথ্যই আমাক স্বাভিমানি অসমীয়া তথা ভাৰতীয় নাগৰিক হিচাপে লজ্জিত কৰিছে। এই তথ্যসমূহে অসমৰ লগতে সমগ্ৰ দেশৰ জনতাৰ মাজত গভীৰ উদ্বেগ সৃষ্টি কৰা পৰিলক্ষিত হৈছে বুলি ৰাজ্যিক বিজেপিৰ সভাপতিয়ে মত পোষণ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতিয়ে স্পষ্টভাৱে কয় যে কি পৰিস্থিতিত গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানৰ বৈদেশীক মন্ত্ৰালয়ৰ বিশেষ আদৰ-সাদৰ লাভকৰিছিল তাৰ উত্তৰ তেওঁ দেশবাসীক দিবই লাগিব। যি সময়ত ভাৰতীয় খেলুৱৈ তথা সাংবাদিকৰ ভিছাও পাকিস্তানৰ বৈদেশীক মন্ত্ৰালয়ে সীমিত কৰি ৰাখিছিল সেই সময়তো কিয় গৌৰৱ গগৈক পাকিস্তানে ৰঙা দলিচা পাৰি স্বাগতম জনাইছিল, তাৰ উত্তৰ জনাৰ অধিকাৰ প্ৰতিগৰাকী নাগিৰকৰ আছে। এই উত্তৰ গৌৰৱ গগৈয়ে দিবই লাগিব বুলি শইকীয়াই দৃঢ়তাৰে কয়। গৌৰৱ গগৈৰ পাকিস্তান প্ৰীতিৰ বাবেই প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দুয়োটা নাতি-নাতিনী বিদেশী হ'ল। তেওঁৰ বোৱাৰীগৰাকীও বিদেশী। অৰ্থাৎ চাৰিজনীয়া পৰিয়ালটোত গৌৰৱ গগৈ সংখ্যালঘু। সেয়ে হয়তো গৌৰৱ গগৈৰ সংখ্যালঘু মিঞাৰ প্ৰতি দৰদ আমি সকলো ক্ষেত্ৰতে প্ৰত্যক্ষ কৰি আহিছো বুলিও শইকীয়াই কটাক্ষ কৰে। কংগ্ৰেছৰ মিঞাৰ প্ৰতি থকা দৰদে অসমৰ সমাজ জীৱনলৈ সংকট মতাই অনাৰ দৰে গৌৰৱ গগৈৰ কাম-কাজে অসমীয়া স্বাভিমানৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। সেয়ে আমাৰ স্থিতি স্পষ্ট বুলি কৈ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কয়, 'মিঞাৰ প্ৰতি থকা দৰদৰ বাবেই বিগত ৫ দশকৰ কংগ্ৰেছী শাসনকালত অসমৰ সমাজ জীৱনলৈ বিপদ নামি আহিছিল। এতিয়াও তেওঁলোকৰ তুষ্টিকৰণ আৰু মিত্ৰাৰ ভোট বেংকৰ ৰাজনীতিৰ প্ৰতি থকা অগাধ বিশ্বাসৰ বাবেই ৰাজ্যখনৰ খিলঞ্জীয়া মানুহ সংখ্যালঘুত পৰিণত হৈ ৰাজনৈতিক প্ৰভূত্ব হেৰুৱাৰ উপক্ৰম হৈছে। আমাৰ কৃষ্টি-সংস্কৃতি, মাটি-ভেটিত মিঞাসকলে আগ্ৰাসন কৰিছে। মিত্ৰাৰ এই আগ্ৰাসনক বল প্ৰদান কৰিছে কংগ্ৰেছী নেতাৰ কাৰ্যকলাপে। গতিকে আমাৰ যুঁজ কেৱল গৌৰৱ গগৈ নামৰ ব্যক্তিজনৰ বিৰুদ্ধে নহয়, আমাৰ যুঁজ হৈছে কংগ্ৰেছৰ ৰাষ্ট্ৰবিৰোধী, জাতিবিৰোধী আদৰ্শৰ বিৰুদ্ধেহে। আমাৰ যুঁজ হৈছে ভাৰতৰ বিপক্ষে স্থিতি লোৱা ৰাজনৈতিক দলৰ বিৰুদ্ধে। গৌৰৱ গগৈৰ পাকিস্তানৰ লগত থকা পোপন মিতিৰালিৰ কথা এছআইটিৰ প্ৰতিবেদনত ফাদিল হোৱাৰ পিছত তাক লৈ অসমবাসী ক্ষোভিত, ব্যথিত হৈ পৰা আমি দেখা পাইছো। সেয়েহে গৌৰৱ গগৈৰ দেশ বিৰোধী কাৰ্যকলাপৰ সৰ্বত্ৰে ধিক্কাৰ দিয়া আমি দেখা পাইছো।'— বিবৃতিটোত এইদৰে কয় ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে।

# কৃতী শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মাৰ সোঁৱৰণত বক্তৃতানুষ্ঠান

**গুৱাহাটী ঃ** মাজ-জালুকবাৰী সাহিত্য সভাৰ উদ্যোগত কৃতী শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মাৰ সোঁৱৰণত সপ্তম লানি স্মাৰক বক্তৃতা যোৱা ৮ ফেব্ৰুৱাৰীত অসম অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদত থকা প্ৰয়াত শৰ্মাৰ বাসগৃহত অনুষ্ঠিত হয়। 'বিশেষভাৱে সক্ষম ব্যক্তিৰ শিক্ষাৰ ক্ষেত্ৰত সমাজৰ ভূমিকা' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত বক্তিতা সভাত পৌৰহিত্য কৰে মাজ জালুকবাৰী শাখা সাহিত্য সভাৰ সভাপতি নিৰেণ চন্দ্ৰ বৈশ্যই। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° তৰণী ডেকাই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি কয় যে সমাজত শিক্ষাৰ প্ৰসাৰৰ বাবে ৰমেশ চন্দ্ৰ শৰ্মাৰ দৰে শিক্ষাবিদসকলে কৰি অহা ত্যাগ, শ্ৰম সমাজে কোনো দিনে পাহৰিব নোৱাৰে। শাখা সাহিত্য সভাই এনে এজন মহান ব্যক্তিৰ সোঁৱৰণত যোৱা সাতটা বছৰে শিক্ষা বিষয়ক বিভিন্ন বিষয়ত বক্তিতা অনুষ্ঠান পাতি অহাটো অতি প্ৰশংসনীয় পদক্ষেপ। বিষয়-বস্তুৰ ওপৰত মূল ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° দিপামানি বৰুৱা দাসে বিশেষভাৱে সক্ষম ব্যক্তিৰ শিক্ষা তথা সৰ্বাংগীন উন্নতিত ক্ষেত্ৰত বৰ্তমান সমাজৰ কৰণীয় কিমান যে আছে এই বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ডিপাৰ্টমেণ্ট অৱ ডিচএবিলিটিজ ষ্টাডী'ৰ সহকাৰী অধ্যাপক ড° মিণ্টু ভট্টাচাৰ্যই বিভিন্ন প্ৰকাৰৰ বিশেষভাৱে সক্ষম ব্যক্তিৰ কথা উল্লেখ কৰি এইসকলৰ শিক্ষাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা সীমিত সংখ্যক শিক্ষা প্ৰতিষ্ঠানসমূহৰ অৱিহণাৰ কথা ব্যক্ত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা ড° ময়ূৰী শৰ্মাৰ বৰগীতেৰে আৰম্ভ হোৱা সভাৰ আদিতে প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰা হয়। অনুষ্ঠানত শৰ্মাৰ প্ৰিয় ছাত্ৰ তথা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° সত্যজিৎ দাসে ৰমেশ চন্দ্ৰ শৰ্মাৰ বিভিন্ন কৰ্মৰাজি, মৰম আৰু শাসনৰ মাজেৰে কৰা শিক্ষা প্ৰদানৰ কথা উল্লেখ কৰে। প্ৰয়াত শৰ্মাৰ সহকৰ্মী তথা গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক




হৰমোহন দাস, ছাত্ৰ, বস্ত্ৰ বিষয়া মৃগাংক শইকীয়া আৰু পৰিয়ালৰ হৈ ডাঙৰ বোৱাৰী গিৰিজা নন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ ফেকাল্টি মনিৰূপা মিশ্ৰই ৰমেশ চন্দ্ৰ শৰ্মাৰ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য আৰু ব্যৱস্থাপনা বিভাগৰ ডীন তথা শৰ্মাৰ পুত্ৰ অধ্যাপক ড° প্ৰশান্ত শৰ্মাই অনুষ্ঠানৰ আৰম্ভতে অভ্যাগত সকলক আদৰণি জনায় আৰু শাখা সাহিত্য সভাৰ সম্পাদক পৱন ভট্টাচাৰ্যই উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। অনাতাঁৰ শিল্পী লঘনু ৰাভাই লোক গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

## বাঘ-মানুহৰ সংঘাত

## কাহিলীপাৰাত সজাগতা সভা

**গুৱাহাটী ঃ** গুৱাহাটীৰ পাহাৰীয়া অঞ্চলত বাঘ আৰু মানুহৰ মাজত হৈ থকা সংঘাত নিৰাময় কৰিবৰ কাৰণে উত্তৰ-পূব ভাৰতৰ আটইতকৈ পুৰণি তথা প্ৰকৃতি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ লগত জৰিত বেচৰকাৰী অনুষ্ঠান কাজিৰঙা ৱাইল্ডলাইফ ছ'চাইটিয়ে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰাৰ লগতে সহ অৱস্থানৰ বাবে সময়ে সময়ে বিভিন্ন অঞ্চলত সজাগতা সভাৰ লগতে দিহা-পৰামৰ্শ দি আহিছে। যোৱা ৭ ফেব্ৰুৱাৰীত কাহিলীপাৰা মেডিকেল কলেজ পথৰ পশ্চিম কৃষ্ণকান্ত সন্দিকৈ নগৰ অঞ্চলৰ দুৰ্গা মন্দিৰ প্ৰাংগণত নাগৰিকসকলৰ উপস্থিতিত কাহিলীপাৰা জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰেৰণাৰ সহযোগত ৰাইজক সজাগ কৰাৰ লগতে বাঘ মানুহৰ সংঘাত দুৰ কৰাৰ বাবে বৈজ্ঞানিকভাৱে আলোচনা কৰা হয়। কাজিৰঙা ৱাইল্ডলাইফ ছ'চাইটিৰ উপদেষ্টা কল্যাণ বৰঠাকুৰে আঁতধৰা অনুষ্ঠানত ছ'চাইটিৰ সভাপতি মুবিনা আখতাৰে এই বিষয়ে ব্যাখ্যা কৰে। সভাত ছ'চাইটিৰ সম্পাদক কৰুণা শৰ্মা, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ড° জীৱন চন্দ্ৰ ফুকন, ড° স্বৰ্ণলতা নাথ, অনুজ কুমাৰ শৰ্মাই সভাত পৰামৰ্শ দিয়ে।

■ অসম ভূমি ■ ১১ ফেব্ৰুৱাৰী, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# সাংবাদিকৰ সুৰক্ষা

সংবাদসেৱাক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। নিৰপেক্ষভাৱে বাতৰি পৰিৱেশন কৰা সাংবাদিক আৰু সংবাদ প্ৰতিষ্ঠানৰ ধৰ্ম আৰু পৱিত্ৰ কৰ্তব্য। সেই কাৰ্য নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ যাওঁতে সংবাদসেৱীসকল নানা বাধাৰ সন্মুখীন হ'বলগীয়া হয়। সেই বাধা অতিক্ৰম কৰি পঢ়ুৱৈ সমাজৰ প্ৰতি দায়বদ্ধতা অক্ষুণ্ণ ৰাখিবলৈ অনেক সাংবাদিকে প্ৰাণ আহুতি দিবলগীয়া হৈছে। ইয়াত সাংবাদিক অভীধাৰ পৰিসৰ কৰ্মৰত সাংবাদিক আইনৰ পৰিসীমাৰ মাজতে সীমাবদ্ধ ৰখা নাই। বেতনভোগী, পেছাদাৰী সাংবাদিকসকলৰ উপৰি যিসকলে সমসাময়িক বিষয়ত নিজৰ লেখাৰে সমাজৰ সেৱা কৰি আহিছে, সেইসকলকো সামৰি লোৱা হৈছে। স্বাধীন চিন্তাৰ প্ৰবক্তা, চিন্তাশীল এনে ব্যক্তিসকল দেশ তথা সমাজৰ সম্পদ। ন্যস্তস্বাৰ্থৰ ধাৰক-বাহকসকলৰ কাৰণে এনে নিৰ্ভীক ব্যক্তিসকল ঘোৰ শত্ৰু। এনে পথ অনুসৰণ কৰিয়েই গোবিন্দ পানচাৰে, এম এম কালবুৰ্গী, নৰেন্দ্ৰ জভোলকাৰ, গৌৰী লংকেশ আদি ব্যক্তিসকলে প্ৰতিক্ৰিয়াশীল শক্তিৰ হাতত প্ৰাণ আহুতি দিবলগীয়া হৈছিল। অপশক্তি আৰু ন্যস্তস্বাৰ্থৰ কুকীৰ্তি তথা সমাজবিৰোধী কাম-কাজ পোহৰলৈ আনিবলৈ চেষ্টা কৰা সংবাদসেৱীসকল সততে শাৰীৰিক আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হয়। বিশ্বজুৰি সাংবাদিক হত্যা তথা নিগ্ৰহৰ ঘটনা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত কৰ্মৰত সাংবাদিকৰ নিৰাপত্তাৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। বাতৰি পৰিৱেশনত সাংবাদিকৰ স্বাধীনতাৰ কথা বৰকৈ কোৱা হয় যদিও তাৰ বাবে বিশেষ কোনো ব্যৱস্থা আমাৰ দেশৰ সংবিধানত নাই। সংবিধানৰ ১৯ (ক) ধাৰাৰ অধীনত মত প্ৰকাশৰ যি অধিকাৰ সকলো নাগৰিকে ভোগ কৰে, তাৰ আধাৰতেই সাংবাদিকেও কাৰ্যনিৰ্বাহ কৰে। সেই সাংবিধানিক ব্যৱস্থাৰ আলম লৈয়েই কেন্দ্ৰ আৰু বিভিন্ন ৰাজ্যত নানা আইন তথা বিধি-ব্যৱস্থা প্ৰস্তুত কৰা হৈছে। সাংবাদিকৰ বাতৰি পৰিৱেশনৰ স্বাধীনতা এক স্পৰ্শকাতৰ বিষয়। তাত সামান্য আঁচোৰ লাগিলেই ৰাইজ জাঙুৰ খাই উঠে। ১৯৭৭ চনৰ লোকসভা নিৰ্বাচনত ইন্দিৰা গান্ধী চৰকাৰৰ পতনৰ অন্যতম কাৰণ হিচাপে চিহ্নিত হৈছে জৰুৰী অৱস্থাত প্ৰৱৰ্তন কৰা সংবাদপত্ৰৰ 'চেন্সৰ' ব্যৱস্থা। সাংবাদিক আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ লগতে আন এটা বিষয় শেহতীয়াকৈ চৰ্চালৈ আহিছে। সেই হ'ল কৰ্তব্যৰত সাংবাদিকৰ সুৰক্ষা। নিৰপেক্ষ আৰু নিৰ্ভীকভাৱে বাতৰি পৰিৱেশনৰ নিশ্চিতি দিবলৈ সাংবাদিকসকলৰ নিৰাপত্তা নিশ্চিত কৰা দৰকাৰ। তাৰ বাবে আমাৰ ৰাজ্যখনত বলৱৎ হৈ থকা আইনবোৰ যথেষ্ট নহয় বুলি অনুভৱ কৰি বিভিন্ন সাংবাদিক সংস্থাই নতুনকৈ এই সংক্ৰান্তত কঠোৰ আইন প্ৰণয়ন কৰাৰ দাবী উত্থাপন কৰিছে। মহাৰাষ্ট্ৰ চৰকাৰে ২০১৭ চনতেই The Maharastra Media Persons and Institution (Prevention of Violence and damage or loss to property)Act গ্ৰহণ কৰি সাংবাদিকক সুৰক্ষা প্ৰদানৰ দিশত এক অগ্ৰণী ভূমিকা পালন কৰিছে। মুম্বাইৰ জ্যেষ্ঠ সাংবাদিক জ্যোতিৰ্ময় দে'ৰ ১৯১১ চনত হত্যাৰ পিছতেই প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়াই সাংবাদিকৰ সুৰক্ষা সম্বন্ধে অধ্যয়ন কৰিবলৈ এখন উপ-সমিতি গঠন কৰিছিল। এই উপ-সমিতিখনে ১১ খন ৰাজ্য ভ্ৰমণ কৰি প্ৰায় ১২০০ সাংবাদিকৰ সৈতে মত বিনিময় কৰাৰ পাছত কৰ্মৰত সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ এখন সৰ্বাত্মক আইন প্ৰণয়নৰ পৰামৰ্শ দিছিল। তাৰ ভিত্তিতেই মহাৰাষ্ট্ৰ চৰকাৰে আইনখন প্ৰস্তুত কৰিছিল যদিও ই স্বয়ং সম্পূৰ্ণ নাছিল। তথাপি সাংবাদিক সমাজ উক্ত আইনখনক আদৰণি জনাইছিল। শেহতীয়াকৈ এগৰাকী সাংবাদিকক 'আক্ৰোশমূলকভাৱে' পুলিচে গ্ৰেপ্তাৰ কৰা ঘটনাৰ প্ৰতিক্ৰিয়াস্বৰূপে অসমতো সাংবাদিক সুৰক্ষা আইন প্ৰণয়ন কৰাৰ দাবী শক্তিশালী হৈছে। সাংবাদিক সংস্থাসমূহ আৰু সচেতন নাগৰিক সমাজক আস্থাত লৈ তেনে এখন আইন প্ৰণয়ন কৰাটো নিশ্চয় আদৰণীয় পদক্ষেপ হ'ব।

*অৰণ্যৰ ৰূপ-ৰস উপলব্ধি কৰিবলৈ হ'লে আমি নিজকে অৰণ্যপ্ৰেমী কৰি গঢ়ি তুলিব লাগিব। আনুষ্ঠানিকতাৰ খাতিৰত ক'ৰবাত এজোপা গছ ৰুলেই পৰিৱেশ সেউজীয়া হৈ যাব বুলি ভাবিব নালাগিব। কেৱল ডাঙৰ ডাঙৰ ডিগ্ৰীধাৰী অথবা চৰকাৰী উচ্চ পৰ্যায়ৰ লোকসকলেই প্ৰকৃতি সুৰক্ষাৰ কথা জানিলে নহ'ব। জনসাধাৰণক এই উপলব্ধিটো মগজুত সুমুৱাই দিব লাগিব। মাটিৰ মালিক হৈছে প্ৰকৃতি। আমি আজিকালি আমাৰ মাটি মোৰ মাটি কৰি কৰি পৃথিবীৰ মূল্য কমাই আনিছো। পৃথিৱীখন প্ৰকৃতিৰ। প্ৰকৃতিয়ে আমাক দিবলৈ সদায় হাত বাউলী আমাক সদায় মাতে। প্ৰকৃতিয়ে আমাক দিয়ে  কিন্তু আমিহে প্ৰকৃতিক একো দিব পৰা নাই। অৰণ্যপ্ৰীতি অথবা অৰণ্য সংৰক্ষণৰ কথা গভীৰভাৱে উপলব্ধি কৰিব নোৱাৰিলে অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰসৰ কথা আমি সহজে দেখা নাপাম। অৰণ্যৰ প্ৰেমত পৰা লোক অতি সীমিত। আমি যে প্ৰকৃতিত কৈ কৃত্ৰিমতাক বেছি ভাল পাওঁ সেই অভ্যাস আঁতৰাই অৰণ্যপ্ৰেমী হ'বলৈ যত্নপৰ হ'ব লাগিব।*


# অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰস

লীলাধৰ হাজৰিকা

অৰণ্যৰ ভয়াৱহ ৰূপটো দেখিয়েই আমি অৰণ্যক বেয়া পালে নহ'ব। ভয়াৱহতা ৰূপটো অৰণ্যৰ আচল ৰূপ নহয়। অৰণ্য নাথাকিলে আমাৰ কি হ'লহেঁতেন আমি এবাৰ ভাবি চাইছোনে? ক'ত কেনেকৈ জীয়াই থাকিলোহেঁতেন। প্ৰকৃতি ৰক্ষাৰ মূল হৈছে অৰণ্য ৰক্ষা কৰাটো। আমি প্ৰকৃতিৰ সন্তান। প্ৰকৃতিয়ে আমাক জীয়াই ৰাখিছে। অক্সিজেন নাথাকিলে আমি যেনেকৈ থাকিব নোৱাৰো, ঠিক তেনেকৈ প্ৰকৃতি অথবা অৰণ্য নাথাকিলেও আমি জীয়াই থাকিব নোৱাৰিলোহেঁতেন? গতিকে অৰণ্য আমাৰ বাবে কিমান উপকাৰী। অথচ সেই সাধাৰণ কথাটো নজনা বাবেই আমি কিমান বিপদত পৰো।

অৰণ্য ৰক্ষাৰ বাবে আমি বহুত উচ্চ শিক্ষিত হ'ব লাগিব বুলি কথা নাই। অৰণ্যনো কি, ইয়াক কেনেকৈ জীয়াই ৰাখিব অথবা সংৰক্ষণ কৰি ৰাখিব পাৰি সেই উপলব্ধিটো সকলোৰে থাকিব লাগে। অতি সহজ-সৰল হৈও যাদৱ পায়েঙৰ দৰে সাধাৰণ মানুহ এগৰাকী য়ে আত্মসচেতনতাৰ ফলত পৃথিৱী জয় কৰা বুলি ক'লেও ভুল কোৱা নহয়। অৰণ্য যে আমাৰ জীৱনৰ কিডনী স্বৰূপ সেই কথা আমি উপলব্ধি কৰা উচিত।

অৰণ্যৰ ৰূপ-ৰস উপলব্ধি কৰিবলৈ হ'লে আমি নিজকে অৰণ্যপ্ৰেমী কৰি গঢ়ি তুলিব লাগিব। আনুষ্ঠানিকতাৰ খাতিৰত ক'ৰবাত এজোপা গছ ৰুলেই পৰিৱেশ সেউজীয়া হৈ যাব বুলি ভাবিব নালাগিব। কেৱল ডাঙৰ ডাঙৰ ডিগ্ৰীধাৰী অথবা চৰকাৰী উচ্চ পৰ্যায়ৰ লোকসকলেই প্ৰকৃতি সুৰক্ষাৰ কথা জানিলে নহ'ব। জনসাধাৰণক এই উপলব্ধিটো মগজুত সুমুৱাই দিব লাগিব। মাটিৰ মালিক হৈছে প্ৰকৃতি। আমি আজিকালি আমাৰ মাটি মোৰ মাটি কৰি কৰি পৃথিবীৰ মূল্য কমাই আনিছো। পৃথিৱীখন প্ৰকৃতিৰ। প্ৰকৃতিয়ে আমাক দিবলৈ সদায় হাত বাউলী আমাক সদায় মাতে। প্ৰকৃতিয়ে আমাক দিয়ে  কিন্তু আমিহে প্ৰকৃতিক একো দিব পৰা নাই। অৰণ্যপ্ৰীতি অথবা অৰণ্য সংৰক্ষণৰ কথা গভীৰভাৱে উপলব্ধি কৰিব নোৱাৰিলে অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰসৰ কথা আমি সহজে দেখা নাপাম। অৰণ্যৰ প্ৰেমত পৰা লোক অতি সীমিত। আমি যে প্ৰকৃতিত কৈ কৃত্ৰিমতাক বেছি ভাল পাওঁ সেই অভ্যাস আঁতৰাই অৰণ্যপ্ৰেমী হ'বলৈ যত্নপৰ হ'ব লাগিব।



অৰণ্যৰ পৰিৱেশ অধ্যয়ন কৰি জীৱকুলৰ বাবে কি কৰিব লাগিব সেই কথাবোৰৰ জ্ঞান প্ৰাথমিক পৰ্যায়ৰ পৰাই আমি উপলব্ধি কৰিব পাৰিব লাগিব।

পৰিৱেশ শব্দটো সংস্কৃত শব্দ পৰ্যাবৰণম শব্দৰ পৰাই আহিছে। প্ৰাচীন কালৰ পৰাই ভাৰতৰ মানুহে গছ-গছনি, নদ-নদী অঞ্চলক  কেৱল পূজা-অৰ্চনাই নহয় সংৰক্ষণৰ ব্যৱস্থাও কৰিছিল। বায়ু, পানী, মাটি, অগ্নি আৰু আকাশক জ্ঞান কৰিছিল জীৱন ধাৰণৰ মূল সত্তা হিচাপে।

অতি তাৎপৰ্যৰ কথা হ'ল প্ৰাচীনকালৰ মহাকাব্য, বেদ আদিতো জনসাধাৰণে অৰণ্য আৰু জীৱ-জন্তুৰ সংৰক্ষণৰ প্ৰতি বিশেষ আগ্ৰহী আছিল। ৰামায়ণ, মহাভাৰত, বেদ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু মনু সংহিতাতো গছ-গছনি, অভয়াৰণ্যক বিশেষ স্থান দিয়াৰ কথা উল্লেখ আছে। সকলো জীৱ-জন্তু উদ্ভিদে যাতে কোনো শংকা নোহোৱাকৈ জীয়াই থাকিব পাৰে সেই বিষয়ত প্ৰাচীন কালত বিশেষ গুৰুত্ব দিয়া হৈছিল। আনকি অৰণ্যক ক্ষতি কৰাসকলক জৰিমনা বিহাৰো ব্যৱস্থা আছিল। মহামুনি মনুৱে ৰচনা কৰা মনু স্মৃতি পৃথিৱীৰ সৰ্বপ্ৰথম নৈতিকতাৰ নিৰ্দেশাৱলী বুলিও কোৱা হয় য'ত প্ৰকৃতি সংৰক্ষণত গুৰুত্ব দিয়াৰ লগতেই গছ-গছনি কটা আৰু জীৱ-জন্তুক নিৰ্বিচাৰে হত্যা কৰাসকলক শাস্তি দিয়া হৈছিল।

ঋকবেদত বনস্পতি শব্দটোৰ দ্বাৰা হাজাৰতকৈও অধিক ডাল থকা বৃক্ষক অৰণ্যৰ প্ৰভু বা স্বামী জ্ঞান কৰি সেই গছৰ গুৰিত উপাসনা কৰাৰ উল্লেখ আছে। ঋকবেদৰ এঠাইত আছে যে পিতৃৰ ৰূপত আকাশে পঠিয়াই দিয়া বৰষুণৰ পানী মাতৃ বা

■ ১৩ পৃষ্ঠাত

*অসমীয়া ৰহস্য সাহিত্যৰ শিপা বিংশ শতিকাৰ মধ্যভাগৰ পৰা বিচাৰি পোৱা যায়। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত, বিশেষকৈ শ্বাৰ্লক হোমছৰ দৰে ডিটেক্টিভ কাহিনীৰ জনপ্ৰিয়তাৰ পাছত অসমীয়া লেখকসকলে এই ধাৰাটো গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। প্ৰথমাৱস্থাত ৰহস্য কাহিনীসমূহ সাধাৰণতে ডিটেক্টিভকেন্দ্ৰিক আছিল, য'ত অপৰাধ, তদন্ত আৰু সমাধানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই সময়ত কেইবাজনো লেখকে অসমীয়া পাঠকৰ বাবে স্থানীয় সংস্কৃতি আৰু পৰিৱেশৰ সৈতে সংগতি ৰাখি ৰহস্য কাহিনী ৰচনা কৰিছিল। গোলাই ছিৰিজ হ'ল কুমুদেশ্বৰ বৰঠাকুৰৰ দ্বাৰা ৰচিত প্ৰায় সত্তৰখন ডিটেক্টিভ উপন্যাসৰ এটি ছিৰিজ। এই ছিৰিজৰ কাহিনীসমূহত স্থানীয় পৰিৱেশৰ সৈতে মিহলি হৈ থকা ৰহস্যময় ঘটনা, তদন্তৰ চাতুৰ্য আৰু আকৰ্ষণীয় কাহিনীভংগীৰ সমন্বয়ে পাঠকক মোহিত কৰিছিল।*






# অসমীয়া ৰহস্য সাহিত্য

## গোলাই ছিৰিজৰ পৰা ফে'চবুকলৈ

সত্যব্ৰত বৰা

অসমীয়া সাহিত্যৰ বৈচিত্ৰ্যময় ধাৰাসমূহৰ ভিতৰত ৰহস্য সাহিত্য এটা জনপ্ৰিয় আৰু উল্লেখযোগ্য শাখা হিচাপে স্থান লাভ কৰিছে। এই ধাৰাটোৰ জৰিয়তে পাঠকসকলক ৰোমাঞ্চ, কৌতূহল আৰু চিন্তাৰ এক অনন্য অভিজ্ঞতা প্ৰদান কৰা হয়। অসমীয়া ৰহস্য সাহিত্যৰ ইতিহাস অতি পুৰণি নহ'লেও ইয়াৰ বিকাশৰ পথত বহুতো স্মৰণীয় লেখকৰ অৱদানে ইয়াক সমৃদ্ধ কৰিছে। কুমুদেশ্বৰ বৰঠাকুৰৰ গোলাই ছিৰিজ, প্ৰেম নাৰায়ণ দত্তৰ পাফু ছিৰিজ, ৰংমনৰ দস্যু ভাস্কৰ ছিৰিজৰ পৰা আৰম্ভ কৰি সত্যৰঞ্জন কলিতা, দীন তামুলী, ৰঞ্জু হাজৰিকাৰ দৰে বিশিষ্ট লেখকৰ কৰ্মৰ জৰিয়তে এই ধাৰাই পাঠকৰ মনত স্থায়ী চাপ ৰাখিছে। আজিৰ ডিজিটেল যুগত ফে'চবুকৰ গ্ৰন্থ সুবাস আৰু ৰহস্য সাহিত্য গোটৰ দৰে প্লেটফৰ্মত নতুন লেখকৰ উত্থানে এই ধাৰাৰ প্ৰাসংগিকতা আৰু জনপ্ৰিয়তা বৃদ্ধি কৰিছে। এই প্ৰবন্ধত অসমীয়া ৰহস্য সাহিত্যৰ ইতিহাসৰ এটা ৰূপৰেখা আৰু ইয়াৰ বিৱৰ্তনৰ বিষয়ে আলোচনা কৰা হ'ব।

অসমীয়া ৰহস্য সাহিত্যৰ শিপা বিংশ শতিকাৰ মধ্যভাগৰ পৰা বিচাৰি পোৱা যায়। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত, বিশেষকৈ শ্বাৰ্লক হোমছৰ দৰে ডিটেক্টিভ কাহিনীৰ জনপ্ৰিয়তাৰ পাছত অসমীয়া লেখকসকলে এই ধাৰাটো গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। প্ৰথমাৱস্থাত ৰহস্য কাহিনীসমূহ সাধাৰণতে ডিটেক্টিভকেন্দ্ৰিক আছিল, য'ত অপৰাধ, তদন্ত আৰু সমাধানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই সময়ত কেইবাজনো লেখকে অসমীয়া পাঠকৰ বাবে স্থানীয় সংস্কৃতি আৰু পৰিৱেশৰ সৈতে সংগতি ৰাখি ৰহস্য কাহিনী ৰচনা কৰিছিল।

গোলাই ছিৰিজ হ'ল কুমুদেশ্বৰ বৰঠাকুৰৰ দ্বাৰা ৰচিত প্ৰায় সত্তৰখন ডিটেক্টিভ উপন্যাসৰ এটি ছিৰিজ। এই ছিৰিজৰ কাহিনীসমূহত স্থানীয় পৰিৱেশৰ সৈতে মিহলি হৈ থকা ৰহস্যময় ঘটনা, তদন্তৰ চাতুৰ্য আৰু আকৰ্ষণীয় কাহিনীভংগীৰ সমন্বয়ে পাঠকক মোহিত কৰিছিল।



একেদৰে প্ৰেমনাৰায়ণ দত্তৰ পাফু ছিৰিজো অসমীয়া ৰহস্য সাহিত্যৰ অন্যতম জনপ্ৰিয় ছিৰিজ। এই ছিৰিজৰ কাহিনীবোৰ তৰুণ পাঠকৰ মাজত অধিক জনপ্ৰিয় আছিল। এই কাহিনীসমূহৰ সৰল ভাষা, দ্ৰুত গতিৰ কাহিনী আৰু স্থানীয় সংস্কৃতিৰ সৈতে সংযোগে ইয়াক বিশেষভাৱে আকৰ্ষণীয় কৰি তুলিছিল। পাফুৰ দুঃসাহসিক অভিযান আৰু ৰহস্য সমাধানৰ কৌশলী পদ্ধতিয়ে তৰুণ পাঠকৰ কল্পনাশক্তিক জগাই তুলিছিল। ইয়াৰে প্ৰথম পুথি 'দিন ডকাইত' প্ৰথম প্ৰকাশ হয় ১৯৪৬ চনত। পাফু ছিৰিজৰ মূল চৰিত্ৰ হ'ল 'পাফু' নামৰ এটা দল। এই দল দুখীয়া, নিষ্পেষিত জনগণৰ প্ৰতি সদা দয়ালু আছিল কিন্তু অপৰাধীবোৰৰ প্ৰতি অতি নিষ্ঠুৰ আছিল। বিভিন্ন কৌশলেৰে তেওঁলোকে অপৰাধীবিলাকক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছিল। পাফু দলক ধৰিবলৈ সদা সষ্টম এক পুলিচ আৰু চোৰাংচোৱা বাহিনী আছিল এই কাহিনীৰ অন্যতম চৰিত্ৰ।

ৰংমনৰ দস্যু ভাস্কৰ ছিৰিজ অসমীয়া ৰহস্য সাহিত্যৰ আন এক অনন্য সংযোজন। এই কাহিনীৰ মুখ্য চৰিত্ৰ দস্যু ভাস্কৰ আছিল এক দুৰ্ধৰ্ষ আৰু বুদ্ধিমান চৰিত্ৰ। ভাস্কৰৰ কাহিনীত অপৰাধ আৰু ৰহস্যৰ সৈতে দুঃসাহসিকতাৰ মিশ্ৰণ ঘটিছিল। দস্যু ভাস্কৰৰ কাহিনীবোৰত অসমৰ গ্ৰাম্য আৰু নগৰীয়া পৰিৱেশৰ পটভূমিৰ সৈতে ৰোমাঞ্চকৰ ঘটনাৰ বৰ্ণনাই পাঠকক আকৰ্ষণ কৰিছিল। এই ছিৰিজৰ জনপ্ৰিয়তাই অসমীয়া ৰহস্য সাহিত্যৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সৰ্বমুঠ ৬১ খন কিতাপ আছিল দস্যু ভাস্কৰ ছিৰিজত।

ইয়াৰ বাহিৰেও ইন্দ্ৰজিতে লিখিছিল 'চক্ৰান্ত ছিৰিজ'। আনহাতে অশোকে লিখিছিল 'চক্ৰধজ ছিৰিজ'। এই গ্ৰন্থসমূহ বৰ্তমান বজাৰত বিচাৰি পাবলৈ নাই। সঞ্জয় ৰচিত এটা ৰহস্য ছিৰিজ আছিল 'ইনকাজ ছিৰিজ'।

এই ধাৰাবাহিক উপন্যাসসমূহৰ উপৰি কেইবাজনো বিশিষ্ট লেখকে অসমীয়া ৰহস্য সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰিছিল। সত্যৰঞ্জন কলিতা এক উল্লেখযোগ্য নাম, যাৰ ৰহস্য কাহিনীসমূহত গভীৰ চিন্তা আৰু জটিল কাহিনীৰ সমন্বয় দেখা যায়। তেওঁৰ লেখাত মানৱ মনৰ জটিলতা, বিদেশৰ পটভূমি আৰু সমাজৰ বিভিন্ন দিশৰ সৈতে ৰহস্যৰ মিশ্ৰণ ঘটিছিল, যিয়ে পাঠকৰ মাজত এক বৌদ্ধিক আকৰ্ষণৰ সৃষ্টি কৰিছিল। 'বেংক ৰবাৰী', 'গেংছ অব্ ফ'ৰ', 'প্ৰফেচনেল', 'ক্ৰিমিনেল', 'ছুইট হাৰ্ট' আদি কেইখনমান তেওঁৰ উলেখযোগ্য গ্ৰন্থ।

দীন তামুলীৰ ৰহস্য কাহিনীসমূহো অসমীয়া সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁৰ লেখাত স্থানীয় সংস্কৃতি আৰু পৰিৱেশৰ প্ৰতিফলনৰ লগতে ৰোমাঞ্চকৰ কাহিনীৰ সমন্বয়ে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছিল। তেওঁৰ কাহিনীবোৰত প্ৰায়ে সাধাৰণ মানুহৰ জীৱনৰ সৈতে জড়িত ৰহস্যৰ সমাধানৰ কথা উত্থাপিত হৈছিল, যিয়ে পাঠকৰ মনত সহজে সংযোগ স্থাপন কৰিছিল।

ৰঞ্জু হাজৰিকা অসমীয়া ৰহস্য সাহিত্যৰ ■ ১৩ পৃষ্ঠাত

# নতুন পথেৰে যোৱা আগুৱাই


■ আয়শা ছিদ্দিকা




যোৱা আগুৱাই এখোজ এখোজকৈ
নতুন দিনৰ নতুন সময়ত নতুন পথেৰে
উন্নতিৰ শীৰ্ষ চুই যোৱা অনায়াসে
বিদায় বিদায় বুলি মন মাৰি নাথাকিবা।

কিবা পাবলৈ কিবা হেৰুৱাব লাগে
এয়াই যে নিয়ম নিয়িতিৰ
নহ'লে যে জীৱন, সমাজ সকলো স্তব্ধ
আগুৱাব নোৱাৰে উন্নতৰ দিশে।

সুপ্ত মনৰ নিজান কোণৰ পৰা
আশীৰ্বাদ সদায় নিগৰে নীৰৱে
তোমাৰ উজ্জ্বল ভৱিষ্যৎ সজোৱাৰ
এক পণেৰে শৈশৱৰ ডেওনা পাৰ কৰি
আৰু দুখোজ আগুৱাই যোৱা।
তুমি সফল হোৱা তুমি সফল হোৱা
হে প্ৰবীণ সমাজৰ নবীন যোদ্ধা।





# শব্দৰ সন্ধানত


■ সঞ্জীৱ গগৈ

সন্ধিয়াবোৰে পগলা কৰা এটি মাতাল কবিতা,
কানিমুনি সন্ধিয়াত দেওলগা বাটে ঘাটে
যি কবিতাই বিচাৰি ফুৰে
শব্দৰ ঈষৎ জোনাক।



সেই বাটেৰেই জোনটি চমকে
এন্ধাৰ জোনাকীৰ অশ্লীল আলিংগন
বৰনৈৰ মৰা সুঁতিৰ জলতৰংগই তৰংগই
শব্দৰ সন্ধানত যি নিমগ্ন প্ৰহৰী।
যেন এটি স্থিতপ্ৰজ্ঞ কবিতা।

এটি অপৰিপূৰ্ণ স্তৱকৰ পূৰ্ণতাৰ বাবত
মদাহীৰ বস্তিয়ে বস্তিয়ে বিমুক্ত বিচৰণ
এসোপামান শব্দৰ ফটিকা টেঁটুলৈকে গিলিও
যি কবিতা নিচাত বাগৰি নপৰে।
আধৰুৱা কবিতাৰ এটি মাত্ৰ স্তৱকৰ
পূৰ্ণতাৰ প্ৰতিশ্ৰুতিত।



# কলাগুৰু

■ ঝৰ্ণা মিশ্ৰ ভট্টৰাই

১৯০৯ত চনত ঢাকাত উদয় হ'ল
তেজোদ্দীপ্ত সূৰ্যৰ, সেনাৰ অস্থায়ী আলয়ত।
আঁজুৰি আনিব হেনো আলোকেৰে প্ৰভাত,
দীপ্তিময়তা, স্বাধীনতা অসমীয়া জাতীয় জীৱনত।

গেথী ও গোপালৰ পোনাটিয়ে ল'লে এটি পণ,
জ্যোতি বিলোৱাৰ এই ক্ষণ।
শোণিতপুৰৰ ভূমিত কৰিলে আহ্বান,
একত্ৰিত হোৱা আজি,
হালোৱা হজুৱা সকলো মৰমৰ জনগণ।
এয়া সফলতাৰ যাত্ৰা কৰাৰ এটি শুভক্ষণ।

পদাৰ্থ বিজ্ঞানৰ বিদ্যাৰ্থীজন,
লৈ শংকৰৰ আধ্যাত্মিক জ্ঞান-দৰ্শন।
দেশভক্তিৰ প্ৰতি উৎসৰ্গিত সমস্ত জীৱন,
আৱাহন, বাঁহীৰ পাতত গঢ়িলে নন্দন-কানন!...

চেণ্টপল, ভিক্টৰিয়া, ৰিপন আদিত
জ্ঞানৰ কৰিলে অন্বেষণ।
তেতিয়াই অগা-ডেৱা কৰে
স্বাধীনতাৰ সেউজ সপোন।

তাৰ পিছত...
কবিতাৰ উক্তিয়ে জোকাৰিলে সিংহদ্বাৰ।
ৰাজ্যে আছে দুটা পাঠা

একটি কালো, একটি সাদা...
দেশপ্ৰেমৰ জুইত ৰাভা বিদ্ৰোহী দীপশিখা!
এতিয়া...!

ফুটবল, হকী, ক্ৰিকেট সকলোতে
ছন্দই তুলিলে সুৰ,
আনা পাভলোভাৰ নৃত্য ৰসত,
শিল্পী প্ৰাণৰ প্ৰেৰণা জাগিল অফুৰন্ত।
জয়োতিৰ সংগ পাই উজ্জীৱিত, বিষ্ণুৰ দৃষ্টি অনন্ত।

আহ! নিয়তিৰ নিষ্ঠুৰ পৰিহাস!
প্ৰিয়লতা, কনকলতা অকালতে গ'লগৈ!
মুনমুন, থুনথুনক নিজ কপালতে আঁকি ল'লে।
উজাই আহিল শোকবোৰ...!
পৰজনমৰ শুভলগনত যদিহে হয় আমাৰ দেখা...!

নদীবোৰ জানো থমকি ৰয়
সাহিত্য সংগীত কলা সাধনাৰে বৈ থাকিল।
সোণপাহি, মিচিং কনেং,
অতীতে দি গ'ল সমলবোৰ...
কৃষ্টি, দৃষ্টি আৰু বহুতো...।


১৯৩৯ত হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ,
সেয়াই আছিল মধুৰ ক্ষণ...
হৃদয়ে হৃদয়ে শিহৰণ, অপূৰ্ব তাণ্ডৱৰ জয়ধ্বনি।
এয়া ঈশ্বৰপ্ৰদত্ত শিল্পী...!
হে কলাৰ গুৰু... তুমি মহান।
সৰ্বেপল্লীয়ে হিয়া উজাৰিলে...।

শুনি তাণ্ডৱ নৃত্যৰ সুৰ,
হৃদয় পৰিলহি সকলোৰে জুৰ।
১৯৬৭ ত তেজপুৰৰ জনপ্ৰতিনিধি,
হ'বলৈ মেলিলে মন।
নাটক, কবিতা, গীত লিখিলে অগণন।
সংস্কৃতিৰ বোজাটো বোকোচাত এয়াই আচল ধন।



১৯৬৯ৰ ২০ জুন মৃত্যুশয্যাত,
ছটফটাই তুমিয়েতো লিখিছিলা...
এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ
শেষ ৰাগিণী
কল্যাণ খৰমান।
অমৰ হৈ ৰ'লা তুমি,
আজিও বাজে হৃদয়ত সংগীতধ্বনি।

শোষিত, নিষ্পেষিতৰ সাহস তুমি,
কলাগুৰু নহয় মাথোঁ, তোমাৰ এটি বিশেষণ।
তুমি আমাৰ হিয়াৰ আমঠু, কলা-কৃষ্টিৰ গগন।
অমৰ হৈ থাকিবা চিৰকাল।



# কিনকিনীয়া বৰষুণজাক

■ কল্যাণী গগৈ

এখন উকা আকাশ
চাৰিওফালে নিঃশব্দ, নিটাল
এক মায়াময় পৃথিৱী।
হঠাতে নীৰৱতা ভাঙি,
ধৰালৈ নামি আহিছিল
এজাক কিনকিনীয়া বৰষুণ
যিয়ে বসুমতীৰ বুকুত সিঁচি দিছিল
এমুঠি প্ৰেমৰ ৰহণ
এজাক প্ৰেমিক চৰায়ো
বহল ডেউকা মেলি,
উৰা মাৰিছিল
সপোনৰ দেশলৈ।
এয়া আকৌ কি হ'ল?
ফৰকাল মোৰ
মনৰ আকাশখন দেখোন
ডাৱৰেৰে ছানি ধৰিছে,
দুচকু মোহাৰি হঠাতে
মই জিকাৰ খাই উঠিলো
জীৱনৰ পদপথত এয়া
কিহৰ আচ্ছাদন?
নিঃসংগতাৰ আৱৰণনে,
নিবনুৱা জীৱনৰ তিক্ততাৰ
এক হিয়া ভৰা ক্ৰন্দন।
প্ৰেমৰ ৰহণসনা সেই
কিনকিনীয়া বৰষুণজাক যেন
আকৌ নোহোৱা হৈ গ'ল,
নিজতে আত্মহাৰা হৈ থকা
প্ৰেমিক চৰাইজাকো
দূৰ অসীমত হেৰাল।
মাথোঁ বৈ গৈছে
আবেলিৰ বেলিৰ
মায়াময় হেঙুলী কিৰণ।।



*"অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে বাংলাদেশৰ পৰা হোৱা সস্তীয়া শ্ৰমিকৰ আগমনে অসমৰ শ্ৰম বজাৰখনত এক জটিলতাৰ সৃষ্টি কৰিছে। এফালে ইয়াৰ ফলত নিৰ্মাণ খণ্ড বা কৃষি খণ্ডত কম মজুৰিত শ্ৰমিক পোৱা গৈছে সঁচা; কিন্তু আনফালে ই স্থানীয় যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ পথত বাধাৰ সৃষ্টি কৰিছে। বাহিৰৰ পৰা অহা এই শ্ৰমিকসকলে যিকোনো পৰিস্থিতিতে অতি কম মজুৰিত কাম কৰিবলৈ সাজু থাকে, যাৰ ফলত স্থানীয় শ্ৰমিকৰ দৰ-দাম কৰাৰ ক্ষমতা হ্ৰাস পায়। তদুপৰি এই প্ৰব্ৰজনকাৰীসকলে উপাৰ্জন কৰা ধনৰ এটা বৃহৎ অংশ কেতিয়াবা অনানুষ্ঠানিক পথেৰে পুনৰ বাংলাদেশলৈ লৈ যোৱাৰ অভিযোগো উত্থাপন হয়, যিটোৱে ৰাজ্যৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাব পাৰে।"*

# প্ৰব্ৰজন আৰু অসমৰ খিলঞ্জীয়াৰ অনিশ্চিত ভৱিষ্যৎ

চন্দন কুমাৰ নাথ

অসমৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ জনগাঁথনিগত চৰিত্ৰ সদায়েই এক স্পৰ্শকাতৰ বিষয় হিচাপে বিবেচিত হৈ আহিছে। বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সৈতে থকা অসমৰ দীঘলীয়া আৰু ছিদ্ৰযুক্ত সীমান্তই ৰাজ্যখনৰ বাবে কেৱল ৰাজনৈতিক নহয়, বৰঞ্চ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশতো এক গভীৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। বিগত কেইবাটাও দশক ধৰি অসমৰ সমাজ জীৱনত 'বংগীয় প্ৰব্ৰজন' বা 'বাংলাদেশী অনুপ্ৰৱেশ'ৰ প্ৰসংগটোৱে যিধৰণে ক্ৰিয়া কৰি আহিছে, সেয়া কেৱল নিৰ্বাচনী ইছ্যু হৈ থকা নাই; বৰঞ্চ ই অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ ভৱিষ্যৎ সুৰক্ষাৰ প্ৰতি এক অশনি সংকেত হিচাপে থিয় দিছে। সাম্প্ৰতিক বিশ্ব ৰাজনীতিৰ পটভূমি আৰু বাংলাদেশৰ আভ্যন্তৰীণ পৰিস্থিতিৰ সলনি হোৱা লগে লগে অসমৰ বাবে এই সংকট আৰু অধিক ঘনীভূত হোৱাৰ আশংকা কৰা হৈছে। প্ৰথমেই লক্ষ্য কৰিবলগীয়া বিষয়টো হ'ল জনসংখ্যাৰ গাঁথনিগত পৰিৱৰ্তন বা 'ডেম'গ্ৰাফিক চেঞ্জ'। এখন ৰাজ্য বা এটা জাতিৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি তেতিয়া আহে যেতিয়া তাৰ ভূমিপুত্ৰসকলে নিজৰ মাটিতে সংখ্যালঘু হৈ পৰাৰ উপক্ৰম হয়। অসমৰ ক্ষেত্ৰত এই ভীতি অমূলক নহয়। স্বাধীনতাৰ পূৰ্বৰে পৰা আৰম্ভ হোৱা আৰু ১৯৭১ চনৰ পৰৱৰ্তী সময়তো অব্যাহত থকা এই অনুপ্ৰৱেশৰ সোঁতে অসমৰ কেইবাখনো জিলাৰ জনগাঁথনি আমূলভাৱে সলনি কৰি পেলাইছে। এই পৰিৱৰ্তন কেৱল সংখ্যাৰ খেল নহয়; ইয়াৰ লগত জড়িত হৈ আছে মাটিৰ অধিকাৰ, ভাষাৰ ভৱিষ্যৎ আৰু সংস্কৃতিৰ সুৰক্ষা। যেতিয়া এটা নিৰ্দিষ্ট অঞ্চলত বাহিৰৰ পৰা অহা জনসংখ্যাৰ ঘনত্ব অত্যধিক হাৰত বৃদ্ধি পায়, তেতিয়া স্বাভাৱিকতে স্থানীয় সম্পদৰ ওপৰত হেঁচা পৰে। অসমৰ উৰ্বৰ কৃষিভূমি, বিশেষকৈ চৰ-চাপৰি অঞ্চলসমূহত বৰ্তমান যি ধৰণৰ জনবসতি গঢ় লৈ উঠিছে, সি ভৱিষ্যতে অসমৰ খিলঞ্জীয়া মানুহৰ বাবে কৃষি আৰু বাসস্থানৰ সংকট তীব্ৰতৰ কৰি তুলিব। ত্ৰিপুৰাৰ উদাহৰণ অসমৰ চকুত সদায় জলজল-পটপটকৈ ভাহি থাকে, য'ত ত্ৰিপুৰী খিলঞ্জীয়া লোকসকল নিজৰ ৰাজ্যতে আজি প্ৰান্তীয় হৈ পৰিল। অসমৰ বাবেও একেই ইতিহাসৰ পুনৰাবৃত্তি হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। দ্বিতীয় গুৰুতৰ বিপদটো হ'ল অসমৰ সত্ৰীয়া সংস্কৃতি আৰু খিলঞ্জীয়া পৰিচয়ৰ প্ৰতি অহা ভাবুকি। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটো সমন্বয়ৰ মাজেৰে গঢ়ি উঠিছে সঁচা, কিন্তু এই সমন্বয়ৰ এটা সীমা আছে। যেতিয়া এক বৃহৎসংখ্যক ভিন্ন ভাষী আৰু ভিন্ন ধৰ্মীয় সংস্কৃতিৰ লোকে একোটা অঞ্চল আগুৰি ধৰে আৰু স্থানীয় সংস্কৃতিৰ লগত একাত্ম হোৱাৰ পৰিৱৰ্তে নিজৰ স্বকীয়তা জাপি দিবলৈ চেষ্টা কৰে, তেতিয়া সংঘাত অনিবাৰ্য হৈ পৰে। বাংলাদেশৰ পৰা অহা জনস্ৰোতৰ লগত কেৱল মানুহ অহা নাই, আহিছে এক ভিন্ন ধৰ্মীয় আৰু সামাজিক দৰ্শন। সত্ৰসমূহৰ মাটি বেদখল হোৱা, কাজিৰঙাৰ দৰে ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত জনবসতি বৃদ্ধি পোৱা আৰু অসমীয়া ভাষাৰ প্ৰচলন সংকুচিত হৈ অহা এইবোৰ কেৱল বিচ্ছিন্ন ঘটনা নহয়, বৰঞ্চ ই এক সুদূৰপ্ৰসাৰী সাংস্কৃতিক আগ্ৰাসনৰ ইংগিত বহন কৰে। যদিহে এই সোঁত ৰোধ কৰা নহয়, তেন্তে এটা সময়ত অসমীয়া ভাষা কেৱল চৰকাৰী নথি-পত্ৰতহে জীয়াই থাকিব আৰু ব্যৱহাৰিক জীৱনত ই গৌণ হৈ পৰিব।

অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে বাংলাদেশৰ পৰা হোৱা সস্তীয়া শ্ৰমিকৰ আগমনে অসমৰ শ্ৰম বজাৰখনত এক জটিলতাৰ সৃষ্টি কৰিছে। এফালে ইয়াৰ ফলত নিৰ্মাণ খণ্ড বা কৃষি খণ্ডত কম মজুৰিত শ্ৰমিক পোৱা গৈছে সঁচা; কিন্তু আনফালে ই স্থানীয় যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ পথত বাধাৰ সৃষ্টি কৰিছে। বাহিৰৰ পৰা অহা এই শ্ৰমিকসকলে যিকোনো পৰিস্থিতিতে অতি কম মজুৰিত কাম কৰিবলৈ সাজু থাকে, যাৰ ফলত স্থানীয় শ্ৰমিকৰ দৰ-দাম কৰাৰ ক্ষমতা হ্ৰাস পায়। তদুপৰি এই প্ৰব্ৰজনকাৰীসকলে উপাৰ্জন কৰা ধনৰ এটা বৃহৎ অংশ কেতিয়াবা অনানুষ্ঠানিক পথেৰে পুনৰ বাংলাদেশলৈ লৈ যোৱাৰ অভিযোগো উত্থাপন হয়, যিটোৱে ৰাজ্যৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাব পাৰে। সম্পদৰ ওপৰত হোৱা এই প্ৰতিযোগিতাই গ্ৰামাঞ্চলত সঘনাই সামাজিক সংঘাতৰো সৃষ্টি কৰি আহিছে। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় নিৰাপত্তা বা 'নেচনেল ছিকিউৰিটি'ৰ দিশটো আটাইতকৈ গুৰুতৰ। বাংলাদেশৰ লগত থকা অসমৰ সীমান্তৰ বহু অংশ নদীকেন্দ্ৰিক আৰু দুৰ্গম হোৱাৰ বাবে ইয়াৰ সম্পূৰ্ণ ছীল কৰা প্ৰায় অসম্ভৱ হৈ পৰিছে। এই সুযোগ গ্ৰহণ কৰি কেৱল মানুহেই নহয়, অস্ত্ৰ-শস্ত্ৰ, ড্ৰাগছ আৰু জাল নোটৰ সৰবৰাহ হোৱাৰ সম্ভাৱনা থাকে। কট্টৰপন্থী মৌলবাদী শক্তিৰ উত্থান অসমৰ দৰে শান্তিপ্ৰিয় ৰাজ্যৰ বাবে এক ভয়ংকৰ বিপদ। বিগত সময়ছোৱাত কেইবাটাও জেহাদী গোটৰ সদস্য আটক হোৱাৰ ঘটনাই প্ৰমাণ কৰে যে বাংলাদেশৰ মাটি ব্যৱহাৰ কৰি বা তাৰ পৰা অনুপ্ৰৱেশকাৰীৰ বেশত আহি সন্ত্ৰাসবাদী শক্তিয়ে অসমত নিজৰ ঘাটি পতাৰ চেষ্টা চলাই আছে। বাংলাদেশৰ আভ্যন্তৰীণ ৰাজনীতিত যেতিয়াই







অস্থিৰতা আহে, তাৰ প্ৰত্যক্ষ প্ৰভাৱ অসমৰ সীমান্তত পৰে। বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক পট পৰিৱৰ্তন আৰু ভাৰতবিৰোধী আৱেগৰ উত্থানে এই শংকাক আৰু অধিক তীব্ৰতৰ কৰি তুলিছে। 'গ্ৰেটাৰ বাংলাদেশ' বা 'বৃহৎ বাংলাদেশ'ৰ যিটো ধাৰণা কেতিয়াবা তাত চৰ্চা হয়, তাক অসমৰ বুদ্ধিজীৱী মহলে কেতিয়াও সহজভাৱে লোৱা নাই। অসমৰ মাটি আৰু সম্পদৰ ওপৰত লোলুপ দৃষ্টি থকা এই ভূ-ৰাজনৈতিক ষড়যন্ত্ৰক অৱহেলা কৰিলে ভৱিষ্যতে অসমে ডাঙৰ মূল্য ভৰিবলগীয়া হ'ব পাৰে। ৰাজনৈতিকভাৱে বাংলাদেশৰ পৰা অহা প্ৰব্ৰজনকাৰীসকলক এটা 'ভোটবেংক' হিচাপে ব্যৱহাৰ কৰাৰ প্ৰৱণতাই সমস্যাটো সমাধানৰ পৰিৱৰ্তে অধিক জঁট লগাই পেলাইছে। গণতন্ত্ৰত সংখ্যাৰ গুৰুত্ব অপৰিসীম। যেতিয়া অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাত সোমাই পৰে, তেতিয়া তেওঁলোকে ৰাজ্যৰ নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত প্ৰভাৱ পেলাবলৈ সক্ষম হয়। ইয়াৰ ফলত খিলঞ্জীয়া মানুহৰ ৰাজনৈতিক অধিকাৰ খৰ্ব হয় আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণৰ বাবে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ ক্ষমতা কমি আহে। অসমৰ বহুকেইটা বিধানসভা সমষ্টিত বৰ্তমান নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে এই নৱ প্ৰব্ৰজনকাৰী বা তেওঁলোকৰ উত্তৰপুৰুষসকলে। ইয়ে অসমৰ খিলঞ্জীয়া নেতাসকলক চিন্তিত কৰি তুলিছে যে অনাগত দিনত অসমৰ মুখ্য মন্ত্ৰী বা প্ৰশাসকসকল খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সক্ষম হ'বনে, নে তেওঁলোক এই বৰ্ধিত ভোটবেংকৰ ওচৰত নতি স্বীকাৰ কৰিবলৈ বাধ্য হ'ব।

পৰিশেষত বাংলাদেশ অসমৰ বাবে কেৱল এখন চুবুৰীয়া ৰাষ্ট্ৰ নহয়, বৰঞ্চ ই অসমৰ অস্তিত্বৰ বাবে এক ধাৰাবাহিক প্ৰত্যাহ্বানৰ উৎস। এই বিপদ কেৱল সীমান্ত পাৰ হৈ অহা মানুহখিনিৰ মাজতে আবদ্ধ নহয়; ই আমাৰ মাটি, ভেটি, ভাষা, সংস্কৃতি আৰু ৰাজনৈতিক ভৱিষ্যতৰ সৈতে পোনপটীয়াকৈ জড়িত। অসম চুক্তিৰ ৬ নং দফাৰ ৰূপায়ণ, সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰা, এন আৰ চিৰ জৰিয়তে বিদেশী চিনাক্তকৰণ আৰু বিতাড়নৰ ব্যৱস্থা কৰাটো কেৱল চৰকাৰী দায়িত্ব নহয়, ই অসমীয়া জাতিৰ জীয়াই থকাৰ চৰ্ত। আৱেগৰ পৰিৱৰ্তে বাস্তৱসন্মত আৰু কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে, ইতিহাসৰ পাতত অসমীয়া জাতি কেৱল এক অতীতৰ স্মৃতি হৈ ৰোৱাৰ সম্ভাৱনাই প্ৰবল। সেয়েহে চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা আহিব পৰা এই বহুমুখী বিপদক প্ৰতিহত কৰিবলৈ কূটনৈতিক তৎপৰতা আৰু আভ্যন্তৰীণ সজাগতা দুয়োটাৰে জৰুৰী প্ৰয়োজন আছে।



*তেওঁৰ 'দলঙৰ তামীঘৰা' কবিতা পুথিত আধুনিক অসমীয়া কবিতাৰ এক বিশেষ ধাৰাৰ প্ৰতিনিধিত্ব কৰে। বৈশিষ্ট্যসমূহ হ'ল, গভীৰ মনস্তাত্ত্বিক বিশ্লেষণ, ঐতিহাসিক সামাজিক পটভূমিৰ প্ৰতিচ্ছবি, নগৰীয়া জীৱনৰ বিচ্ছিন্নতা আৰু নিঃসংগতা, প্ৰকৃতিৰ সৈতে মানৱ জীৱনৰ সম্পৰ্কৰ জটিলতা আৰু 'দলঙৰ তামীঘৰা' (অৰ্থাৎ অনিশ্চিত আৰু অস্থায়ী আশ্ৰয়)ৰ প্ৰতীকী প্ৰয়োগ, যি মানুহৰ অস্থিৰ অস্তিত্ব আৰু বিচাৰৰ প্ৰতিচ্ছবি ফুটি উঠিছে। কবিতা পুথিখনত আধুনিক মানুহৰ পৰিচয়ৰ সংকট আৰু গভীৰ অন্তৰ্লীন বেদনা অনুভৱ হৈছে। নৰকান্ত বৰুৱাৰ 'এখন স্বচ্ছ মুখাৰে' কবিতা পুথিখনত আধুনিকতা, প্ৰতীকবাদ, চিত্ৰকল্পৰ উপস্থাপন, নিঃসংগতাবোধ, বিষাদগ্ৰস্ততা, সাম্যবাদী ভাবধাৰা আৰু মানৱ জীৱনৰ জটিলতাৰ প্ৰতি সমবেদনা, য'ত কবিয়ে মহানগৰীয়া জীৱনৰ শূন্যতা আৰু ব্যক্তিৰ আৱেগ-অনুভূতি স্বতঃস্ফূৰ্তভাৱে প্ৰবাহিত হৈছে।*



# নৰকান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য

নাছিৰ আহমেদ

কুৰি শতিকাৰ ৪০ৰ দশকৰ পাছৰ পৰাই অসমীয়া কবিতাত পৰিৱৰ্তনশীল সাম্প্ৰতিক কালৰ কবিতাৰ ধাৰাৰ মুখ্য প্ৰতিনিধিৰূপে স্বীকৃতি লাভ কৰা কবিগৰাকীয়ে হৈছে নৰকান্ত বৰুৱা। ইংৰাজী আৰু সমসাময়িক বাংলা সাহিত্যৰ অধ্যয়নপুষ্ট মন লৈ নৰকান্ত বৰুৱাই অসমীয়া কাব্য জগতলৈ নতুন নতুন চিন্তা আৰু বাস্তৱৰ সংমিশ্ৰণ ঘটাই অসমীয়া কাব্য সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়াই গৈছে।

বিষয়বস্তুৰ লগত আংগিকৰ অভিনৱত্ব, ভাববস্তুৰ লগত ৰূপবস্তুৰ অপূৰ্ব সমন্বয় নৰকান্ত বৰুৱাৰ কবিতাৰ মন কৰিবলগীয়া বৈশিষ্ট্য। তেওঁৰ কবিতাত ইতিহাস চেতনাবোধ, সমকাল চেতনা, মৃত্যুচেতনা, নিঃসংগতাবোধ, ঈশ্বৰৰ অস্তিত্ব আদি বিষয়সমূহেও প্ৰাধান্য লাভ কৰিছে।

মহেন্দ্ৰ বৰাই কোৱা মতে, 'এহাতে ৰবীন্দ্ৰনাথ, আনহাতে ইলিয়ট। এয়ে বোধকৰো নৰকান্ত বৰুৱাৰ কাব্য পৰিক্ৰমাৰ কুমেৰু-সুমেৰু।'

নৰকান্ত বৰুৱাৰ কবিতাত মুক্তক ছন্দৰ সাৱলীল প্ৰকাশ, অভিনৱ চিত্ৰকল্পৰ প্ৰয়োগ আৰু প্ৰতীকী ব্যঞ্জনাৰ ব্যৱহাৰো গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। তেওঁৰ কবিতাত মুক্তভাৱে মানৱতাৰ জয়গান গোৱা দেখা যায়।

আংগিক আৰু কলা-কৌশল প্ৰয়োগৰ ক্ষেত্ৰত সাম্প্ৰতিক যুগৰ শ্ৰেষ্ঠ ইংৰাজী কবি টি এছ ইলিয়ট তথা ইউৰোপীয় কবিসকলৰ আৰু বিশেষকৈ শ্ৰেষ্ঠ বাঙালী কবি ৰবীন্দ্ৰনাথ ঠাকুৰ, জীৱনানন্দ দাশ, বুদ্ধদেৱ বসু, অমিয় চক্ৰৱৰ্তী আদিৰ প্ৰভাৱ সুস্পষ্ট।

নৰকান্ত বৰুৱাৰ কবিতাপুথিসমূহ হ'ল—

হে অৰণ্য, হে মহানগৰ (১৯৫১)
যতি আৰু কেইটামান স্কেচ্ছ (১৯৬০)
এটি দুটি এঘাৰটি তৰা (১৯৫৭)
ৰত্নাকৰ (১৯৮৬)
ৰাৱণ (১৯৬৩)
সূৰ্যমুখীৰ অংগীকাৰ (১৯৯০)
এখন স্বচ্ছ মুখাৰে (১৯৬০)
মোৰ আৰু পৃথিৱী (১৯৭৩)
দলঙত তামীঘৰা (১৯৯১)
নিৰ্বাচিত কবিতা (ইংৰাজীত)
অনুবাদ কবিতা ঃ
(ক) এশ কবিতা
(খ) আহত মৰাল
(গ) নজৰুল ইছলামৰ কবিতা
(ঘ) মুখ্যধাৰা
(ঙ) কবিৰাই কয়

নৰকান্ত বৰুৱাৰ প্ৰতিখন কবিতা পুথি কায়িক জীৱনৰ সৌন্দৰ্য, প্ৰেমৰ মাধুৰী, মৃত্যু, ৰহস্য আদি বিবিধবস্তুৰে সমৃদ্ধ। তেওঁৰ কবিতাবোৰত হুইটমেন আৰু খলিল জিব্ৰানৰ কবিতাৰ প্ৰভাৱো বিদ্যমান যদিও এক নিজস্ব স্বকীয়তা তেওঁৰ সমূহ কাব্যসম্ভাৰতো মূলতঃ সুস্পষ্ট। হে অৰণ্য হে মহানগৰ কবিতা পুথিত যুদ্ধোত্তৰ অসমীয়া কবিতাৰ আধুনিকতাৰ সূচনা, ফৰাচী প্ৰতীকবাদী কাব্যৰ প্ৰভাৱ, নগৰীয়া জীৱনৰ জটিলতা আৰু সংকটৰ চিত্ৰণ নে প্ৰকৃতি আৰু সভ্যতাৰ মাজৰ সংঘাত, গভীৰ মনস্তাত্ত্বিক বিশ্লেষণ, মানৱতাবাদ আৰু ইতিহাস চেতনাৰ মিশ্ৰণ, ভাষা-ভাৱৰ মৌলিকতা আৰু আংগিক-বিষয়বস্তুৰ অভিনৱত্ব, যিয়ে অসমীয়া কবিতাত এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল। নিঃসন্দেহে, ১৯৫০ৰ দশকত প্ৰকাশিত এই পুথিখন অসমীয়া কবিতাৰ ইতিহাসত এক উল্লেখযোগ্য সংযোজন।

'এটি দুটি এঘাৰটি তৰা' নৰকান্ত বৰুৱাৰ এক উল্লেখযোগ্য কবিতা পুথি, যাৰ বিষয়বস্তু মূলতঃ আধুনিক জীৱনৰ বৈপৰীত্য, মহানগৰৰ কোলাহলত মানুহৰ বিচ্ছিন্নতা, প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক, প্ৰেম, একাকিত্ব আৰু মানুহৰ গভীৰ মনস্তাত্ত্বিক সংঘাতৰ বৰ্ণনা কৰে, য'ত চিত্ৰকল্পৰ ব্যৱহাৰ আৰু ভাষিক সৌন্দৰ্যই কবিতাক বিশেষ ৰূপ দান কৰিছে।

নৰকান্ত বৰুৱাৰ বিখ্যাত 'ৰাৱণ' কবিতা পুথিখনত ৰামায়ণ মহাকাব্যৰ উল্লেখযোগ্য ৰাৱণ চৰিত্ৰক এক গভীৰ মনস্তাত্ত্বিক আৰু দাৰ্শনিক দৃষ্টিকোণেৰে উপস্থাপন কৰা হৈছে। য'ত মানৱ জীৱনৰ বীৰত্ব, জ্ঞান আৰু শৌৰ্য আদি মহৎগুণৰ সৈতে মানৱিক দুৰ্বলতাকো তুলি ধৰা হৈছে। ইয়াত ৰাৱণৰ 'দশানন' দহখন মুখৰ মাজত লুকাই থকা বিভিন্ন সত্তা, যেনে— ব্ৰাহ্মণৰ প্ৰজ্ঞা, ক্ষত্ৰিয়ৰ শৌৰ্য আৰু দেৱতাৰ বিভিন্ন শিল্পকলাৰ স্পষ্ট প্ৰকাশ হৈছে।

তেওঁৰ 'সম্ৰাট' কবিতাৰ মূল বিষয়বস্তু হৈছে পুৰুষত্বৰ সংকট আৰু আধুনিক যুগৰ মানুহৰ ক্লীৱতা। ইয়াত কবিয়ে নিজকে 'ক্লীৱ' বুলি বৰ্ণনা কৰিছে, যাৰ অন্তৰত অসীম শক্তি থকা সত্ত্বেও তেওঁ বাস্তৱৰ মুখামুখি হ'ব নোৱাৰে, প্ৰকৃত পুৰুষত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম নহয় আৰু কেৱল ভ্ৰান্তি বা কল্পনাৰ মাজত জীৱনটো পাৰ কৰে।

যতি আৰু কেইটামান স্কেচ্ছ হৈছে নৰকান্ত বৰুৱাৰ এখন উল্লেখযোগ্য কবিতা, যিয়ে তেওঁৰ আন কেইবাখনো বিখ্যাত কাব্যগ্ৰন্থ আদিৰ সৈতে আধুনিক অসমীয়া কবিতাৰ ধাৰালৈ এক বিশেষ অৱদান আগবঢ়াইছে।

ৰত্নাকৰ নামৰ কবিতা পুথিখনৰ মূল বৈশিষ্ট্যসমূহ মূলতঃ নৰকান্ত বৰুৱাৰ নীলা চৰাইৰ কাব্যিক বৈশিষ্ট্যৰ সৈতে জড়িত। ইয়াত ইংৰাজী ৰোমান্টিক কবিসকলৰ প্ৰভাৱত পৰি ৰোমান্টিকতা, আধুনিক নগৰীয়া চেতনা, দৰ্শন, প্ৰকৃতি আৰু মানৱ জীৱনৰ গভীৰ চিত্ৰণ আৰু সূক্ষ্ম নান্দনিকতা সৃষ্টিৰ মাজেৰে অসমীয়া কবিতাত এটি নতুন মাত্ৰা যোগ কৰিছিল।


সূৰ্যমুখীৰ অংগীকাৰ কবিতা পুথিত এক প্ৰতীকী ৰূপত সূৰ্যমুখীক প্ৰতিনিধিত্ব কৰি মানৱ জীৱনৰ প্ৰেম, আশা, প্ৰকৃতিৰ সৈতে আন্তঃসম্পৰ্ক, আত্মসন্মানবোধ আৰু জীৱনৰ প্ৰতি গভীৰ দায়বদ্ধতা বিভিন্ন চিত্ৰকল্পৰ উপস্থাপনৰ মাজেৰে প্ৰকাশ হৈছে।

নৰকান্ত বৰুৱাৰ 'মোৰ আৰু পৃথিৱী' কবিতা সংকলনৰ বৈশিষ্ট্যসমূহ হ'ল, আধুনিকতাবাদী দৃষ্টিভংগী, গভীৰ আত্মবিশ্লেষণ, দৰ্শন আৰু অস্তিত্বৰ প্ৰশ্ন, ব্যংগাত্মক উপস্থাপন আৰু বিদ্ৰোহী মনোভাৱ, য'ত কবিৰ ব্যক্তিগত দুখ আৰু পৃথিৱীৰ সমস্যাসমূহ আধুনিক ভাষা আৰু শৈলীৰে প্ৰকাশ পাইছে, যিয়ে পাঠকক নতুন ধাৰণাৰ সৈতে সংযোগ কৰিছে।

তেওঁৰ 'দলঙৰ তামীঘৰা' কবিতা পুথিত আধুনিক অসমীয়া কবিতাৰ এক বিশেষ ধাৰাৰ প্ৰতিনিধিত্ব কৰে। বৈশিষ্ট্যসমূহ হ'ল, গভীৰ মনস্তাত্ত্বিক বিশ্লেষণ, ঐতিহাসিক সামাজিক পটভূমিৰ প্ৰতিচ্ছবি, নগৰীয়া জীৱনৰ বিচ্ছিন্নতা আৰু নিঃসংগতা, প্ৰকৃতিৰ সৈতে মানৱ জীৱনৰ সম্পৰ্কৰ জটিলতা আৰু 'দলঙৰ তামীঘৰা' (অৰ্থাৎ অনিশ্চিত আৰু অস্থায়ী আশ্ৰয়)ৰ প্ৰতীকী প্ৰয়োগ, যি মানুহৰ অস্থিৰ অস্তিত্ব আৰু বিচাৰৰ প্ৰতিচ্ছবি ফুটি উঠিছে। কবিতা পুথিখনত আধুনিক মানুহৰ পৰিচয়ৰ সংকট আৰু গভীৰ অন্তৰ্লীন বেদনা অনুভৱ হৈছে।

নৰকান্ত বৰুৱাৰ 'এখন স্বচ্ছ মুখাৰে' কবিতা পুথিখনত আধুনিকতা, প্ৰতীকবাদ, চিত্ৰকল্পৰ উপস্থাপন, নিঃসংগতাবোধ, বিষাদগ্ৰস্ততা, সাম্যবাদী ভাবধাৰা আৰু মানৱ জীৱনৰ জটিলতাৰ প্ৰতি সমবেদনা, য'ত কবিয়ে মহানগৰীয়া জীৱনৰ শূন্যতা আৰু ব্যক্তিৰ আৱেগ-অনুভূতি স্বতঃস্ফূৰ্তভাৱে প্ৰবাহিত হৈছে।

সংক্ষেপে সাম্প্ৰতিক যুগৰ অসমীয়া কাব্য জগতৰ ধ্ৰুৱতৰা নৰকান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোকপাত কৰা হ'ল।



*“অসমীয়া জাতিৰ অস্তিত্বৰ মূল ভেটি, ইয়াৰ প্ৰাণশক্তি হৈছে ভাষা, সংস্কৃতি আৰু ইতিহাসৰ সাঁচতীয়া সম্পদসমূহ, যিবোৰক অতি যত্ন সহকাৰে সংৰক্ষণ, বৰ্ধন আৰু প্ৰসাৰ কৰাটো প্ৰতিজন অসমীয়াৰ প্ৰধান আৰু অপৰিহাৰ্য দায়বদ্ধতা। অসমীয়া ভাষা কেৱল দৈনন্দিন যোগাযোগৰ এক নিৰ্জীৱ মাধ্যম নহয়, ই জাতিৰ আত্মিক প্ৰকাশ, ইয়াৰ চিন্তা-চৰ্চা আৰু গভীৰ দৰ্শনৰ বাহক আৰু জাতীয় চেতনাৰ আধাৰশিলা। সেয়েহে, ভাষাটোৰ শুদ্ধ আৰু পৰিশুদ্ধ চৰ্চা, ইয়াৰ প্ৰসাৰ আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি গভীৰ আগ্ৰহ আৰু মৰম সৃষ্টি কৰাটো এক অতি জৰুৰী আৰু সময়োপযোগী কৰ্তব্য, যিটো কোনো কাৰণতে অৱহেলা কৰিব নোৱাৰি। অসমীয়া ভাষাৰ সাহিত্যিক, শৈক্ষিক আৰু প্ৰশাসনিক মান উন্নত কৰিবলৈ সকলো স্তৰৰ লোকে নিষ্ঠা আৰু সহযোগিতাৰে কাম কৰিব লাগিব, যাতে ভাষাটো জ্ঞান আৰু বিজ্ঞান চৰ্চাৰ এক শক্তিশালী মাধ্যম হৈ পৰে।”*

# জাতীয় চেতনা আৰু জাতিটোৰ প্ৰতি দায়বদ্ধতা

**হিমাংশু ৰঞ্জন ভূঞা**

জাতীয় চেতনা হৈছে অসমীয়া জাতিৰ প্ৰাণশক্তি আৰু মেৰুদণ্ডস্বৰূপ, যিটোৱে সকলো ধৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু বহিৰাগত প্ৰত্যাহ্বানৰ মাজতো যুগ যুগ ধৰি ‘অসমীয়া’ সত্তাক জীয়াই ৰাখিছে আৰু ইয়াৰ প্ৰগতি, সুৰক্ষা আৰু মৰ্যাদাৰ বাবে অহৰহ প্ৰেৰণা যোগাই আহিছে। ভাষা, সাহিত্য, কৃষ্টি, কলা আৰু পৰম্পৰাৰ প্ৰতি থকা নিভাঁজ শ্ৰদ্ধা আৰু আন্তৰিক মৰমে এই চেতনাক অধিক গাঢ় আৰু অবিনাশী কৰি তোলে আৰু ইয়াৰ প্ৰতিজন ব্যক্তিক এক বিশাল সমূহীয়া পৰিয়ালৰ অবিচ্ছেদ্য অংশ হিচাপে গভীৰভাৱে অনুভৱ কৰিবলৈ শিকায়। এই অনুভূতি কেৱল অতীত গৌৰৱৰ গুণানুকীৰ্তনতে শেষ নহয়, বৰং ই বৰ্তমানৰ বাস্তৱতাত জাতিৰ ভেটি অধিক সুদৃঢ় কৰাৰ এক গভীৰ প্ৰতিশ্ৰুতি আৰু দায়বদ্ধতাৰ আহ্বান। জাতীয় চেতনাৰ এই স্ফুৰণেই প্ৰতিজন অসমীয়া লোকক নিজৰ স্বকীয় পৰিচয়ৰ প্ৰতি গভীৰভাৱে সজাগ কৰি তোলে আৰু তেওঁলোকক জাতিৰ প্ৰতি থকা নৈতিক, অপৰিহাৰ্য আৰু চিৰস্থায়ী দায়বদ্ধতাৰ বিষয়ে সদায়েই সোঁৱৰাই দিয়ে। এই চেতনা অবিহনে কোনো জাতিয়েই নিজৰ ভেটি শক্তিশালী কৰি চিৰকাল বৰ্তি থাকিব নোৱাৰে; ই এক মানসিক, নৈতিক আৰু বৌদ্ধিক শক্তি যিয়ে জাতিটোক আত্মসন্মান, আত্মবিশ্বাস আৰু এক সুদূৰপ্ৰসাৰী ভৱিষ্যতৰ দিশে আগুৱাই যোৱাৰ সাহস প্ৰদান কৰে, যিবোৰ অনাগত ভৱিষ্যতৰ বাবে অতি গুৰুত্বপূৰ্ণ। ব্ৰহ্মপুত্ৰৰ পলসুৱা মাটিত যুগ যুগ ধৰি বৈ অহা সংস্কৃতি আৰু ইতিহাসৰ দ্বাৰা গঢ় লৈ উঠা এই জাতীয় ধাৰণাই প্ৰতিটো স্তৰতে অসমীয়া জীৱনশৈলী, চিন্তা-চৰ্চা আৰু দৰ্শনক গভীৰভাৱে প্ৰভাৱিত কৰি আহিছে। এই চেতনা জাতিটোৰ সকলোৰে বাবে এক উমৈহতীয়া মঞ্চ, য'ত বিভিন্ন গোষ্ঠী, সম্প্ৰদায় আৰু শ্ৰেণীৰ লোকে একেলগে থিয় দি এক বৃহত্তৰ অসমীয়া পৰিচয়ৰ অংশীদাৰ হোৱাৰ অনুভৱ কৰে আৰু এই ঐক্যবদ্ধতাই বহিৰাগত প্ৰত্যাহ্বানৰ সময়ত জাতিটোক একত্ৰিত হৈ শক্তিশালীভাৱে থিয় দিবলৈ সাহস যোগায়।

জাতিৰ প্ৰতি দায়বদ্ধতাৰ ভাবনা সেই জাতীয় চেতনাৰেই এক প্ৰাঞ্জল, কাৰ্যকৰী আৰু ক্ৰিয়াশীল ৰূপ, যি কেৱল ব্যক্তিগত স্বাৰ্থ আৰু ক্ষণস্থায়ী কামনা-বাসনাৰ ঊৰ্দ্ধত উঠি সমূহীয়া কল্যাণ, বিকাশ আৰু সুৰক্ষাৰ বাবে কাম কৰাৰ এক আন্তৰিক, ঐকান্তিক আৰু কৰ্মপ্ৰৱণ প্ৰেৰণা। এই দায়বদ্ধতা কেৱল আৱেগিক অনুভূতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা নহয়, ই এক বৌদ্ধিক, নৈতিক আৰু কৰ্মপ্ৰৱণ স্থিতি, যিয়ে দাবী কৰে যে প্ৰতিজন অসমীয়াই জাতিৰ সন্মান, ঐতিহ্য, প্ৰগতি আৰু সুৰক্ষাৰ বাবে সচেতন আৰু সক্ৰিয় ভূমিকা পালন কৰক। এই দায়বদ্ধতাই প্ৰত্যেককে নিজৰ নিজৰ কৰ্মক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ উৎসাহিত কৰে, কিয়নো এজন ব্যক্তিৰ শ্ৰম, সৃষ্টিশীলতা আৰু সাফল্যই শেষত গৈ জাতিৰ সামগ্ৰিক উত্থানত অৰিহণা যোগায় আৰু জাতিৰ নাম বিশ্ব দৰবাৰত উজলাবলৈ সক্ষম হয়। এজন লোকে নিজৰ বৃত্তিত দেখুওৱা সততা, শ্ৰম, নিষ্ঠা আৰু সৃষ্টিশীলতাই সমগ্ৰ জাতিটোলৈ এক ইতিবাচক, শক্তিশালী আৰু অনুকৰণীয় বাৰ্তা কঢ়িয়াই আনে, যিয়ে এক শক্তিশালী, আত্মনিৰ্ভৰশীল, মৰ্যাদাসম্পন্ন আৰু নীতিনিষ্ঠ সমাজ গঢ়াত মূলতঃ সহায় কৰে। জাতিৰ প্ৰতি থকা এই দায়বদ্ধতাৰ অনুশীলন কৰোঁতে ব্যক্তি এজনে সামাজিক সমতা, ন্যায় আৰু মানৱীয় মূল্যবোধক সদায়েই আগস্থান দিব লাগে, যাতে জাতিৰ সকলো স্তৰৰ লোকে বৈষম্যহীনভাৱে মৰ্যাদা আৰু সুৰক্ষাৰে জীৱন যাপন কৰিব পাৰে আৰু নিজৰ বিকাশৰ সম্পূৰ্ণ সুযোগ লাভ কৰিব পাৰে। এই দায়বদ্ধতাৰ মাধ্যমেৰে ব্যক্তি আৰু জাতিৰ মাজত এক পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু আদান-প্ৰদানৰ গভীৰ বান্ধোন সৃষ্টি হয়, য'ত জাতিয়ে ব্যক্তিৰ বিকাশৰ বাবে সুৰক্ষিত পৰিৱেশ আৰু সুযোগৰ সৃষ্টি কৰে আৰু ব্যক্তিয়ে জাতিৰ প্ৰতি নিজৰ কৰ্তব্য পালন কৰি সেই বিকাশক সমৃদ্ধ কৰে। এই কৰ্তব্যৰ চেতনা কেৱল চৰকাৰী নীতি বা ৰাজনৈতিক পদক্ষেপৰ ওপৰতে নিৰ্ভৰশীল নহয়, বৰং ই সমাজৰ প্ৰতিজন ব্যক্তিৰ আন্তৰিক অংশগ্ৰহণ, সক্ৰিয় সহযোগিতা আৰু স্ব-প্ৰেৰিত প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে। এই বিশাল দায়বদ্ধতাই জাতিৰ সুস্থ, সুদূৰপ্ৰসাৰী আৰু দীৰ্ঘকালীন ভৱিষ্যতৰ দিশে এক স্পষ্ট পথ নিৰ্ধাৰণ কৰে আৰু ইয়াৰ অবিহনে কোনো জাতিয়েই প্ৰকৃত স্বাধীনতা আৰু মৰ্যাদাৰ সুস্বাদু ফল উপভোগ কৰিব নোৱাৰে।

অসমীয়া জাতিৰ অস্তিত্বৰ মূল ভেটি, ইয়াৰ প্ৰাণশক্তি হৈছে ভাষা, সংস্কৃতি আৰু ইতিহাসৰ সাঁচতীয়া সম্পদসমূহ, যিবোৰক অতি যত্ন সহকাৰে সংৰক্ষণ, বৰ্ধন আৰু প্ৰসাৰ কৰাটো প্ৰতিজন অসমীয়াৰ প্ৰধান আৰু অপৰিহাৰ্য দায়বদ্ধতা। অসমীয়া ভাষা কেৱল দৈনন্দিন যোগাযোগৰ এক নিৰ্জীৱ মাধ্যম নহয়, ই জাতিৰ আত্মিক প্ৰকাশ, ইয়াৰ চিন্তা-চৰ্চা আৰু গভীৰ দৰ্শনৰ বাহক আৰু জাতীয় চেতনাৰ আধাৰশিলা। সেয়েহে, ভাষাটোৰ শুদ্ধ আৰু পৰিশুদ্ধ চৰ্চা, ইয়াৰ প্ৰসাৰ আৰু নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি গভীৰ আগ্ৰহ আৰু মৰম সৃষ্টি কৰাটো এক অতি জৰুৰী আৰু সময়োপযোগী কৰ্তব্য, যিটো কোনো কাৰণতে অৱহেলা কৰিব নোৱাৰি। অসমীয়া ভাষাৰ সাহিত্যিক, শৈক্ষিক আৰু প্ৰশাসনিক মান উন্নত কৰিবলৈ সকলো স্তৰৰ লোকে নিষ্ঠা আৰু সহযোগিতাৰে কাম কৰিব লাগিব, যাতে ভাষাটো জ্ঞান আৰু বিজ্ঞান চৰ্চাৰ এক শক্তিশালী মাধ্যম হৈ পৰে। সাহিত্য, সংগীত, নৃত্য, নাট্য, লোককলা আদি সংস্কৃতিৰ সকলো উপাদানক মৰ্যাদা সহকাৰে লালন-পালন কৰাটোও এই দায়বদ্ধতাৰ এক অন্যতম মূল স্তম্ভ, কিয়নো সংস্কৃতিয়েই জাতিৰ স্বকীয়তা প্ৰকাশ কৰে। সাংস্কৃতিক ঐতিহ্যক জীয়াই ৰাখিবলৈ পুৰণি পৰম্পৰাবোৰক সময়ৰ প্ৰয়োজনীয়তা আৰু আধুনিক ধ্যান-ধাৰণাৰ সৈতে খাপ খুৱাই লৈ এক সংমিশ্ৰিত আৰু গতিশীল ৰূপ দিয়াটোও প্ৰয়োজন, যাতে সংস্কৃতি সময়ৰ সোঁতত স্থবিৰ হৈ নপৰে আৰু নতুন প্ৰজন্মৰ বাবে আকৰ্ষণীয় হৈ থাকে। অতীতৰ ইতিহাসৰ পৰা জ্ঞান, শিক্ষা আৰু ভুল-শুদ্ধৰ অভিজ্ঞতা আহৰণ কৰি বৰ্তমানৰ জটিল প্ৰত্যাহ্বানবোৰৰ সৈতে মোকাবিলা কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব, কিয়নো ইতিহাস হৈছে বৰ্তমানৰ পথ প্ৰদৰ্শক আৰু ভৱিষ্যতৰ বাবে সকীয়নি। নিজৰ ইতিহাসৰ বিষয়ে গভীৰ জ্ঞান থকাটোৱে জাতিটোক ভৱিষ্যতৰ পথত আত্মবিশ্বাসেৰে আৰু মৰ্যাদাৰে আগুৱাই যাবলৈ শক্তি যোগায় আৰু ই জাতিৰ সন্মান আৰু আত্মবিশ্বাস বহু গুণে বৃদ্ধি কৰে। এই সকলোবোৰৰ প্ৰতি থকা দায়বদ্ধতাই অসমীয়া জাতিটোক সময়ৰ সোঁতত হেৰাই নোযোৱাকৈ, কোনো পৰিয়ালৰ দ্বাৰা গ্ৰাস নোহোৱাকৈ নিজৰ স্বকীয়তা আৰু মৰ্যাদা বজাই ৰখাত সহায় কৰিব, যিটো কোনো জাতিৰ বাবে আটাইতকৈ ডাঙৰ আৰু চিৰস্থায়ী সফলতা। ভাষা আৰু সংস্কৃতিৰ ৰক্ষণাবেক্ষণ কেৱল পুৰণি বস্তুবোৰ সাঁচি থোৱা নহয়, বৰং ইয়াৰ সজীৱতা বৰ্তাই ৰাখি নতুন সৃষ্টিৰে ইয়াক সমৃদ্ধিশালী কৰি তোলাটোৱেই প্ৰকৃত দায়বদ্ধতা।

বৰ্তমান সময়ত, বিশ্বায়নৰ প্ৰবল প্ৰভাৱত, প্ৰযুক্তিগত বিপ্লৱ আৰু জটিল অৰ্থনৈতিক প্ৰতিযোগিতাৰ যুগত, অসমীয়া জাতীয় চেতনা আৰু দায়বদ্ধতাৰ ধাৰণাটোৱে কিছুমান নতুন, বাস্তৱসন্মত আৰু কাৰ্যক্ষম মাত্ৰা লাভ কৰিছে, য'ত কেৱল অতীতমুখী সাংস্কৃতিক ৰক্ষণশীলতা বা আৱেগিকতা যথেষ্ট নহয়। জাতিটোৱে আজি এক বিশ্বজনীন মঞ্চত নিজৰ স্থান সুৰক্ষিত কৰিবলৈ, নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰু প্ৰতিযোগিতাত সফল হ'বলৈ সক্ষম হ'ব লাগিব আৰু ইয়াৰ বাবে কেৱল ভাষিক বা সাংস্কৃতিক প্ৰেমতে আবদ্ধ নাথাকি, অৰ্থনৈতিক স্বাৱলম্বিতা, বিজ্ঞান-প্ৰযুক্তিগত বিকাশ আৰু শৈক্ষিক উৎকৰ্ষতাৰ ক্ষেত্ৰতো সৰ্বোচ্চ গুৰুত্ব দিবলৈ বাধ্য কৰে। অসমৰ প্ৰাকৃতিক আৰু মানৱ সম্পদসমূহৰ সঠিক, দূৰদৰ্শী আৰু বহনক্ষম ব্যৱহাৰ, স্থানীয় উদ্যোগসমূহৰ বিকাশ আৰু যুৱক-যুৱতীসকলৰ বাবে মানসম্পন্ন, বিশ্বমানৰ শিক্ষা আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাটো জাতিৰ প্ৰতি এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু সামাজিক দায়বদ্ধতা। এক সবল, সমৃদ্ধ আৰু প্ৰগতিশীল জাতি গঢ়িবলৈ হ'লে, ব্যক্তিগত আৰু সমূহীয়া সকলো পৰ্যায়তে জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৈতে নিজকে চামিল কৰাটো অপৰিহাৰ্য, যাতে অসমীয়া সমাজে আধুনিক বিশ্বৰ সৈতে খোজ মিলাই, সমানে প্ৰতিযোগিতা কৰি চলিব পাৰিব। এই আধুনিক দায়বদ্ধতাই অসমীয়া জাতিটোক কেৱল জীয়াই থকাৰ বাবে নহয়, বৰঞ্চ বিশ্বৰ অন্যান্য প্ৰতিদ্বন্দ্বী জাতিসমূহৰ সৈতে সমানে আগবাঢ়ি যাব পৰাকৈ শক্তিশালী, প্ৰতিযোগিতামূলক আৰু আত্মবিশ্বাসী কৰি তুলিব। সমাজৰ সকলো শ্ৰেণীৰ মাজত বৈজ্ঞানিক মানসিকতা, সমালোচনাধৰ্মী চিন্তা আৰু যুক্তিনিষ্ঠ দৰ্শনৰ প্ৰসাৰ ঘটোৱাটোও এই নৱপ্ৰজন্মৰ দায়বদ্ধতাৰ এক অংশ, যিয়ে জাতিটোক অন্ধবিশ্বাস, অসাৰ ৰীতি-নীতি আৰু যুক্তিহীন আৱেগৰ পৰা মুক্ত কৰি এক যৌক্তিক আৰু প্ৰগতিশীল সমাজ গঢ়াত সহায় কৰিব। অৰ্থনৈতিকভাৱে সবল নহ'লে জাতিৰ অন্যান্য দিশবোৰো ক্ৰমান্বয়ে দুৰ্বল হৈ পৰে আৰু ই বহিৰাগত প্ৰভাৱৰ ওচৰত নত হ'বলৈ বাধ্য হয়, সেয়েহে এই দিশটোৰ প্ৰতি সৰ্বাধিক গুৰুত্ব দিয়াটো বৰ্তমান সময়ৰ এক অনিবাৰ্য আৰু জৰুৰী আহ্বান। এইক্ষেত্ৰত স্থানীয় সম্পদসমূহৰ ওপৰত ভিত্তি কৰি এক স্বকীয় অৰ্থনৈতিক মডেল গঢ়ি তোলাটোৱেই হ'ব প্ৰকৃত জাতীয় দায়বদ্ধতা।

জাতীয় চেতনাৰ প্ৰকৃত আৰু কঠিন পৰীক্ষা হয় সেই সময়ত, যেতিয়া জাতিটোৱে আভ্যন্তৰীণ সংঘাত, সামাজিক বিভেদ আৰু বাহ্যিক হেঁচা বা প্ৰত্যাহ্বানৰ সন্মুখীন হয়। জাতিৰ ভিতৰত থকা সকলো শ্ৰেণী, জনগোষ্ঠী, ভাষাৰ গোট আৰু ধৰ্মৰ লোকৰ মাজত সমন্বয়, পাৰস্পৰিক শ্ৰদ্ধা আৰু ঐক্যৰ গভীৰ ভাব গঢ়ি তোলাটোৱেই হৈছে জাতীয় চেতনাৰ সৰ্বোত্তম, সুন্দৰতম আৰু প্ৰকৃত প্ৰকাশ। কোনো এখন জাতি সম্পূৰ্ণ, সুস্থ আৰু শক্তিশালী হ'ব নোৱাৰে যদিহে ইয়াৰ এক বৃহৎ অংশই নিজকে অৱহেলিত, বঞ্চিত বা সুৰক্ষিত নহয় বুলি অনুভৱ কৰে আৰু যদিহে তেওঁলোকৰ মৌলিক মানৱীয় অধিকাৰসমূহ সুৰক্ষিত নহয়। সেয়েহে জাতিৰ প্ৰতি দায়বদ্ধতাই ইয়াৰ প্ৰতিজন নাগৰিকক আনৰ অধিকাৰ, সংস্কৃতি আৰু মৰ্যাদাৰ প্ৰতি গভীৰ শ্ৰদ্ধাশীল হ'বলৈ শিকায়

■ ১৩ পৃষ্ঠাত



## যুক্তি-বিবেচনা হেৰুওৱা সমাজ

# ভেলেণ্টাইনৰ নামত অশ্লীলতা

**আয়শা ছিদ্দিকা**

সৃষ্টিৰ আদি প্ৰেম সেয়ে কোৱা হয় প্ৰেম পৃথিৱীৰ আটাইতকৈ পবিত্ৰ আৰু সুন্দৰ অনুভৱ। কিন্তু আধুনিকতাৰ প্ৰতিযোগিতাত আজি এই সুন্দৰ পবিত্ৰ শব্দটোৰ সংজ্ঞাই সলনি হ'বলৈ ধৰিছে। ১৪ ফেব্ৰুৱাৰী অৰ্থাৎ 'ভেলেণ্টাইন ডে' বা 'প্ৰেমৰ দিৱস'ক কেন্দ্ৰ কৰি সমাজত বৰ্তমান যি ধৰণৰ পৰিৱেশৰ সৃষ্টি হৈছে সেয়া চিন্তনীয় আৰু সামাজিক নৈতিকতাৰ প্ৰতি এক প্ৰত্যাহ্বানস্বৰূপ হৈ পৰিছে।

প্ৰেমৰ দৰে এক চিৰন্তন আৰু পবিত্ৰ অনুভূতিলৈ বৰ্তমানৰ তথাকথিত আধুনিক সমাজে যি বিকৃত দৃষ্টিভংগী কঢ়িয়াই আনিছে, সেয়া সমাজতাত্ত্বিক আৰু সাংস্কৃতিক উভয় দিশৰ পৰাই এক তীব্ৰ সমালোচনাৰ বিষয়। ভেলেণ্টাইন ডে'ৰ প্ৰেমৰ দিৱসৰ নামত আজি যি এক আড়ম্বৰপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰা হৈছে, তাৰ গভীৰতাত সোমাই আছে নৈতিক স্খলন আৰু এক অসুস্থ সমাজৰ সূচনা। এটা সময়ত প্ৰেম য'ত নিভৃত আৰু হৃদয়ৰ এক গোপন সমল আছিল, তাক আজি নিকৃষ্ট বিষয়লৈ ৰূপান্তৰিত কৰি আছে যেন লগে। দিৱসৰ নামত সমাজত অশ্লীলতাৰ প্ৰসাৰ ঘটিছে আৰু সামাজিক গাঁথনিৰ এক চৰম অৱক্ষয়ৰ দিশ যেন উন্মোচিত কৰিছে।

সমালোচনাত্মক দৃষ্টিভংগীৰে চালে দেখা যায় যে পাশ্চাত্যৰ এই সংস্কৃতিৰ যান্ত্ৰিক অনুকৰণে আমাৰ যুৱ সমাজৰ চিন্তাৰ মৌলিকতা ধ্বংস কৰিছে। প্ৰেমৰ অভিব্যক্তি আজি কবিতা বা হৃদয়ৰ স্পন্দনতকৈ বেছি ৰাজহুৱা স্থানৰ অশোভন প্ৰদৰ্শন আৰু অসংযত আচৰণতহে প্ৰতিফলিত হোৱা দেখা যায়। আধুনিকতাৰ দোহাই দি যি স্বাধীনতাৰ কথা কোৱা হয়, সেই স্বাধীনতা প্ৰকৃততে স্বেচ্ছাচাৰিতালৈ পৰিৱৰ্তন হৈছে। ৰাজহুৱা উদ্যান, শিক্ষানুষ্ঠানৰ চৌহদ বা জনবসতিপূৰ্ণ স্থানত প্ৰেমৰ নামত চলা অভব্য কাৰ্যকলাপবোৰে আমাৰ সভ্যতাৰ মুখাখন খুলি দিছে। যিটো সময়ত এজন যুৱক বা যুৱতীৰ চিন্তা আৰু কৰ্মই সমাজক নতুন দিশ দিব লাগিছিল, সেই সময়ত তেওঁলোকৰ এক বৃহৎ অংশই কেৱল এটা কৃত্ৰিম দিৱসৰ উত্তেজনাৰ নামত নিজৰ নৈতিকতা আৰু আত্মসন্মান বিসৰ্জন দিছে।

এই সমস্যাটোৰ আন এক ভয়ংকৰ দিশ হ'ল পুঁজিবাদী ব্যৱসায়িক গোষ্ঠীবোৰৰ সুপৰিকল্পিত ষড়যন্ত্ৰ। তেওঁলোকে মানুহৰ আৱেগক ব্যৱসায়ৰ আহিলা কৰি লৈছে। বিজ্ঞাপনৰ মায়াজালৰ জৰিয়তে এটা নিৰ্দিষ্ট দিনত বিশেষ ধৰণৰ পোছাক পিন্ধা বা দামী উপহাৰৰ আদান-প্ৰদানক 'প্ৰেমৰ মান' হিচাপে থিয় কৰোৱা হৈছে। ইয়াৰ ফলত যি এক মানসিক চাপৰ সৃষ্টি হৈছে, তাৰ বাবে বহু কিশোৰ-কিশোৰীয়ে অসৎ পথ অৱলম্বন কৰিবলৈকো কুণ্ঠাবোধ নকৰা হৈছে। এনে বিষয়ে অৰ্থনৈতিক শোষণৰ লগতে প্ৰেমৰ দৰে এটা উচ্চ পৰ্যায়ৰ মানৱীয় প্ৰমূল্যক সস্তীয়া মনোৰঞ্জনৰ স্তৰলৈ নমাই আনিছে। সামাজিক মাধ্যমৰ প্ৰসাৰে এই পৰিস্থিতিক অধিক বিষময় কৰি তুলিছে। ব্যক্তিগত মুহূৰ্তবোৰক ৰাজহুৱা কৰি 'লাইক' আৰু 'শ্বেয়াৰ'ৰ দৌৰত নামি পৰা যুৱপ্ৰজন্মই প্ৰেমৰ মাজত থকা ত্যাগ, নিষ্ঠা আৰু শ্ৰদ্ধাৰ ধাৰণাটো সম্পূৰ্ণৰূপে পাহৰি পেলাইছে।

যি সংস্কৃতিয়ে মানুহক সংযম আৰু মৰ্যাদা নিশিকাই কেৱল ইন্দ্ৰিয় সুখ আৰু প্ৰদৰ্শনকামিতাৰ শিক্ষা দিয়ে, সেই সংস্কৃতিয়ে সমাজৰ কোনো কল্যাণ কৰিব নোৱাৰে। ভেলেণ্টাইন ডে'ৰ নামত প্ৰচলিত এই অশ্লীলতা আৰু অপসংস্কৃতিৰ বিৰোধিতা কৰাৰ অৰ্থ প্ৰেমৰ বিৰোধিতা কৰা নহ'ব প্ৰেমৰ পবিত্ৰতা ৰক্ষা কৰাহে হ'ব। এখন সুস্থ সমাজত ব্যক্তিগত আৱেগ আৰু সামাজিক মৰ্যাদাৰ মাজত এক সুন্দৰ ভাৰসাম্য থকাটো জৰুৰী। যিদিনা আমাৰ সমাজত প্ৰেমৰ নামত চলা এই নিৰ্লজ্জ প্ৰদৰ্শন বন্ধ হৈ প্ৰেমৰ স্থান হৃদয়ৰ নিভৃত কোণত হ'ব, সেইদিনাহে সমাজত নৈতিকতাৰ পুনৰ প্ৰতিষ্ঠা সম্ভৱ হ'ব। অন্ধ অনুকৰণ ত্যাগ কৰি নিজৰ বিবেক আৰু সংস্কৃতিক সন্মান কৰিবলৈ শিকাটোৱে হ'ব বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

# প্ৰাণী-প্ৰেম আৰু মানৱীয়তাৰ দোদুল্যমানতা

**কুণ্ডিল হাজৰিকা**

মানুহৰ মানসিক জগতখনত বৈপৰীত্য বা দোদুল্যমানতা (duality) এক অতি সাধাৰণ বিষয়, যিয়ে প্ৰায়ে আমাৰ মূল্যবোধ আৰু নৈতিকতাৰ প্ৰকৃতস্বৰূপ উন্মোচন কৰে। ধনী ব্যক্তিজনে নিজৰ কুকুৰকেইটাক যি 'মেৰী গ'ল্ড' বিস্কুট খুৱাবলৈ বিচাৰিছে, সেই বিস্কুট সচৰাচৰ মানুহৰ, বিশেষকৈ শিশুৰ খাদ্য হিচাপে পৰিচিত। এই কাৰ্যই স্পষ্টকৈ প্ৰতিপন্ন কৰে যে তেওঁৰ বাবে নিজৰ পোহনীয়া জন্তুটো কেৱল এটি প্ৰাণী নহয়, বৰং পৰিয়ালৰ সদস্যৰ দৰে; এই ব্যক্তিগত প্ৰেম গভীৰ আৰু প্ৰশংসনীয় হ'ব পাৰে। কিন্তু এই প্ৰশংসাৰ মাজতে এক গুৰুত্বপূৰ্ণ নৈতিক প্ৰশ্ন লুকাই আছে।

আমাৰ সমাজত এনে বহু মানুহ বা শিশু আছে যিসকলে আৱশ্যকীয় পুষ্টিকৰ আহাৰ বা আনকি সাধাৰণ বিস্কুট এপদো সহজে লাভ কৰিব নোৱাৰে। এনে ক্ষেত্ৰত যেতিয়া এজন লোকে উচ্চ শ্ৰেণীৰ জীৱন-যাপন কৰিও সমাজৰ দুৰ্বল অংশটোৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি, মানুহৰ বাবে নিৰ্ধাৰিত খাদ্য নিজৰ কুকুৰক খুৱাবলৈ আগ্ৰহী হয়, তেতিয়া তেওঁৰ সামাজিক দায়িত্ববোধৰ অভাৱ স্পষ্টভাৱে সূচায়। ই তেওঁৰ মানসিকতাত থকা 'মানুহ বনাম পোহনীয়া জন্তু'ৰ মূল্যবোধৰ এক আসোঁৱাহপূৰ্ণ প্ৰতিচ্ছবি দাঙি ধৰে।

এই ধৰণৰ মানসিকতাক কেতিয়াবা 'আৱেগিক প্ৰক্ষেপণ' (Emotional Projection) বুলিও ক'ব পাৰি, য'ত এজন লোকে নিজৰ কুকুৰৰ ওপৰত এনে মৰম আৰু বিলাসিতা ঢালি দিয়ে, যি হয়তো তেওঁ আন মানুহ বা নিজৰ পৰিয়ালকো দিব নোৱাৰে বা নিদিয়ে। ইয়াৰ ফলত তেওঁ একধৰণৰ মানসিক সন্তুষ্টি লাভ কৰে, যি সাধাৰণতে আৰ্থিক সচ্ছলতাৰ এক বিলাসিতাপূৰ্ণ প্ৰদৰ্শনো। কিয়নো, সাধাৰণ বিস্কুট এপদ কুকুৰক খোৱালে একপ্ৰকাৰৰ 'ষ্টেটাছ চিম্বল' (Status Symbol) সৃষ্টি কৰা হয়। ই সূচায় যে তেওঁৰ বাবে খাদ্যৰ মূল্য বা প্ৰয়োজনীয়তা কোনো সমস্যা নহয় ই এক মানৱীয় অভাৱৰ প্ৰতি চকু মুদা কঢ়া এক আচৰণ।

এই ঘটনাই এক গুৰুত্বপূৰ্ণ নৈতিক প্ৰশ্ন উত্থাপন কৰে— মানুহৰ প্ৰয়োজন আৰু জীৱ-জন্তুৰ প্ৰয়োজনৰ মাজত আমি কেনেকৈ ভাৰসাম্য ৰক্ষা কৰিম? নিঃসন্দেহে, প্ৰতিটো প্ৰাণীৰে মৰম আৰু যত্নৰ অধিকাৰ আছে। কিন্তু মানৱ সমাজত যদি এজন লোকে আন মানুহৰ দুখ-দুৰ্দশাৰ প্ৰতি উদাসীন হৈ কেৱল নিজৰ পোহনীয়া জন্তুটোৰ বিলাসিতাত গুৰুত্ব দিয়ে, তেন্তে ইয়াৰ দ্বাৰা তেওঁৰ মানৱীয়তাৰ মৌলিক সংজ্ঞা প্ৰশ্নৰ মুখত পৰে। দুখৰ বিষয় যে বৰ্তমানৰ ভোগবাদী সমাজত মানুহে প্ৰায়ে জীৱ-জন্তুৰ ওপৰত মৰম দেখুৱাই এক ধৰণৰ আত্ম-প্ৰতাৰণাত লিপ্ত হয়। তেওঁলোকৰ এই মৰম প্ৰকৃততে মানৱীয় দায়বদ্ধতাক আওকাণ কৰাৰ এক উপায় হৈ পৰে। ইয়াৰ ফলত তেওঁলোকে নিজকে 'প্ৰাণীপ্ৰেমী' হিচাপে পৰিচয় দিলেও বাস্তৱত তেওঁলোকে সমাজৰ প্ৰতি নিজৰ সামূহিক দায়বদ্ধতাৰ পৰা আঁতৰি থাকে।

এজন ধনী ব্যক্তিৰ কুকুৰক মানুহৰ বিস্কুট খোৱোৱাৰ মানসিকতা কেৱল এক সৰল ঘটনা নহয়, ই আমাৰ সমাজত গভীৰভাৱে শিপাই থকা শ্ৰেণীগত বৈষম্য আৰু নৈতিক অৱক্ষয়ৰ এক সূক্ষ্ম উদাহৰণ। এফালে বিলাসিতাৰ আতিশয্য আৰু আনফালে দুৰ্ভগীয়াৰ প্ৰতি উদাসীনতা— এয়াই হৈছে এই দোদুল্যমান মানসিকতাৰ প্ৰকৃতস্বৰূপ। প্ৰকৃত মানৱীয়তা কেৱল পোহনীয়া জন্তুক মৰম কৰাতেই সীমাবদ্ধ নহৈ, সকলো জীৱৰ প্ৰতি সমবেদনা আৰু আন মানুহৰ দুখ-কষ্ট দূৰ কৰাৰ প্ৰয়াসতো নিহিত।

# এবিধ অন্যতম জলপান চুঙা চাউল

**ৰশ্মিৰেখা দুৱৰা**

চুঙা চাউল হৈছে এবিধ জলপান। বৰা চাউলেৰে প্ৰস্তুত কৰা হয়। আঘোণ মাহত ন-খোৱা পৰ্ব অনুষ্ঠিত কৰোতে চেৰাত দিয়া ভাতৰ লগতে চুঙা চাউলো ব্যৱহাৰ হয়। তদুপৰি বিহুৰ সময়ত, পুৱাৰ আহাৰৰ বাবেও চুঙা চাউল প্ৰস্তুত কৰা হয়। চুঙা চাউলৰ জলপানৰ সোৱাদ অপূৰ্ব। বিশেষকৈ উজনি অসমত চুঙা চাউলৰ জলপান বেছিকৈ গ্ৰহণ কৰা দেখা যায়।

আঠাজাতীয় অৰ্থাৎ বৰা চাউলেৰে চুঙা চাউল প্ৰস্তুত কৰা হয়। পোনপ্ৰথমে বৰা চাউলখিনি পানীত তিয়াই থোৱা হয়। ৩/৪ ঘণ্টা তিয়াই থ'লে কোমল হয়, ইচ্ছা কৰিলে এৰাতি তিয়াই থ'ব পাৰি। তিয়াই থোৱা চাউলখিনি পানীৰ পৰা টুকি পানীখিনি নিগৰি যোৱাৰ পাছত বাঁহৰ চুঙাত ভৰাই জুইত পুৰিব লাগে। যিহেতু পানীত তিয়াই থওঁতে চাউলখিনি কোমল হৈ যায়, সেয়ে প্ৰয়োজন অনুসৰি অলপ পানী দিলে হ'ল। পানী নিদিলেও ভাপতে সিজি যায়। বাঁহৰ চুঙাটো কুমলীয়া বাঁহৰ ব্যৱহাৰ কৰা হয়। চুঙাটো পানীৰে ধুই শুকুৱাই ব্যৱহাৰ কৰা হয়। চাউলখিনি চুঙাত ভৰোৱাৰ পাছত কলপাতেৰে টানকৈ সোপা দিব লাগে, যাতে ওলাই নপৰে। গছৰ পৰা কাটি অনা কলপাতেৰে সোপা দিলে কলপাতখন ফাটি চাউল ওলাই পৰাৰ সম্ভাৱনা থাকে। সেইবাবে ৰ'দত লেৰেলাই বা জুইত সেকি সোপা দিলে পাতখন নাফাটে। ৰঙা অঙঠা পৰা জুই হ'লে চুঙা চাউল পুৰিবলৈ ভাল। সোনকালে সিজে। এফালে পোৰাৰ পাছত আনফালে লুটিয়াই ভালকৈ পুৰিব লাগে। নহ'লে ভালকৈ নিসিজে। দুয়োফালে ভালকৈ পোৰাৰ পাছত অলপ সময়ৰ বাবে ঠাণ্ডা হ'বলৈ দি চুঙাটো কাটি উলিয়াই গ্ৰহণ কৰিব পাৰি। কাটি উলিওৱাৰ পাছত দেখিবলৈ যে কিমান ভাল লাগে। চুঙাটোৰ দৰেই হয় চুঙা চাউল। কেঁচা বাঁহৰ গোন্ধ, নতুন বৰা চাউলৰ গোন্ধ নাকত আহি লাগিলে জিভাৰ পানী পৰি যায়। গাখীৰ বা দৈ লগত গুড়, ক্ৰীমৰ সৈতে পৰিৱেশন কৰিব পাৰি। মাঘৰ বিহুৰ পুৱা লাডু-পিঠাৰ লগতে এনেদৰে জলপানো গ্ৰহণ কৰা হয়। মিঠা খাই বেয়া পোৱা সকলে চবজিৰ লগতো পৰিৱেশন কৰিব পাৰে।

জলপানৰ ভিতৰত চুঙা চাউলৰ জলপানবিধ অন্যতম। শীতৰ কুঁৱলীসনা জাৰত জুইৰ কাষত বহি চুঙা চাউল পোৰা আমেজেই সুকীয়া। নতুন বৰা চাউলৰ চুঙা চাউলহে খাবলৈ সোৱাদযুক্ত হয়,পুৰণা হৈ গ'লে সোৱাদটো কমি যোৱা যেন লাগে। জাতি বাঁহ যিহেতু সহজে পোৱা যায়, সেয়ে কুমলীয়া জাতি বাঁহৰ চুঙাই ব্যৱহাৰ কৰা হয়। কাক বাঁহৰ চুঙাত পুৰিলেও খাবলৈ সোৱাদযুক্ত হয়।



# জুবিন গাৰ্গ

সবিতা বেগম

অতন্দ্ৰ প্ৰহৰীৰ দৰে দিনে-নিশাই কাম কৰি কৰি ভাগৰুৱা দেহাটো লৈ সোণাপুৰত অকালতে পুষ্পশয্যাত শায়িত হৈ জিৰণি লৈছে ৫২ বছৰতে হাৰ্টথ্ৰ'ব হৃদয়ৰ আৱেগ জুবিনদা। এটি যুগৰ অৱসান, এটি ইতিহাসৰ জন্ম পৃথিৱীত ক'তো শুনা নাই শ্মশান পৰিণত তীৰ্থস্থান। বিশ্ব ৰত্ন অমূল্য সম্পদ সুৰৰ আজন্ম প্ৰেমিক জনতাৰ প্ৰাণ সুৰ সম্ৰাট ইহলীলা সম্বৰণ শুকুৰবাৰ দিনা (জন্ম ১৮ নৱেম্বৰ, ১৯৭২, মৃত্যু ১৯ ছেপ্টেম্বৰ, ২০২৫, শেষকৃত্য ২৩ ছেপ্টেম্বৰ ২০২৫) ছিংগাপুৰত সাগৰৰ বুকুত মৃত্যু। বাস্তৱ হ'লেও মৃত্যু চিৰসত্য তথাপি মানিবলৈ খুবেই কষ্ট, খুবেই যন্ত্ৰণাদায়ক... দেহ-মন স্তব্ধ, পৰিৱেশ নিথৰ, জগত-সংসাৰ শূন্য, প্ৰাণহীন। অসমখন যেন আতুৰ হৈ পৰিছে ভাষাহীনভাৱে। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে প্ৰতিটো জাতি-জনগোষ্ঠী চিঞৰি চিঞৰি কান্দিছে, ব্ৰাহ্মণ, ডেকা, কলিতা, বড়ো, কছাৰী, শিখ, বৌদ্ধ, জৈন, খ্ৰীষ্টান, হাজী, মৌলৱী, মিঞা, আলী, ৰহমান... সকলো মানুহ ৰাজপথ অলি-গলিত একেলগে হৈ জুবিনদাৰ দুখত কান্দি কান্দি আকুল নয়নেৰে বিদায় জনাই আত্মাৰ সদগতি কামনা কৰিছে কিন্তু কোনেও মৃত্যুক মানিব পৰা নাই। নাজানো, জুবিনদা আচলতে কি আছিল হৃদয়খনে ভাষাৰে বুজাই ক'ব নোৱাৰে, কি হেৰুৱালো? ইমান কষ্ট কিয় লাগে... কাক কেনেকৈ বুজাম নাজানো মাথোঁ নাই বুলি ভাবিলেই চিঞৰি চিঞৰি কান্দিবলৈ মন যায়, আৱেগে বুজনি নামানে। কাম-বন, খোৱা-লোৱা, টোপনি সকলো দুষ্প্ৰাপ্য, মাথোঁ আমিয়েই নহয় বুঢ়া-বুঢ়ী, শিশু য'ত যিটো প্ৰাণ আছে স্পন্দন হৈ সেই প্ৰাণটো ইনাই-বিনাই কান্দিছে। জুবিনদা য'ত যেনেকৈ যিটো কথা কৈ গৈছিল অক্ষৰে অক্ষৰে মিলি গ'ল সেয়া গানৰ ভাষা হওক নাইবা মুখৰ ভাষাই হওক। ইতিহাস এয়া নতুন যুগৰ ইতিহাস এয়া নৱপ্ৰজন্মৰ, যুগ যুগান্তৰ সাক্ষী হৈ ৰ'ব। মানুহে পাগল বুলি কৈছে পিন্ধনৰ সাজ-সজ্জা দেখি, পিন্ধনৰ চোলা, এ চি পাইজামা, চছমা, ভৰিৰ জোতা, কাণফুলি, গলৰ হাৰ, হাতৰ বাজু সকলো দেখি পাগল কোৱাটো হয়তো অস্বাভাৱিক নাছিল কিন্তু সেয়া আছিল সহজ-সৰল মনৰ ভাষা, বিনোদন মাথোঁ। ৰীতা চৌধুৰীৰ সৈতে সাক্ষাৎকাৰটোৰ মোৰ মনত পৰে... যন্ত্ৰ, হয় আচলতে মানুহজনক মানুহে টকাৰ বিনিময়ত যন্ত্ৰ কৰি পেলাইছিল। মানুহজন গৰিমা বৌক কৈছিল তেওঁ হেনো বায়'ডমেষ্টিক অৰ্থাৎ ঘৰচীয়া নহয়। জুবিনদাক পাগল বুলি কোৱাসকল আজি পাগল মাথোঁ সিহঁতে নহয় গোটেই অসমবাসী পাগল জয় জুবিনদা।

জুবিনদা এটা কথা স্পষ্টকৈ বুজাই থৈ গ'ল প্ৰেম কি, প্ৰেম কিদৰে কৰিব লাগে, প্ৰেমৰ সংজ্ঞা কি... মানৰ ধৰ্মই যে আচল প্ৰেম সেয়া বুজাই থৈ গ'ল... ধৰ্ম এটা মাথোঁ নিজস্ব অনুভূতি মাত্ৰ। প্ৰেমত ধৰ্মৰ কোনো বাধা নাই।

হায় সময়ৰ সিদ্ধান্ত ধেমেলীয়া শিশুসুলভ মনৰ ৰাজনীতি ভাল নোপোৱা মানুহজনক, দিনক দিনে ৰাজনীতিত পৰিণত কৰি পেলালে। মানৱদৰদী মানুহজন আছিল একান্ত সৎ আৰু পঞ্চভূতত জৰ্জৰিত অহংকাৰহীন মানৱ ৰূপৰ অৱতাৰ। হয়তো জীয়াই থাকোতে স্বয়ং ৰূপত চিনি পোৱা টান আছিল, সেয়ে যিদৰে কৈছিল ঠিক সেইদৰেই সকলো কাম অক্ষৰে অক্ষৰে মিলি গ'ল যেন বিধাতাৰ লিখনি চাই চাই কৈ গৈছে— 'সাগৰ তলিত শুৱৰে মন', সঁচাকৈ সেয়াই হ'ল, জুবিনদাৰ আচলতে বিদেশী সাগৰে তোমাৰ মূল্য নাজানে, এয়া আমাৰ ব্ৰহ্মপুত্ৰ হ'লে হয়তো কেতিয়াও নহ'ল। জুবিনদা তুমি কৈ গৈছিলা— 'এশ বছৰে যি হোৱা নাই সেয়া কৰি থৈ যাম' তাকো সঁচাকৈ কৰিলা, 'মই মৰিলে অসম সাত দিন বন্ধ থাকিব তাকো হ'ল। ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন... নাচিলে ধুমুহা, ৰ'দ-বৰষুণৰ সকলোৰে আহিছিল তোমাক চাবলৈ মেঘ-ডাৱৰ সকলো তোমাৰ বাবে কান্দি কান্দি আকুল আহ্বান জনাইছে বিদায় যজ্ঞ-মেলাত, গছ-গছনি, জীৱ-জন্তু, পশু-পখী... সকলো তোমাৰ বাবে পাগল সঁচাকৈয়ে পাগল, মাথোঁ পাগল নহয়, জীৱন উছৰ্গা কৰি দিলে বগলীজনী, ভাটৌজনী, শোকাতুৰ স্তব্ধ অশ্ৰুসিক্ত কুকুৰবোৰ যেন সকলো নিথৰ আহত দেহ। পৃথিৱী যেন নিজৰ গতি পাহৰি গৈছে। ক'তো ভাল নালাগে কি হেৰুৱালো গোটেই জীৱনটোৰ বাবে। তুমি কোৱাৰ দৰেই হ'ল মাথোঁ তুমি চকু মেলি নেদেখিলা হয়তো স্বৰ্গৰ পৰা ঠিকেই দেখিছা। য'তে আছা হয়তো ভালেই থাকিবা। কিন্তু আমি ভালে নাই ক'ত পাম নতুন নতুন সময় উপযোগী শব্দৰ মেল বন্ধন এটি গান নামৰ আক্ষৰিক অৰ্থৰ অৰ্থবহ মেলা। হৃদয় জুৰাবলৈ এটি সুৰৰ বাহ্যিক ৰূপ। নাজানো দুখ-কষ্ট, সুখ-শান্তি মিলাকৈ কাৰ গান ষ্টেটাছ দিম হোৱাটছএপ, ফে'চবুক, ইনষ্টাগ্ৰামত... কাৰ নিত্য নতুন গান গুণগুণাম মনৰ অজান্তে। পুৱা-গধূলি মায়াবিনী ৰাতি যদি অজান্তে কেতিয়াবা অকলেই কিছুমান শব্দ ওলাই পৰে সেয়াই যেন তোমাৰ গান। যিজন মা একেবাৰেই বৃদ্ধা এক দাঁত দুই দাঁত থকা মা তোমাৰ গান শুনি ভাল পায় আৰু এতিয়াও শুনে নীৰৱে বহি হিয়াৰ কোণত। জীৱনত কেতিয়াও গান এটা নুশুনাজনেও আজি তোমাৰ প্ৰেমৰ সুৰে মুগ্ধ, পাগল জগত সংসাৰ। এয়া মাথোঁ অসমত নহয় বিশ্ব ৰেকৰ্ড হ'ল জুবিনদাৰ গান মছজিদ-মাদ্ৰাছাত বাজি উঠিল 'মায়াবিনী ৰাতিৰ বুকুত'...। মায়াবিনী গানটো আৰু গান হৈ থকা নাই ক্ৰমান্বয়ে হৈ পৰিছে আজিৰ প্ৰজন্মৰ হৃদয় নিগৰিত পৰ্বত সমান আৱেগ, হৃদয়ত সদায় জিলিকি থাকিব সোণালী আখৰে।




■ ১২ পৃষ্ঠাত

১১ পৃষ্ঠাৰ পৰা ঃ —

# জুবিন গাৰ্গ

এটাৰ পাছত আনটো যুগ। পাৰ হ'ল উৎসৱ, পূজা-পাৰ্বণ তুমিবিহীন। নাজানো কেতিয়া ছিঙিব মৃত্যুৰ ৰহস্যৰ জাল। শেখৰ, সিদ্ধাৰ্থ আৰু শ্যামকানু মহন্ত ছিংগাপুৰ নৰ্থ-ইষ্ট ফেষ্টিভেলত লৈ গ'ল সকলোৰে জানিছিলি ডাক্তৰে কোৱা মতে জুই আৰু পানীৰ পৰা সাৱধানে থাকিবলৈ তেন্তে কিয় তোমাক পানীত লৈ যোৱা হ'ল। কিন্তু কিয়... কিমান দিন অপেক্ষা এই উত্তৰ বিচাৰি...। সকলোৰে আহিল সোঁশৰীৰে, মাথোঁ তুমি মৰি থাকিলা, অকলে অকলে আকাশী ৰথেৰে কফিন এটাত দিল্লী হৈ সৰুসজাইত আহিলা। ঘেণ্টা বুজিয়েই নাপালো।

সুৰ সম্ৰাট দানবীৰ গণশিল্পী ৩৩ বছৰ কৰ্ম জীৱনত ৪০ টা ভাষা, উপ-ভাষাত গান গাইছিল ৩৮ হাজাৰৰো অধিক। ২০০৬ চনত হিন্দী চলচ্চিত্ৰ 'গেংষ্টাৰ'ত হিন্দী গান 'ইয়া আলি'ত তেওঁ জাতীয় খ্যাতি অৰ্জন কৰিছিল। তাৰ প্ৰথম এলবাম 'অনামিকা' ১৯৯২ চনত।

এইখিনিতেই থমকি থকা নাই ক্ৰমান্বয়ে অনুৰাধা (১৯৯২), জোনাকী মন (১৯৯৩), মায়া (১৯৯৪), আশা (১৯৯৫), জুবিনৰ গান (১৯৯৬), ৰং (১৯৯৬), মুক্তি (১৯৯৭), জানমণি (১৯৯৮), মেঘৰ বৰণ (১৯৯৯), ৰাংঢালী (১৯৯৯), পাখি (১৯৯৯), হিয়ামন (২০০১), সপোন (১৯৯৯), শিশু (২০০২), যন্ত্ৰ (২০০৪), উৰণীয়া মন (২০০৭), ৰুমাল (২০০৮), অভিমানী মন (২০০৯), ৰুণজুন (২০১২), কিং (১০১৫) ইত্যাদি। মাথোঁ নতুনকৈ আৰু নহ'ব বন্ধ হৈ থাকিল। ২০১৪ চনত জুবিনদালৈ 'ৰেনেছাঁ অসম বঁটা' আগবঢ়োৱা হয়। ২০২৪ চনৰ ২৭ মে'ত জুবিন গাৰ্গক মেঘালয়ৰ 'বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ে' সন্মানীয় ডক্টৰ অব্ লিটাৰেচাৰ (ডি. লিট) ডিগ্ৰী প্ৰদান কৰে। ২০২৫ চনত বেলতলা ব'হাগী উৎসৱ সমিতিয়ে তেওঁক জীৱনজোৰা সাধনাৰ ড° ভূপেন হাজৰিকা বঁটা প্ৰদান কৰে।

তেওঁ মাথোঁ শিল্পী নাছিল একাধাৰে কবি, লেখক, সমাজসেৱক, গীতিকাৰ, সংগীতজ্ঞ, পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা আৰু অভিনেতা ইত্যাদি হিচাপেও খ্যাত। তেওঁ ১২ বিদৰো অধিক বাদ্যযন্ত্ৰ বজাবলৈ সক্ষম আছিল। অসম আত্মাৰ গুণ-গৰিমা কৈ শেষ কৰা অসম্ভৱ। অতন্দ্ৰ প্ৰহৰী হৈ কাম কৰি গৈছিল। দেশৰ বাবে, দহৰ বাবে, সমাজৰ বাবে, দুখীয়াৰ বাবে, মাথোঁ নিজৰ বাবে একো কৰা নাই, দান কৰি কৰি ভগৱানো যেন আজি ঋণী হৈ গৈছে। উসঃ ভগৱান ১২ বছৰ আগতে যিটো গছৰ তলত বহি জিৰণি লৈছিল ক্লান্ত পথিকৰূপে আজি সোণাপুৰৰ সেই ঠাইত অনন্ত কালৰ বাবে জিৰণি ল'লে আমাৰ অসম প্ৰাণ জুবিনদা। গৰিমা বৌৰ গল্ভী।

যাৰ নিত্য নতুন গান শুনি দুখ-কষ্ট, হাঁহি-কান্দোন, শুই-বহি, ক্লান্ত-জিৰণি, খোৱা-লোৱা, কাম-কাজ আদি সকলোতে মিল হৈ থকা দৈনন্দিন জীৱনৰ প্ৰতিচ্ছবি অৰ্থাৎ মুহূৰ্তত মিলি যোৱা গান আছে মাথোঁ এজনৰেই সেয়া হ'ল সুৰ সম্ৰাট জুবিনদা। এতিয়া নাজানো কাৰ গানৰ অপেক্ষাত থাকিম। কাৰ গান শুনি শুনি টোপনি যাম, কাৰ গান শুনি চকু মেলিম, ধৰ্মৰ নামত, কৰ্মৰ নামত। প্ৰতিজন মানুহৰ মনৰ আৱেগ প্ৰকাশ কৰি গ'লা তোমাৰ সুৰৰ মূৰ্চ্ছনাত, হে শব্দৰ ৰজা, তোমাক জনাওঁ সহস্ৰাধিক প্ৰণাম। নাজানো কাৰ নতুন নতুন গান শুনি কটাম নিৰ্জন দুপৰীয়া। জুবিনদা তোমাক পাহৰা অসম্ভৱ, হে গণশিল্পী জনতাৰ যোগ্য নেতা তুমি উভতি আহা। অসমক কিয় অনাথ কৰি থৈ, অগ্নিস্নান কৰি পঞ্চভূতত বিলীন হৈ গ'লা। এতিয়াই সময় হোৱা নাছিল উভতি আহা...। চাওঁতে চাওঁতে চাৰি মাহ পাৰ হৈ গ'ল তোমাৰ ন্যায় বিচাৰি, নাজানো ন্যায় কেতিয়া এতিয়াতো মাথোঁ অপেক্ষাত, মাথোঁ অপেক্ষাত, তোমাৰ ন্যায়ৰ অপেক্ষাত।

অসমৰ বিশিষ্ট লেখক-সাহিত্যিক ড° নগেন শইকীয়াই জুবিন গাৰ্গ সন্দৰ্ভত মন্তব্য কৰি কৈছিল— 'মই দেখিছো জুবিনৰ কণ্ঠত এনে এক সুৰৰ যাদু আছে, যি মানুহক, শ্ৰোতাক সহজেই আকৰ্ষণ কৰিব পাৰে।' কথাষাৰ একেবাৰেই সত্য।

'মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই ঈশ্বৰ সেৱা হয়।'

কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে।

'মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মোৰ কোনো ভগৱান নাই, মই মুক্ত, মই কাঞ্চনজংঘা।'

—জুবিন গাৰ্গ

# আধুনিকতাৰ প্ৰভাৱ নে শাসনৰ ত্ৰুটি

আয়শা ছিদ্দিকা

এটা সময় আছিল যেতিয়া মূল্যবোধ, নৈতিকতা, আদৰ্শ আৰু সমাজৰ প্ৰতি দায়বদ্ধতাই এজন যুৱকৰ জীৱনৰ মূল স্তম্ভ আছিল। আজি সেই দৃশ্যপট নাটকীয়ভাৱে সলনি হৈ পৰিছে। যুগৰ গতিত আগবাঢ়ি থকা নৱপ্ৰজন্ম এক নতুন যুগত ভাহি আছে, য'ত আছে প্ৰযুক্তি, আধুনিকতা, বিশ্বায়ন আৰু অশেষ সুযোগ কিন্তু তাৰ লগতে আছে উদাসীনতা, আত্মকেন্দ্ৰিকতা আৰু মানৱীয় গুণাৱলীৰ অভাৱ।

এই পৰিৱৰ্তনৰ মাজতে সদায় এক গুৰুত্বপূৰ্ণ প্ৰশ্ন মনত জাগে এই অধঃপতনৰ মূল দায়ী কোন...?

বৰ্তমান সময়ৰ আধুনিক জীৱনশৈলী নে শাসন ব্যৱস্থাৰ ত্ৰুটি...?

নেকি অভিভাৱকৰ শাসনৰ ত্ৰুটি...?

নে আত্মসংযমৰ অভাৱ...?

বৰ্তমান সময়ত নৱপ্ৰজন্মৰ জীৱনশৈলীত এক গভীৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। একবিংশ শতিকাৰ প্ৰযুক্তি প্ৰয়োগৰ সমাজত যি ধৰণৰ চিন্তা-চেতনাৰ বিকাশ ঘটিছে, তাৰ মাজত মূল্যবোধ, নৈতিকতা আৰু সামাজিক দায়বদ্ধতাৰ এক অপূৰ্ণতা যেন দৃষ্টিগোচৰ হোৱা নাইনে?

এই অধঃপতনৰ বাবে কোন দায়ী?

আধুনিকতাৰ অন্ধ অনুকৰণ নে শাসনৰ ব্যৰ্থতা?

আধুনিকতাৰ সোঁতত নৱপ্ৰজন্ম অধিক স্বাধীনতা, অধিক সুযোগ, অধিক আৰামদায়ক জীৱনৰ মাজত বুৰ গৈ আছে। ইণ্টাৰনেট, ছ'চিয়েল মিডিয়া, এণ্ড্ৰইড ফোন আদি সকলো উপায়ে তেওঁলোকক গ্ল'বেল জীৱনৰ সৈতে সংযুক্ত কৰিছে। এই সংযুক্তিতেই হেৰাই গৈছে নৈতিক শিক্ষাৰ মূল সঁজুলি। আজিকালি মানৱিক গুণাৱলীৰ সলনি ভৌতিক সমৃদ্ধিক কেন্দ্ৰ কৰি জীৱন গঢ়া দেখা যায়। নীতি-নৈতিকতা, আদৰ্শ, জীৱন মূল্যবোধৰ যেন কোনো গুৰুত্ব নাই। পুৰণি পৰম্পৰা আৰু সমাজৰ আদৰ্শবোৰ আপডেট নহয় বুলি অৱহেলা কৰে। যাৰ বাবেই হয়তো গঢ়ি উঠে পৰিয়ালৰ সৈতে দূৰত্ব, সামাজিকতাৰ অভাৱ, অহংকাৰ আৰু আত্মকেন্দ্ৰিক মনোভাৱ। এইবোৰৰ কাৰণত মানসিক চাপ বৃদ্ধি আৰু দিশ হেৰুৱাই আত্মহত্যাৰ নিচিনা এক নিষ্ক্ৰিয় জঘন্য পথৰ সংগী হোৱাৰ ঘটনা পৰিলক্ষিত হয়।

অধঃপতনত কেৱল সমাজ নে প্ৰযুক্তি দায়ী সঠিক ক'ব নোৱাৰি। পৰিয়ালৰ শাসন ব্যৱস্থাও হয়তো সমান দায়ী।

এইক্ষেত্ৰত আমাৰ শিক্ষা ব্যৱস্থাৰ অৱদান কিমানখিনি সেয়া ঠাৱৰ কৰিব নোৱাৰি।

আধুনিকতাৰ সোঁতত গা এৰি দিয়া নৱপ্ৰজন্ম আজিৰ গোলকীয় বিশ্বত বিনোদনৰ মাজত জীৱনৰ মৰ্ম বিচাৰি আছে। ছ'চিয়েল মিডিয়া, ইণ্টাৰনেট, ম'বাইল গেম, ফেশ্বন সংস্কৃতি এইবোৰেই যেন যুৱপ্ৰজন্মৰ জীৱনৰ মূল আধাৰ স্বৰূপ। ফলত বাস্তৱিক জীৱনৰ পৰা বিচ্ছিন্ন হৈ গৈ আছে মন, চিন্তা আৰু অনুভৱ। যাৰ ফলত পৰিয়ালৰ সৈতে মানসিক দূৰত্ব, প্ৰেম আৰু সম্পৰ্কৰ অপব্যাখ্যা, ভুল সংস্কৃতিৰ অন্ধ অনুকৰণ বেছি প্ৰচলিত দেখা যায়।

হয়তো আধুনিকতাৰ সদ্ব্যৱহাৰ নোহোৱাৰ ফলতেই মূল সমস্যাৰ সৃষ্টি হৈছে। যি আধুনিকতা বিকাশৰ বাহন হ'ব লাগিছিল, সেয়া আজিৰ পৰিস্থিতিত অনুশাসনহীনতাক উৎসাহ দিছে।

নৱপ্ৰজন্মক দোষ দি হাত ধুই পেলাব পাৰি জানো..? সমস্যাৰ মূলত আধুনিকতাৰ অপব্যৱহাৰ, ৰাজনৈতিক ত্ৰুটি আৰু সামাজিক উদাসীনতাৰ জটিল মিশ্ৰণ আছে। এই পথৰ পৰা আঁতৰাই অনাৰ একমাত্ৰ উপায় হ'ল আধুনিকতা আৰু নৈতিকতাৰ সমন্বয়ে খোজ পেলোৱা। এনেকৈ আগলৈকে খোজ দিলে নৱপ্ৰজন্ম পথভ্ৰষ্ট নহ'ব, দেশ গঢ়াৰ এক বলিষ্ঠ হাতিয়াৰ হ'ব।

বৰ্তমান সময়ত ১৪-১৮ বছৰীয়া ছাত্ৰ-ছাত্ৰীসকলে দিনৰ প্ৰায় বেছি সময় ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰি ব্যয় কৰে। এই সময়খিনি য'ত শিক্ষালাভ, চিন্তাশীলতা বা নিজৰ বিকাশ হ'ব লাগিছিল সেয়া ধীৰে ধীৰে সময় অপচয়, তুলনামূলক মনোভাব আৰু মানসিক উদ্বেগলৈ পৰিণত হয়।

ফলস্বৰূপে বহু শিক্ষা প্ৰতিষ্ঠানত দেখা গৈছে যে পঢ়া বা মানসিক মনোযোগৰ অভাৱত ছাত্ৰ-ছাত্ৰীৰ ফলাফল হ্ৰাস পাইছে আৰু তাৰ মূল কাৰণ হৈছে ম'বাইল আসক্তি।

পুৰণি পাঠ্যক্ৰমত যি চিন্তাশীল সাহিত্য (যেনে হোমাৰ, শংকৰদেৱ, ৰবীন্দ্ৰনাথ, গান্ধীজীৰ আত্মজীৱনী) আছিল, আজিৰ পাঠ্যত তাৰ স্থান কমি গৈছে। ইও এটা কাৰণ, যাৰ ফলত নৱপ্ৰজন্মই আদৰ্শৰ দ্বাৰা বিচাৰি নাপায়।

কোনো এটা অনুষ্ঠানত শিক্ষক এগৰাকীয়ে নিজৰ ভাষণত কৈছিল— আমাৰ ছাত্ৰ-ছাত্ৰীয়ে আই এ এছ হ'ব বিচাৰে; কিন্তু তেওঁলোকে ভাৰতীয় আদৰ্শ বা জাতীয় নেতাৰ নামো ভালদৰে নাজানে।

সন্তানৰ প্ৰথম শিক্ষা কেন্দ্ৰ হ'ল পৰিয়াল। এটি শিশুৰ চিন্তাধাৰা, আচৰণ, মানসিকতা, মূল্যবোধ আৰু জ্ঞানৰ ভিত্তি গঢ়ি উঠে তেওঁ দেখা পোৱা পৰিৱেশ আৰু তাৰ পৰা পোৱা দিশ-নিৰ্দেশৰ ওপৰত। সেয়ে অভিভাৱকৰ দৃষ্টিভংগী, আচৰণ আৰু অৱহেলাই সন্তানৰ পথ বিচ্যুত কৰাৰ আঁৰত মূল কাৰক হিচাপে বিবেচিত নহয়নে?

আজিকালি অভিভাৱকসকল পেছাগত দিশত অতিমাত্ৰা ব্যস্ত। ঘৰৰ ভিতৰেই নিজৰ সন্তানক অকলশৰীয়া কৈ ৰাখি তাক যান্ত্ৰিক জীৱন কটাবলৈ বাধ্য কৰে। যাৰ ফলত ছ'চিয়েল মিডিয়া, গেইমিং, অ'টিটি অথবা অনলাইন চিনেমাৰে তেওঁলোকে নিজৰ মনৰ শূন্যতা আৰু অকলশৰীয়া ভাব আঁতৰ কৰাৰ প্ৰয়াস কৰে।

বহুতো অভিভাৱকে ভাবে আধুনিকতা মানেই পইচা, ফেশ্বন, স্বাধীনতা। সন্তান বেয়া পথত গৈ থাকিলেও তেওঁলোকে সঠিক দিশ নিৰ্দেশনা দিবলৈ চেষ্টা নকৰে আৰু যদি আন কোনোৱে সঠিক পৰামৰ্শ দিবলৈ আগবাঢ়ে সেয়াও যেন চকুত কাঁইট বিন্ধাৰ দৰেই অৱস্থা।

আৰু মাক-দেউতাকে মোৰ ল'ৰা-ছোৱালী মডাৰ্ন বুলি ওলোটা গৰ্ববোধহে কৰে...

সমাজ আজি কোন দিশে...?

বহু অভিভাৱক টিভি, ফোন বা অসৎ আচৰণত লিপ্ত থাকে। তেনে পৰিৱেশত জানো সন্তানে সঠিক-ভুলৰ পাৰ্থক্য শিকিব পাৰে?


সৎ দিশৰ সন্ধান পাব পাৰে?

আধুনিক সমাজত পৰিয়ালৰ পৰা ধৰ্ম, নীতি, আদৰ্শ, সহানুভূতি, কৃতজ্ঞতা আদিৰ শিক্ষা কমি গৈছে। অভিভাৱকে কিতাপৰ পঢ়া-শুনাতহে গুৰুত্ব দিয়ে।

কিন্তু কোনো এজন অভিভাৱকে ভাল মানুহ হ'ব লাগিব বুলি কোৱা দেখা নাযায়।

নিজৰ সন্তানৰ সৈতে দৈনিক সংলাপ স্থাপন কৰক। সন্তানৰ কথা মনযোগ সহকাৰে শুনাৰ চেষ্টা কৰক, তাৰ কথাবোৰ গুৰুত্ব দিবলৈ শিকক। পাঠ্যপুথিৰ লগতে নৈতিক, আধ্যাত্মিক আৰু ধৰ্মীয় বিষয়ত গুৰুত্ব দিয়ক।

আজিৰ যুৱ সমাজ কালিৰ দেশৰ ভৱিষ্যৎ। যুৱ সমাজ বিপথে পৰিচালিত হ'লে, বেয়া দিশত আসক্ত হ'লে দেশৰ উন্নতি কদাপি সম্ভৱ নহয়।



চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰস

ধৰিত্ৰীয়ে সংৰক্ষণ কৰি সকলো জীৱ-জন্তুকে নিজৰ সন্তানে হিচাপে গণ্য কৰিছিল। এডাল ডাঙৰ বৃক্ষ মানুহৰ জীৱনত সন্তানতকৈও কোনো গুণে কম নহয়। এই কথা প্ৰাচীন কালত ঋষি-মুনিসকলেও স্বীকাৰ কৰিছিল। মৎস্য পুৰাণত থকা এটা শ্লোকত উল্লেখ আছে যে পানীৰ কাৰণে খন্দা দহটা কুঁৱা এটা পুখুৰীৰ সমান, দহটা পুখুৰী এটা হ্ৰদৰ সমান, দহটা সন্তান এডাল বৃক্ষৰ সমতুল্য। পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে গছ-গছনি ৰোৱাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। অকল গছ-গছনিকে নহয় প্ৰাচীনকালত মানুহে নদ-নদী আৰু পানীক যে অতি পৱিত্ৰ জ্ঞান কৰিছিল সেই কথা এটা শ্লোকত আছে—

'গংগেচ যমুনা চৈৱ গোদাবৰী সৰস্বতী
নৰ্মদা সিন্ধু কাৱেৰী জলস্মিন সন্নিধম।'

এই শ্লোকৰ মূল কথাখিনি হৈছে যে 'হে মা গংগা-যমুনা-গোদাবৰী-সৰস্বতী-নৰ্মদা-সিন্ধু-কাৱেৰী তোমালোকক আহ্বান কৰিছো ওচৰৰ এই পানীখিনি লৈ আহি আমাক পৱিত্ৰ কৰি তোলা। বেদত উল্লেখ আছে যে মানুহে জীৱন কালত সমাজ উৎকৰ্ষ সাধনৰ কাৰণে প্ৰধানকৈ তিনিটা সৎ কৰ্ম কৰিব লাগে। সেইকেইটা হৈছে পানী সংৰক্ষণৰ কাৰণেই কুঁৱা বা পুখুৰী খন্দা, ৰোগ নিৰাময়ৰ বাবে চিকিৎসাৰ ব্যৱস্থা কৰা আৰু জ্ঞান বিকাশৰ বাবে অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰা। অথৰ্ব বেদতো উল্লেখ আছে 'এই পৃথিৱীখন মোৰ মাতৃৰ আৰু মই তেওঁৰেই সন্তান।'

প্ৰাচীন কালৰে পৰাই পাৰিজাত, আঁহত, বটগছ, বেল আৰু তুলসী আদি গছক পৱিত্ৰ জ্ঞান কৰাৰ প্ৰথাও চলি আহিছে। উদ্ভিদবোৰে মানুহৰ বেমাৰ-আজাৰৰ সময়ত বনৌষধি হিচাপে ব্যৱহৃত হৈ আহিছে। সেই কথা বেদত উল্লেখো আছে। চন্দ্ৰগুপ্ত মৌৰ্য আৰু সম্ৰাট অশোকে প্ৰকৃতিৰ সংৰক্ষণৰ কাৰণে যিবোৰ কাৰ্যসূচী লৈছিল সেইবোৰ যুগ যুগ ধৰি অতুলনীয় হৈ আছিল। চৰাই-চিৰিকটিৰ লগতে সকলো জীৱকে কি দৰে সুৰক্ষা প্ৰদান কৰিছিল সেইবোৰৰ কথা অশোকৰ বিখ্যাত পঞ্চম স্তম্ভত খোদিত কৰা আছে।

প্ৰায়বোৰ ধৰ্মশাস্ত্ৰতে প্ৰকৃতি সংৰক্ষণৰ কথা সুন্দৰভাৱে উল্লেখ কৰা আছে। মোগল সম্ৰাটসকলেও প্ৰকৃতি সংৰক্ষণ কৰা বৃহৎ বৃহৎ ফল- ফুলৰ উদ্যান স্থাপন কৰাৰ উদাহৰণ পোৱা যায়। মহাৰাজ অশোকৰ সুশাসনত জীৱ-জন্তু চিকাৰ আৰু হত্যা কৰা নিষেধ থকাৰ উপৰি সম্ৰাট জাহাংগীৰ আছিল এগৰাকী প্ৰকৃতিপ্ৰেমী। তেওঁ বিলুপ্ত হ'বলৈ ধৰা জীৱ-জন্তুৰ বংশ বৃদ্ধিৰ কাৰণে গঁৰালৰ ভিতৰতে প্ৰজননৰ ব্যৱস্থা কৰিছিল। আনহাতে ইংৰাজসকলে ভাৰতৰ বনাঞ্চলৰ আপুৰুগীয়া জীৱ-জন্তু, চৰাই-চিৰিকটি চিকাৰ কৰাটো আমোদ-প্ৰমোদ হিচাপে লৈছিল। ইংৰাজসকল ভাৰতলৈ অহাৰ পূৰ্বে গংগা, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বেছিভাগ ঠাই আছিল এটা খৰ্গযুক্ত গঁড় আৰু এটা প্ৰজাতিৰ সিংহৰ বিচৰণভূমি।

ভাৰত স্বাধীন হোৱাৰ পিছত ইংৰাজৰ পৰা শাসনভাৰ লৈ পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ উন্নীত কৰাৰ কথা ভাৰত চৰকাৰে চিন্তা কৰিছিল। ১৮৭৮ চনত ইংৰাজে প্ৰৱৰ্তন আৰু উদ্ভিদ, বন্যপ্ৰাণী সংৰক্ষণৰ অধিনিয়মৰ পৰিৱৰ্তন কৰি ১৯৭২ চনত বন্যপ্ৰাণী সংৰক্ষণৰ নতুন নিয়ম কৰিছিল যদিও কৃতকাৰ্য হ'ব পৰা নাছিল।

অৰণ্যক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষাৰ কৰাৰ কাৰণে আশীৰ দশকত চিপকোৰ নিচিনা অহিংস আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষত শিক্ষিত যুৱ সমাজক জাগ্ৰত কৰিবলৈ প্ৰচেষ্টা আৰম্ভ কৰিছিল এচাম প্ৰকৃতিপ্ৰেমীয়ে। সেই সময়ৰ পৰাই পৰিৱেশৰ লগতে অৰণ্য সুৰক্ষিত কৰিবৰ বাবে প্ৰকৃতিপ্ৰেমী দল-সংগঠনে কৰা নিৰলস প্ৰচেষ্টাই পৰিৱেশো সংৰক্ষণত জনসাধাৰণে লোৱা ভূমিকা অতিকে শলাগিবলগীয়া। একে আষাৰে ক'ব পাৰি পৰিৱেশ ৰক্ষাত জনসাধাৰণে সৰ্বতো প্ৰকাৰে সহায়-সহযোগ কৰিলে আমাৰ দেশৰ প্ৰকৃতি আৰু দেশখন সুৰক্ষিত হৈ থাকিব বুলি আশা কৰিব পাৰি।

অৰণ্যৰ বৈচিত্ৰ্যময় ৰূপ-ৰসৰ বিনন্দীয়া ৰূপ উপভোগ কৰিবলৈ আমি প্ৰকৃতিৰ দৰে সহজ-সৰল নিৰহংকাৰী আৰু সৰল মনৰ মানুহ হ'ব পাৰিব লাগিব। নহ'লে আমি হয়তো প্ৰকৃতিৰ ওচৰত হাৰ মানিব লাগিব। প্ৰকৃতিয়ে আমাৰ ভালৰ বাবেহে কৰে আমিহে প্ৰকৃতিৰ ভালৰ বাবে একো কৰিব নোৱাৰো।

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# অসমীয়া ৰহস্য সাহিত্য

এজন অন্যতম প্ৰভাৱশালী লেখক। তেওঁৰ কাহিনীসমূহত ৰহস্যৰ সৈতে ভৌতিক উপাদানৰ মিশ্ৰণ ঘটিছিল, যিয়ে পাঠকৰ মাজত এক ভিন্ন ধৰণৰ আকৰ্ষণৰ সৃষ্টি কৰিছিল। তেওঁৰ লেখাৰ শৈলী আৰু কাহিনীৰ গঠন প্ৰণালীয়ে অসমীয়া ৰহস্য সাহিত্যক আধুনিকতাৰ দিশে আগুৱাই নিছিল। ৰঞ্জু হাজৰিকাৰ কাহিনীৰ জনপ্ৰিয়তাই এই ধাৰাৰ বৈচিত্ৰ্যক প্ৰতিফলিত কৰিছিল। 'প্ৰহেলিকা ছিৰিজ' এক উল্লেখযোগ্য ছিৰিজ য'ত দেৱজিৎ ফুকন, পৱিত্ৰ লহকৰ আৰু ড° অমলকৃষ্ণ হাজৰিকা নামৰ তিনিটা জনপ্ৰিয় চৰিত্ৰৰ সমাবেশ ঘটিছিল। 'নিশাৰ অতিথি', 'চিকাৰ', 'বহুৰূপী', 'পলাতক পখীৰ সন্ধানত', 'নিয়ৰত তেজৰ টোপাল' আদি অসংখ্য ৰহস্য গ্ৰন্থ লিখিছে ৰঞ্জু হাজৰিকাই।

অসমীয়া ৰহস্য সাহিত্যৰ বিকাশত বিংশ শতিকাৰ মধ্যভাগৰ পৰা শেষৰ ফালে বহুতো পৰিৱৰ্তন পৰিলক্ষিত হৈছিল। প্ৰকাশন জগতৰ সম্প্ৰসাৰণ আৰু পাঠকৰ চাহিদা বৃদ্ধিৰ ফলত ৰহস্য সাহিত্যৰ জনপ্ৰিয়তা ক্ৰমশঃ বাঢ়িছিল। বিভিন্ন আলোচনী আৰু সংবাদপত্ৰত ধাৰাবাহিকভাৱে প্ৰকাশিত ৰহস্য কাহিনীয়ে পাঠকৰ মাজত নতুন উৎসাহৰ সৃষ্টি কৰিছিল। 'বিস্ময়' আৰু 'ৰহস্য' আলোচনীয়ে তেতিয়াৰ পৰা বৰ্তমানলৈকে এই ধাৰা অব্যাহত ৰাখিছে। লাহে লাহে অসমীয়া ৰহস্য সাহিত্যই কেৱল চোৰাংচোৱা কাহিনীৰ মাজতে সীমাবদ্ধ নাথাকি ভৌতিক, দুঃসাহসিক আৰু মনস্তাত্ত্বিক ৰহস্যৰ দিশতো বিস্তাৰ লাভ কৰিলে।

ডিজিটেল যুগৰ আগমনে অসমীয়া ৰহস্য সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰিছে। ফে'চবুকৰ দৰে সামাজিক মাধ্যমৰ প্লেটফৰ্মত গ্ৰন্থ সুবাস আৰু ৰহস্য সাহিত্যৰ দৰে গোটৰ উত্থানে নতুন লেখকসকলৰ বাবে এক সুবিধাজনক মঞ্চ প্ৰদান কৰিছে। এই গোটসমূহত বিভিন্ন লেখকে তেওঁলোকৰ ৰহস্য কাহিনী প্ৰকাশ কৰি পাঠকৰ পৰা সমাদৰ লাভ কৰিছে। এই প্লেটফৰ্মবোৰে অসমীয়া ৰহস্য সাহিত্যৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে নতুন প্ৰজন্মৰ পাঠকৰ মাজতো ইয়াক জনপ্ৰিয় কৰিছে।

গ্ৰন্থ সুবাসৰ দৰে গোটত প্ৰকাশিত কাহিনীসমূহত স্থানীয় সংস্কৃতিৰ সৈতে আধুনিক ৰহস্যৰ সমন্বয় দেখা যায়। এই কাহিনীবোৰত প্ৰায়ে অসমৰ গ্ৰাম্য জীৱন, পৌৰাণিক কথা আৰু সমসাময়িক সমস্যাৰ সৈতে ৰহস্যৰ সংযোগ ঘটে। ইয়াৰ উপৰি ৰহস্য সাহিত্য গোটত বিভিন্ন লেখকে তেওঁলোকৰ সৃষ্টিশীলতাৰ জৰিয়তে নতুন ধৰণৰ কাহিনী প্ৰকাশ কৰিছে, য'ত মনস্তাত্ত্বিক ৰহস্য, ভৌতিক উপাদান আৰু বিজ্ঞানভিত্তিক কাহিনীৰ সমন্বয় দেখা যায়।

অসমীয়া ৰহস্য সাহিত্যৰ এই বিৱৰ্তনে ইয়াৰ গতিশীলতা আৰু প্ৰাসংগিকতাক প্ৰমাণ কৰিছে। কুমুদেশ্বৰ বৰঠাকুৰ, প্ৰেমনাৰায়ণ দত্ত, ৰংমনৰ পৰা আৰম্ভ কৰি সত্যৰঞ্জন কলিতা, দীন তামুলী আৰু ৰঞ্জু হাজৰিকাৰ দৰে লেখকৰ অৱদানে এই ধাৰাক সমৃদ্ধ কৰিছে। আজিৰ ডিজিটেল যুগত ফে'চবুকৰ গোটসমূহৰ জৰিয়তে নতুন লেখকৰ উত্থানে অসমীয়া ৰহস্য সাহিত্যৰ ভৱিষ্যতক আৰু উজ্জ্বল কৰিছে। এই ধাৰাৰ জনপ্ৰিয়তা আৰু বৈচিত্ৰ্যই অসমীয়া পাঠকৰ মাজত ৰহস্যৰ প্ৰতি থকা চিৰন্তন আকৰ্ষণক প্ৰতিফলিত কৰে। যিমান দিন পাঠকৰ মনত কৌতূহল আৰু ৰোমাঞ্চৰ প্ৰতি আগ্ৰহ থাকিব, সিমান দিন অসমীয়া ৰহস্য সাহিত্য জীপাল হৈ থাকিব।

নৱম পৃষ্ঠাৰ পৰা ঃ —

# জাতীয় চেতনা আৰু

আৰু এক সহনশীল, গণতান্ত্ৰিক আৰু ন্যায়পূৰ্ণ সমাজ গঢ়াত সহায় কৰে। ন্যায়, সমতা, মৰ্যাদা আৰু সহানুভূতিৰ ভেটিত গঢ় লৈ উঠা এখন সমাজেই প্ৰকৃততে শক্তিশালী, অবিনাশী আৰু সুসংগঠিত জাতিৰ প্ৰতিফলন। আভ্যন্তৰীণ সংহতিৰ অভাৱে কেৱল জাতিটোক দুৰ্বল কৰাই নহয়, ই ইয়াৰ প্ৰগতি, উন্নয়ন আৰু সুৰক্ষাৰ পথতো বহু বাধাৰ সৃষ্টি কৰে আৰু বহিৰাগত শত্ৰু আৰু প্ৰভাৱশালী শক্তিক সুযোগ দিয়ে। এই দায়বদ্ধতাৰ গভীৰ ভাবনাৰে, প্ৰতিজন অসমীয়াই বিভাজনকাৰী, সাম্প্ৰদায়িক আৰু সংঘাত সৃষ্টিকাৰী শক্তিসমূহক প্ৰতিহত কৰি, সমূহীয়া স্বাৰ্থত আৰু জাতীয় ঐক্যৰ বাবে ঐক্যবদ্ধ হৈ কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱা উচিত। জাতিৰ সমস্যাসমূহৰ সমাধানৰ বাবে এক উমৈহতীয়া, সহযোগিতামূলক, আলোচনাভিত্তিক আৰু গণতান্ত্ৰিক মনোভাব গঢ়ি তোলাটোৱেই হৈছে সঁচা জাতীয় চেতনাৰ নিদৰ্শন। বিভিন্ন ভাষিক আৰু সাংস্কৃতিক গোটৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতা বৃদ্ধি কৰিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাটোও এই দায়বদ্ধতাৰ এক মূল অংশ, যাতে অসমীয়া সমাজ এখন সাৰ্বজনীন, সমন্বয়ৰ ক্ষেত্ৰ হিচাপে চিৰকাল জিলিকি থাকিব পাৰে আৰু ইয়াৰ প্ৰতিটো অংগই শক্তিশালী হৈ জাতিটোক সুৰক্ষা দিব পাৰে।

জাতীয় দায়বদ্ধতাৰ প্ৰকৃত আৰু দীৰ্ঘম্যাদী প্ৰকাশ কেৱল ডাঙৰ ডাঙৰ ৰাজনৈতিক আন্দোলন বা প্ৰতিবাদৰ মাজতে সীমাবদ্ধ নহয়, বৰং ই দৈনন্দিন জীৱনৰ সৰু সৰু কাম, আচৰণ আৰু নৈতিক সিদ্ধান্তসমূহৰ মাজতো গভীৰভাৱে প্ৰতিফলিত হয়। নিজৰ চৌপাশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সৌন্দৰ্য বজাই ৰখা, ৰাজহুৱা স্থানৰ মৰ্যাদা ৰক্ষা কৰা, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহত আন্তৰিকতাৰে অংশগ্ৰহণ কৰি নিজৰ অংশীদাৰিত্ব প্ৰকাশ কৰা আৰু জনকল্যাণমূলক কামত নিঃস্বাৰ্থভাৱে সহায় কৰাটোও জাতিৰ প্ৰতি দায়বদ্ধতাৰেই এক গুৰুত্বপূৰ্ণ বহিঃপ্ৰকাশ। এজন দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্যসমূহ সঠিকভাৱে, সময়মতে আৰু নীতিনিষ্ঠাৰে পালন কৰা, চৰকাৰী আৰু ৰাজহুৱা সম্পদসমূহৰ ৰক্ষণাবেক্ষণ কৰা আৰু আইনৰ প্ৰতি গভীৰ শ্ৰদ্ধা দেখুওৱাটোও এক অনস্বীকাৰ্য জাতীয় কৰ্তব্য। এনেধৰণৰ সৰু সৰু, কিন্তু অনুশাসিত পদক্ষেপসমূহে ক্ৰমান্বয়ে সমাজত এক ইতিবাচক, নীতিনিষ্ঠ আৰু সুসংগঠিত পৰিৱৰ্তন আনিব পাৰে আৰু এক উন্নত নাগৰিক সমাজ গঢ়াত সহায় কৰিব পাৰে। ব্যক্তিগত পৰ্যায়ৰ এই দায়বদ্ধতা যেতিয়া সমূহীয়া পৰ্যায়লৈ বিস্তৃত হয় আৰু হাজাৰ হাজাৰ লোকে ইয়াক পালন কৰে, তেতিয়াহে জাতিটোৱে প্ৰকৃত অৰ্থত স্থিৰতা, নিৰাপত্তা আৰু উন্নতিৰ মুখ দেখে। শিক্ষাৰ প্ৰতি গুৰুত্ব দিয়া, বিশেষকৈ সমাজৰ দুৰ্বল আৰু পিছপৰা শ্ৰেণীৰ লোকসকলক শিক্ষাৰ জৰিয়তে আগুৱাই অনাত সহায় কৰাটো এক গুৰুত্বপূৰ্ণ সামাজিক দায়বদ্ধতা, কিয়নো এখন শিক্ষিত, জ্ঞানী আৰু সচেতন সমাজেহে এক শক্তিশালী জাতিৰ ভেটি ৰচনা কৰিব পাৰে আৰু ই জাতীয় চেতনাৰ প্ৰকৃত বিকাশক সূচায়। এই সৰল কিন্তু গভীৰ দায়বদ্ধতাৰ অনুভৱেই অসমীয়া জাতিৰ ভৱিষ্যৎ নিৰ্ণয় কৰিব আৰু ইয়াৰ মৰ্যাদা বৰ্তাই ৰাখিব।


অসমীয়া জাতিৰ বাবে, জাতীয় দায়বদ্ধতাৰ আন এক গুৰুত্বপূৰ্ণ, আৰু আজিৰ সময়ত সৰ্বাধিক জৰুৰী দিশ হৈছে ইয়াৰ প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশৰ প্ৰতি থকা কৰ্তব্যবোধ আৰু গভীৰ সচেতনতা। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ অসংখ্য উপনৈসমূহৰ সম্পদ, সেউজ অৰণ্য, বিস্তৃত কৃষিভূমি আৰু জীৱ-বৈচিত্ৰ্য হৈছে অসমীয়াৰ অমূল্য সম্পত্তি আৰু জাতিৰ জীৱনৰেখা। এই সম্পদসমূহক পৰৱৰ্তী প্ৰজন্মৰ বাবে সুৰক্ষিতভাৱে সংৰক্ষণ কৰাটো এক নৈতিক, পৰিৱেশীয় আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক দায়বদ্ধতা। প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি অৰ্থনৈতিক উন্নয়নৰ প্ৰচেষ্টা চলোৱাৰ সময়ত, বহনক্ষম উন্নয়নৰ ধাৰণাটোক সদায় আগস্থান দিব লাগিব আৰু ক্ষণস্থায়ী মুনাফাৰ বাবে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ কৰা উচিত নহয়। কোনো ধৰণৰ ক্ষণস্থায়ী লাভালাভ বা উন্নয়নৰ অজুহাতত পৰিৱেশক ধ্বংস কৰাটো জাতিৰ প্ৰতি কৰা এক ডাঙৰ অন্যায় আৰু ভৱিষ্যতৰ প্ৰতি কৰা বিশ্বাসঘাতকতা। প্ৰকৃতিৰ সৈতে সমন্বয় ৰক্ষা কৰি জীয়াই থকাৰ এই পৰম্পৰা অসমীয়া সংস্কৃতিৰ এক অভিন্ন আৰু প্ৰশংসনীয় অংগ। সেয়েহে জলবায়ু পৰিৱৰ্তন, ভূমিস্খলন আৰু পৰিৱেশ প্ৰদূষণৰ দৰে বিশ্বজনীন সমস্যাসমূহৰ প্ৰতি সচেতন হৈ, স্থানীয় পৰ্যায়ত ইয়াৰ প্ৰতিৰোধৰ বাবে আৰু প্ৰকৃতিৰ পুনৰুদ্ধাৰৰ বাবে সক্ৰিয় পদক্ষেপ লোৱাটো প্ৰতিজন অসমীয়াৰ জাতীয় কৰ্তব্য। নিজৰ পৰিৱেশক সুৰক্ষিত, সুসংগঠিত আৰু সেউজীয়া কৰি ৰাখিব পাৰিলেহে জাতিৰ সাংস্কৃতিক, আধ্যাত্মিক আৰু অৰ্থনৈতিক ভেটি চিৰকালৰ বাবে সুৰক্ষিত হ'ব। এই প্ৰাকৃতিক দায়বদ্ধতাৰ ফলস্বৰূপে এখন সেউজীয়া, স্বাস্থ্যৱান, সুৰক্ষিত আৰু সমৃদ্ধ অসম গঢ়ি উঠিব, যিটো সকলো অসমীয়াৰে সপোন আৰু প্ৰধান লক্ষ্য।

# অৱসৰপ্ৰাপ্ত অধ্যাপক পংকজ লোচন দাসক বিদায় সম্বৰ্ধনা

**ৰামপুৰ** ঃ চলিত বৰ্ষৰ ৩১ জানুৱাৰীত অৱসৰগ্ৰহণ কৰা ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক পংকজ লোচন দাসক যোৱা শনিবাৰে মহাবিদ্যালয় পৰিয়ালে বিদায়-সম্বৰ্ধনা জনায়। এই উপলক্ষে আয়োজিত সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দিনমণি কলিতাই। বিদায় সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ কমিউনিটি এক্সপাৰ্ট তথা সাংবাদিক বিমল শৰ্মাই অধ্যাপক দাসৰ ইংৰাজী ভাষা-সাহিত্যৰ ওপৰত থকা দখল অতুলনীয় বুলি মন্তব্য কৰে। মহাবিদ্যালয়খনত সুদীৰ্ঘ ১৬ বছৰ ২ মাহ থাকি নিজৰ ওপৰত থকা দায়িত্বসমূহ অধ্যাপক দাসে নিষ্ঠা সহকাৰে পালন কৰিছিল বুলিও কয় সাংবাদিক শৰ্মাই। অধ্যাপক পংকজ লোচন দাসৰ কৰ্মময় জীৱনৰ ওপৰত প্ৰণামী গোস্বামী, ড° মনোৱাৰ হুছেইন, চন্দ্ৰমা ঠাকুৰীয়া, কবিতা দাস শালৈ, ড° দীনেশ চন্দ্ৰ দাস, কল্পনা মেধি, গীতাঞ্জলি দাস, ধীৰা গোস্বামী, ৰঞ্জিতা কুমাৰী, উমেশ কলিতা প্ৰমুখ্যে বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকাই গভীৰ দৃষ্টিভংগীৰে আলোকপাত কৰে। তদুপৰি, মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক মিতালী দাস, উচ্চ বৰ্গৰ সহায়ক উৎপল কলিতা আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিতেশ মহন্তয়ো অধ্যাপক দাসদেৱৰ সহযোগিতা সদায়ে স্মৰণীয় হৈ থাকিব বুলি নিজৰ নিজৰ বক্তব্যত উল্লেখ কৰে। অধ্যক্ষ ড° দিনমণি কলিতাই অধ্যাপক দাসদেৱৰপৰা



অৱসৰকালীন সময়তো মহাবিদ্যালয় পৰিয়ালে সহযোগিতা আশা কৰে বুলি কয়।



## প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# আকাশ চুবলৈ সক্ষম হ'ব

আদৰণি ভাষণ প্ৰদান কৰে প্ৰজ্ঞাৰ সভাপতি প্ৰমোদ কলিতাই। ইয়াৰ উপৰিও অনুষ্ঠানৰ লগত সংগতি ৰাখি তিনিখন বিশেষ আলোচনা সত্ৰ অনুষ্ঠিত হয়। উল্লেখ্য যে বৰ্তমান সময়ত আমাৰ সমাজৰ পৰা লাহে লাহে হেৰাই যাব ধৰা ভাৰতীয় ঐতিহ্য-সংস্কৃতি, পৰম্পৰাক নব প্ৰজন্মৰ মাজত পুনৰ উদ্ভাসিত কৰি জীয়াই ৰখাৰ উদ্দেশ্যে প্ৰজ্ঞাই অবিৰতভাৱে কাম কৰি আহিছে। সেই উদ্দেশ্যৰে আয়োজিত এই যুৱ নেতৃত্ব সমাৰোহত তিনিখন আলোচনা সত্ৰৰ ভিতৰত 'দুটা দশক আগৰ অসম, বৰ্তমান আৰু ভৱিষ্যতৰ অসম' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰামায়ণ-মহাভাৰতৰ দিনৰ পৰাই অসম বা তেতিয়াৰ কামৰূপ ৰাজ্যৰ লগত অখণ্ড ভাৰতৰ সম্পৰ্ক আছিল। কিন্তু একাংশ বুদ্ধিজীৱীয়ে ইয়াণ্ডাবু সন্ধিৰ পাছতহে ভাৰতৰ লগত অসমৰ সম্পৰ্ক হোৱা বুলি কৈ অহা কথাটো শুদ্ধ নহয়। বৰঞ্চ কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত কনৌজ পৰ্যন্ত অসমৰ সীমা বিস্তৃত আছিল। চীনা পৰিব্ৰাজক হিউৱেন চাঙে নিজে এই কথা লিখি গৈছে। আনকি যি সময়ত মোগলে ভাৰতৰ এক বিস্তৃত অঞ্চলত শাসন চলাইছিল সেই সময়ত অসমে ১৭ বাৰ মোগলৰ আক্ৰমণ প্ৰতিহিত কৰিবলৈ সক্ষম হৈছিল। মহাৰাজ পৃথুৱে আৰম্ভ কৰা মোগলৰ আক্ৰমণ মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত এক নিৰ্ণায়ক ভূমিকাৰে সামৰণি পৰিছিল। ভাৰতত মোগল সাম্ৰাজ্যৰ জয় জয়কাৰ দিনটো অসম মোগলৰ শাসনৰ পৰা মুক্ত আছিল। আহোম আৰু কোচ ৰজাসকলে মোগলক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। কিন্তু অসমত দেখাত মোগলৰ আক্ৰমণ নাই যদিও ভিতৰি মোগলতকৈ ভয়ংকৰভাৱে খিলঞ্জীয়া অসমীয়াক আক্ৰমণ কৰিবলৈ দেশ স্বাধীনতাৰ সময়ৰে পৰা নিৰন্তৰ চেষ্টা অব্যাহত আছে। ইয়াৰ অংশ হিচাপে অসমৰ ১২ খন জিলাৰ পৰা অতি কৌশলৰে খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকলক খেদি পঠিয়াই দিয়া হৈছে। সেই জিলাত খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকল সংখ্যালঘুত পৰিণত হৈ ভয় শংকাত দিন অতিবাহিত কৰিবলগীয়া হৈছে। একাংশ বুদ্ধিজীৱীয়ে কৰা অপপ্ৰচাৰৰ বাবে ৰাজ্যৰ পৰিৱেশ পূৰ্বতে বিনষ্ট হৈছিল। কিন্তু ২০২১ চনৰ পৰা চলোৱা নিৰন্তৰ প্ৰচেষ্টাত বৰ্তমান সেই পৰিৱেশ নোহোৱা হোৱাৰ উপক্ৰম হৈছে। এতিয়া অসমৰ জাগীৰোডত চেমি কণ্ডাক্টৰ উদ্যোগ নিৰ্মাণ হৈ আছে। সেইটো সম্পূৰ্ণ হ'লে প্ৰায় ২৭ হাজাৰ যুৱক যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিশেষ উদ্যোগত নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলেৰে ৰেল আৰু যান-বাহন চলাচল কৰিব পৰাকৈ সুৰংগ পথ নিৰ্মাণ কৰাৰ বাবেও প্ৰস্তুতি আৰম্ভ কৰা হৈছে। মই অসমৰ যুৱ সমাজৰ ওপৰত আশাবাদী তেওঁলোকে ইতিবাচক দিশত আকাশ চুবলৈ সক্ষম হ'ব। অসমক নেপাল বা বাংলাদেশ কৰা হ'ব বুলি কোৱাসকলক অসমক কৰ্ণাটক, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, আমেৰিকা, ইউৰোপলৈ পৰিবৰ্তন কৰা হ'ব বুলি উত্তৰ দিবলৈ সক্ষম হ'ব। আনহাতে, ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত আন্তঃজিলা প্ৰব্ৰজনৰ বিৰুদ্ধে সৰব হৈ পৰাৰ লগতে অসমৰ মুঠ জনসংখ্যাৰ ৪০ শতাংশই অচিনাকি লোক বুলি আক্ষেপ প্ৰকাশ কৰে। তেনেদৰে 'অসমৰ ভাষা, কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাত যুৱ প্ৰজন্মৰ ভূমিকা' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত লেখিকা তথা সাদিনৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰীয়ে কয় ভাষা সংস্কৃতি ৰক্ষাত যুৱ সমাজৰ দায়িত্ব আছে। আমি সেই কাম কৰিবলৈ যুৱ সমাজক নেতৃত্ব দিব লাগিব। যাতে পৰৱৰ্তী সময়ত যুৱ সমাজে নিজেই নেতৃত্ব ল'ব পাৰে। আনহাতে 'আমাৰ গৌৰৱশালী পৰম্পৰা' শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই কয় যে অসমৰ থলুৱা ভাষা, কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি অহা বিপদে সাম্প্ৰতিক সময়ত এক নতুন পৰ্যায় পোৱা পৰিলক্ষিত হৈছে। বিশ্বায়ন, ধৰ্মীয় জনগাঁথনিৰ অস্বাভাৱিক পৰিৱৰ্তন তথা আৰ্থিক আৰু সামাজিক-সাংস্কৃতিক আগ্ৰাসনে আমাৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ অস্তিত্বক সংকটৰ মুখলৈ ঠেলি দিছে। অসমৰ সমাজ-জীৱনক এনে ভয়াৱহ পৰিস্থিতিৰ পৰা পুনৰ উদ্ধাৰৰ বাবে 'প্ৰজ্ঞা'ই যুৱ সমাজক একত্ৰিত কৰাৰ লক্ষ্যৰে এই সমাৰোহৰ আয়োজন কৰা বাবে ধন্যবাদৰ পাত্ৰ। আমাৰ পূৰ্বপুৰুষসকলে প্ৰকৃতিৰ সুৰক্ষা আৰু সংৰক্ষণৰ প্ৰতি অৱদান আগবঢ়োৱা, নতুন প্ৰজন্মক আমাৰ প্ৰাচীন ইতিহাস তথা ঐতিহাসিক বীৰ-বীৰাংগনাসকলৰ বিষয়ে অৱগত কৰা, নাৰী সুৰক্ষাৰ হকে কাম কৰা আৰু সমাজখনক ভাৰতীয় মূল্যবোধ তথা সামাজিক প্ৰমূল্যৰ দ্বাৰা যুৱ প্ৰজন্মক সমৃদ্ধ কৰিব লাগিব। নেতিবাচক দৃষ্টিভংগীক আঁতৰাই ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। ভাৰতক বিশ্বগুৰুৰ আসনত অধিষ্ঠিত কৰিব লাগিলে অসমৰ যুৱ প্ৰজন্মই ইতিবাচক দৃষ্টিভংগীৰে কাম কৰিব লাগিব। উল্লেখ্য যে সমাৰোহত ৰাজ্যৰ ২ খন বিশ্ববিদ্যালয় আৰু ৪৮ খন মহাবিদ্যালয়ৰ পৰাও ২,০৬৬ জন ছাত্ৰ-ছাত্ৰীয়েও ভাগ লৈছিল।

# কোটাক ফ্লেক্সিকেপ ফাণ্ডৰ ১৫ বছৰ সম্পূৰ্ণ

**গুৱাহাটী ঃ** কোটাক মহিন্দ্ৰা এচেট মেনেজমেণ্ট কোম্পানী লিমিটেডে 'KMAMC'/ 'কোটাক মিউচুৱেল ফাণ্ড'ৰ ১৫ বছৰ সম্পূৰ্ণ হোৱাৰ কথা ঘোষণা কৰিছে। এই আঁচনিখনে আৰম্ভণিৰে পৰা ১৬.৫৯ শতাংশ চিএজিআৰ প্ৰদান কৰিছে আৰু একাধিক বজাৰ পৰিৱেশৰ জৰিয়তে এক শক্তিশালী দীৰ্ঘম্যাদী প্ৰদৰ্শনৰ অভিলেখ গঢ়ি তুলিছে। এই সন্দৰ্ভত কোটাক মহিন্দ্ৰা এচেট মেনেজমেণ্ট কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক নীলেশ শ্বাহে কয় যে কোটাক ফ্লেক্সিকেপ ফাণ্ডে ১৫ বছৰ সম্পূৰ্ণ কৰাটো আমাৰ বাবে আৰু পুঁজিৰ প্ৰতি দায়বদ্ধ হৈ থকা বিনিয়োগকাৰীসকলৰ বাবে এক গৌৰৱৰ মুহূৰ্ত। এটা শ্ৰেণী হিচাপে ফ্লেক্সিকেপ এতিয়াও গুৰুত্বপূৰ্ণ হৈ আছে, কিয়নো ই বিনিয়োগকাৰীসকলক খণ্ডসমূহত ভাৰতৰ বিকাশত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিয়ে আৰু লগতে বজাৰ মূলধন আবণ্টনৰ সিদ্ধান্তবোৰ অভিঃবিনিয়োগ দলৰ ওপৰত এৰি দিয়ে। ২০২৫ চনৰ ৩১ ডিচেম্বৰলৈকে, কোটাক ফ্লেক্সিকেপ পুঁজি প্ৰত্যক্ষ পৰিকল্পনা-বিকাশ বিকল্পই ১০ বছৰত ১৫.৭০ শতাংশ আৰু ৫ বছৰত ১৬.৮৭ শতাংশ চি এ জি আৰ সৃষ্টি কৰিছে। বহনক্ষম উপাৰ্জন, শক্তিশালী প্ৰশাসন আৰু মূলধনৰ দক্ষতাৰ ওপৰত আধাৰিত শক্তিশালী দৰ্শনৰ গৰাকী কোটাক মহিন্দ্ৰা এচেট মেনেজমেণ্ট কোম্পানীৰ চি আই অ' হৰ্ষ উপাধ্যায়ে এই পুঁজিৰ পৰিচালনা কৰে। উল্লেখ্য যে ফ্লেক্সিকেপ ফাণ্ডসমূহে বৃহৎ, মধ্য আৰু ক্ষুদ্ৰ-কেপ খণ্ডসমূহত বিনিয়োগৰ জৰিয়তে বজাৰৰ পৰিৱেশত এক গতিশীলতা প্ৰদান কৰে। ২০২৫ চনৰ ডিচেম্বৰলৈকে, কোটাক ফ্লেক্সিকেপ ফাণ্ডৰ বৃহৎ কেপত প্ৰায় ৭৩ শতাংশ, মিডকেপত ১৯ শতাংশ আৰু সৰু কেপত ৫ শতাংশ আছে। পোৰ্টফ'লিঅ'টোৱে মুখ্যত বিত্তীয় সেৱা, অট'ম'বাইল, মূলধন সামগ্ৰী, ৰাসায়নিক সামগ্ৰী, নিৰ্মাণ সামগ্ৰী আৰু উপভোক্তা সেৱাৰ মূল এক্সপ'জাৰৰ সৈতে ওপৰৰ-তলৰ খণ্ডৰ দৃষ্টিভংগীবোৰ মিশ্ৰণ কৰে। আনহাতে পুঁজিৰ গৱেষণা-চালিত দৃষ্টিভংগীয়ে সঠিক মূল্যায়ন আৰু উপাৰ্জনৰ দৃশ্যমানতাৰ দ্বাৰা সমৰ্থিত দীৰ্ঘম্যাদী সুযোগ চিনাক্ত কৰাত সহায় কৰি আহিছে।

## ৩৩ গৰাকী দাতাক ৰাজহুৱা সম্বৰ্ধনা

# শতিকা পুৰণি ৰামপুৰ সনাতন ধৰ্ম মন্দিৰ পুনৰ নিৰ্মাণ

**ৰামপুৰ ঃ** ৰামপুৰ সনাতন ধৰ্ম মন্দিৰৰ কেইবাটাও কাঠৰ খুঁটা প্ৰতিষ্ঠাৰ ১০৪ বছৰ পিছত উই পোকে নষ্ট কৰাত ৰাইজ গয়ৰহে বহুসংখ্যক লোকৰ অৰ্থ সাহায্যত মন্দিৰটো পুনৰ নিৰ্মাণ কৰি উলিয়াইছে। মন্দিৰৰ সভাঘৰটোত থকা ১৮ টাকৈ কাঠৰ খুঁটা পকী কৰাৰ বাবদ অৱসৰপ্ৰাপ্ত প্ৰধান মুখ্য বন সংৰক্ষক হিৰণ্য কুমাৰ চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে অশ্বিনী কুমাৰ মজুমদাৰ, ৰবীন্দ্ৰ ঠাকুৰীয়া, ডিম্বলতা মজুমদাৰ, মনোৰঞ্জন চৌধুৰী, মৃগেন্দ্ৰ কলিতা, সমাজহিতৈষী প্ৰভাস চন্দ্ৰ চৌধুৰী, অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰভাকৰ দাস, প্ৰণৱ মজুমদাৰ, ললিত কলিতা, শৈলেন্দ্ৰ কলিতা, অৰুণা চৌধুৰী, সুমতী চৌধুৰী, বিনয় চৌধুৰী, মানবেন্দ্ৰ কলিতা, পৱিত্ৰ ঠাকুৰীয়া, দীপক কলিতা (দুল), নয়ন কলিতাকে ধৰি দাতাসকলে ৩৫ হাজাৰকৈ টকাকৈ দানসূত্ৰে আগবঢ়াই মন্দিৰটো পুনৰ নিৰ্মাণত পূৰ্ণ সহযোগিতা আগবঢ়ায়। এইসকল দাতাৰ লগতে আৰু বহুসংখ্যক দাতাই বুজন পৰিমাণৰ আৰ্থিক সাহায্য আৰু সামগ্ৰী দানসূত্ৰে আগবঢ়োৱাত মন্দিৰ প্ৰাংগণত নিৰ্মাণ সমিতি আৰু ৰাইজ গয়ৰহে যুটীয়াভাৱে তেওঁলোকক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। জ্যেষ্ঠ সাংবাদিক তথা মন্দিৰ কমিটীৰ হিচাপ পৰীক্ষক বিমল শৰ্মাই আঁতধৰা সম্বৰ্ধনা সভাখনত সভাপতিত্ব কৰে গয়ৰহৰ সভাপতি ধীৰেন মজুমদাৰে। মন্দিৰ পুনৰ নিৰ্মাণৰ সভাপতি প্ৰশান্ত কুমাৰ মজুমদাৰে আদৰণি ভাষণ দিয়া সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সদৌ অসম দেৱ দামোদৰ সংঘৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰাম নাৰায়ণ গোস্বামীয়ে ৰামপুৰ অঞ্চলৰ জনসাধাৰণ সমাজ-ধৰ্ম-সংস্কৃতি আদি দিশবোৰত যথেষ্ট আগবঢ়া বুলি মন্তব্য কৰে। গোস্বামীয়ে বৈদিক সনাতনীয় দৃষ্টিভংগী অটুট ৰখা বাবে অঞ্চলবাসী ৰাইজৰ প্ৰতি অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰে। পুনৰ নিৰ্মাণ কমিটীৰ সম্পাদক মনোৰঞ্জন চৌধুৰীয়ে নিৰ্মাণ সমিতিৰ এক চমু প্ৰতিবেদন পাঠ কৰে। সভা আৰম্ভৰ পূৰ্বে শিল্পী বনশ্ৰী ঠাকুৰীয়াই সৰ্বেশ্বৰ কলিতাৰ খোল আৰু কবীন্দ্ৰ পাটোৱাৰীৰ হাৰমনিয়াৰ সহযোগিতাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত এটি বৰগীত পৰিৱেশন কৰে। সম্বৰ্ধনা সভাখনত নিৰ্মাণ সমিতিৰ আন দুগৰাকী সম্পাদক জীতেন কলিতা আৰু শৈলেন্দ্ৰ কলিতাও উপস্থিত আছিল। ইয়াৰ পূৰ্বে মন্দিৰৰ ১০৬ বছৰীয়া প্ৰতিষ্ঠা দিৱস হোম-যজ্ঞ আৰু অন্যান্য ধৰ্মীয় কাৰ্যসূচীৰে অনুষ্ঠিত হয়।

# দখলা পাহাৰত তিনিদিনীয়াকৈ মহাশিৱৰাত্ৰি

**অসম ভূমি সেৱা, আজাৰা ঃ** পলাশবাৰী সমষ্টিৰ দখলা পাহাৰস্থিত শ্ৰীশ্ৰীবুঢ়াগোসাঁই থান পৰিচালনা সমিতি, চৌৱিশ পৰগণা ৰাইজৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এইবেলিও অহা ১৩, ১৪ আৰু ১৫ ফেব্ৰুৱাৰীত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে দখলা পাহাৰস্থিত শ্ৰীশ্ৰীবুঢ়াগোসাঁই থানত পৰম্পৰাগতভাৱে মহাপ্ৰভু শিৱৰ মহাশিৱৰাত্ৰি পূজাৰ ব্যাপক প্ৰস্তুতি চলাইছে বুলি পৰিচালনা সমিতিৰ সভাপতি দ্বিজেন শৰ্মা দলৈ, কাৰ্যকৰী সভাপতি কৈলাশ তালুকদাৰ, উপ-সভাপতিদ্বয় যতীন তালুকদাৰ, হিৰেন দাস, সাধাৰণ সম্পাদক শশী ভূষণ তালুকদাৰ, কাৰ্যকৰী সম্পাদক মৃদুল কুমাৰ দাস, সহঃ সম্পাদকত্ৰয় ৰোহিত তালুকদাৰ, মুনীন্দ্ৰ দাস আৰু পৱিত্ৰ ঠাকুৰীয়াই জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি অহা ১৩ ফেব্ৰুৱাৰীৰ পুৱা ৯ বজাত বন্তি প্ৰজ্বলন কৰিব শ্ৰীশ্ৰীবুঢ়াগোসাঁই থান পৰিচালনা সমিতি, চৌৱিশ পৰগণা ৰাইজৰ মুখ্য উপদেষ্টা গজিন ঠাকুৰীয়াই। ৯.১৫ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব শ্ৰীশ্ৰীবুঢ়াগোসাঁই থান পৰিচালনা সমিতি, চৌৱিশ পৰগণা ৰাইজৰ সভাপতি দ্বিজেন শৰ্মা দলৈয়ে। ৯.৩০ বজাত বিল্ব বৃক্ষত বন্তি প্ৰজ্বলন কৰিব বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অনুপ কুমাৰ মেধীয়ে। ৯.৩৫ বজাত বিল্ব বৃক্ষত বস্ত্ৰ দান কৰিব বিশিষ্ট সমাজকৰ্মী মনোমোহন তালুকদাৰে। ৯.৪৫ বজাত শিৱ পুৰাণ পাঠ কক্ষৰ বন্তি প্ৰজ্বলন কৰিব ভাৰ্গৱ হাজৰিকাই। ১০ বজাত অখণ্ড শিৱ পুৰাণ পাঠ কক্ষৰ দ্বাৰ উন্মোচন কৰিব বিশিষ্ট সমাজকৰ্মী ৰাজেন নাথে। ১০-১৫ বজাত অখণ্ড শিৱ পুৰাণ পাঠ উন্মোচন কৰিব মুখ্য পাঠক হৰেণ হাজৰিকাই। ১০.৩০ বজাত বৃক্ষ ৰোপণ কৰিব সমাজকৰ্মী সুৰেণ ঠাকুৰীয়াই। সেইদৰে ১৪ ফেব্ৰুৱাৰীত অহোৰাত্ৰি অখণ্ড শিৱ পুৰাণ পাঠ আৰু নাম প্ৰসংগ অনুষ্ঠিত হ'ব। অন্তিম দিনা অৰ্থাৎ ১৫ ফেব্ৰুৱাৰীত পুৱা ৮.৩০ বজাত বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট সমাজকৰ্মী তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ব্যৱসায়ী হৰেণ দাস আৰু বিশিষ্ট সমাজকৰ্মী প্ৰণৱ কলিতাই। ৯ বজাত ১০৮ গৰাকী অকুমাৰী বালিকা সহিতে ধৰ্মীয় শোভাযাত্ৰা আৰু জলাৰোহণ মুকলি কৰিব বিশিষ্ট সমাজকৰ্মী পংকজ কুমাৰ দাসে। ১০ বজাত মহাবাহু ব্ৰহ্মপুত্ৰৰ ঘাটত ঘট বুৰণ মুকলি কৰিব শ্ৰীশ্ৰীবুঢ়াগোসাঁই থান পৰিচালনা সমিতি, চৌৱিশ পৰগণা ৰাইজৰ কাৰ্যকৰী সভাপতি কৈলাশ তালুকদাৰে।

## বিৰল কৃতিত্বৰ অধিকাৰী হ’ল ২০১০ চনত মেট্ৰিকত প্ৰথম স্থান দখল কৰা বজালীৰ যুগল তালুকদাৰ

# আমেৰিকান ফিজিকেল ছ’চাইটিৰ অধ্যক্ষৰ দায়িত্ব



**অসম ভূমি সেৱা, পাঠশালা ঃ** সাত সাগৰ তেৰ নদী পাৰ হৈ বজালীৰ এগৰাকী সন্তানে আমেৰিকাৰ এটি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানত স্থান লাভে সমগ্ৰ বজালীবাসীৰ লগতে অসমবাসীক গৌৰবান্বিত কৰি তুলিছে। বজালী জিলাৰ অন্তৰ্গত মেধিকুছি কাউৰা নিবাসী মইনামতী ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত উচ্চবৰ্গৰ সহায়ক জনক তালুকদাৰ আৰু একেখন বিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কৌশ্যলা তালুকদাৰৰ জ্যেষ্ঠ পুত্ৰ যুগল তালুকদাৰে পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ দিশত বিশ্বৰ সৰ্ববৃহৎ প্ৰতিষ্ঠান American Physical Society (APS)ত FGSA Unitৰ Chairman হিচাপে দায়িত্ব লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অতি মেধাৱী যুগল তালুকদাৰে ২০১০ বৰ্ষত শংকৰদেৱ শিশু নিকেতন চৌখুটীৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমস্থান অধিকাৰ কৰাৰ পাছত ২০১২ বৰ্ষত বজালী মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰতে ষষ্ঠ স্থান দখল কৰি পুনেৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্স এডুকেচন এণ্ড ৰিচাৰ্চ (আই আই এছ ই আৰ)ত নামভৰ্তি কৰি ২০১৭ চনত পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাচতে হোমাৰ এল ডজ পদাৰ্থ বিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞান বিভাগৰ ফেল’শ্বিপৰ সহায়ত ওকলাহোমা বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰী আৰু তাৰ পিছত লছ এঞ্জেলছৰ কেলিফ’ৰ্ণিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপিকা প্ৰিনেহা নাৰঙৰ গৱেষণা গোটত কোৱাণ্টাম তথ্য বিজ্ঞানৰ পোষ্ট ডক্টৰেট গৱেষণা বিজ্ঞানী হিচাপে যোগদান কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়া মাধ্যমত অধ্যয়ন কৰিও তীক্ষ্ণ মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা যুগল তালুকদাৰে সম্প্ৰতি আমেৰিকাৰে এটি উচ্চ প্ৰতিষ্ঠিত প্ৰতিষ্ঠানত কনিষ্ঠ বিজ্ঞানী হিচাপে চাকৰি কৰি আছে। সম্প্ৰতি যুগল তালুকদাৰে পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ দিশত বিশ্বৰ সৰ্ববৃহৎ প্ৰতিষ্ঠান American Physical Societyৰ অতি সন্মানীয় পদবীত স্থান লাভ কৰাৰ লগতে এই পদবীত অধিস্থিত প্ৰথমগৰাকী অসমীয়া হিচাপে স্থান পাইছে। উল্লেখ্য যে আমেৰিকাৰ সংসদ ভৱন Capital Hillত অনুষ্ঠিত এক আলোচনাচক্ৰটো ভাগ লোৱাৰ সুযোগ লাভ কৰে যুগলে। অসম ভাৰত তথা সমগ্ৰ বজালীলৈ গৌৰৱ কঢ়িয়াই অনা যুগল তালুকদাৰৰ এই সাফল্যত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসকে ধৰি বজালীৰ ভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শুভেচ্ছা জনাইছে।

## মিৰ্জাত বিশাল হিন্দু সন্মিলন

**অসম ভূমি সেৱা, আজাৰা ঃ** পলাশবাৰী সমষ্টিৰ কোছপাৰা মণ্ডলৰ উদ্যোগত মিৰ্জাস্থিত দুৰ্গা পূজা মণ্ডপত যোৱা দেওবাৰে বিশাল হিন্দু সন্মিলন অনুষ্ঠিত হয়। ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা হিন্দু সন্মিলনখন পৰিচালনা কৰে ৰবিন কলিতাই। এই উপলক্ষে ড° নৰেন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৌদ্ধিক, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ যাত্ৰা সম্পৰ্কে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ গুৱাহাটী বিভাগৰ প্ৰচাৰক অতুল দেশপাণ্ডে উপস্থিত থাকি সংগঠিত হিন্দু শক্তিশালী ভাৰত, সংঘ স্থাপন ব্যক্তি নিৰ্মাণৰ কাৰ্য পদ্ধতি, সংঘৰ কাৰ্যৰ বিস্তাৰ, সেৱা কাৰ্য আদি বিষয় সন্দৰ্ভত বিশদভাৱে ভাষণ প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে উপস্থিত থাকি বৌদ্ধিক হিন্দুত্ব সন্দৰ্ভত কয় যে সতাতনী ধৰ্মৰ আদিও নাই অন্তও নাই। সনাতন ধৰ্মৰ মূল হ’ল ভক্তি। ভক্তি হ’ল ঈশ্বৰৰ প্ৰতি থকা আসক্তি বুলি কৈ বিশদভাৱে ভাষণ প্ৰসংগত কয়। সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মহানগৰ সেৱা প্ৰমুখ, ৰাষ্ট্ৰীয় সেবিকা সমিতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিবেশ বিজ্ঞানৰ বিভাগৰ অধ্যাপিকা ড° ৰাজশ্ৰী শইকীয়াই উপস্থিত থাকি বৌদ্ধিক পঞ্চ পৰিৱৰ্তন মহিলাৰ ভূমিকা সন্দৰ্ভত ক্ৰমে সামাজিক সমৰসতা, পৰ্যাৱৰণ, কুতুম্ব প্ৰবোধন, স্ব-আধাৰিত জীৱন, নাগৰিক শিষ্টাচাৰ আদি বিষয়ত ভাষণ প্ৰসংগত আলোকপাত কৰাৰ লগতে মহিলাসকলে যদি পৰিয়ালটো পৰিৱৰ্তন কৰিব পাৰো তেতিয়াহ’লে সমাজখনো পৰিৱৰ্তন কৰিব পাৰে, সমাজ জাগ্ৰত হ’লে দেশ জাগ্ৰত হ’ব বুলি ভাষণত কয়। অনুষ্ঠানত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অনুপ কুমাৰ মেধী, হিতেশ কলিতা, হিমাংশু শেখৰ বৈশ্যই, কোষাধ্যক্ষ আৰু সমৰষ্ট্ৰ বিভাগৰ প্ৰাক্তন বিষয়ববীয়া সিদ্ধেশ্বৰ কুমাৰ, সহঃসংযোজক দ্বীপেন দাস আদিকে ধৰি পুৰুষ-মহিলাসকল উপস্থিত থাকে।

## পুনৰবাৰ ভৱ গোস্বামী সভাপতি, ধীৰেন্দ্ৰনাথ বৰ্মন কাৰ্যকৰী সভাপতি নিৰ্বাচিত

# গোপাল দেৱ সেৱক সমাজ, অসমৰ সাধাৰণ সভা

**যোৰহাট ঃ** শ্ৰীশ্ৰীগোপাল দেৱ সেৱক সমাজ, অসমৰ এখন সাধাৰণ সভা যোৰহাটৰ কেন্দুগুড়িত যোৱা দেওবাৰে অনুষ্ঠিত হয়। সভাত আগন্তুক তিনি বছৰীয়া কাৰ্যকালৰ বাবে বিশিষ্ট সমাজ সংগঠক তথা শ্ৰীশ্ৰীচোঁচা সত্ৰৰ সত্ৰাধিকাৰ ভৱ গোস্বামীক সভাপতি, বিশিষ্ট সমাজকৰ্মী তথা শ্ৰীশ্ৰীগোপাল আতা সত্ৰ, পুৰণি ভৱানীপুৰৰ সভাপতি ধীৰেন্দ্ৰনাথ বৰ্মনক কাৰ্যকৰী সভাপতি আৰু শ্ৰীশ্ৰীআমতলা গজলা সত্ৰৰ দিগন্ত প্ৰকাশ মহন্তক প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। যোৰহাট জিলা সমিতিৰ আতিথ্যত কেন্দুগুড়ি কৃষ্টি কলা কেন্দ্ৰত অনুষ্ঠিত সভাৰ কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ৯.৩০ বজাত সেৱক সমাজৰ ধ্বজা উত্তোলন কৰে কাৰ্যকৰী সভাপতি ধীৰেন্দ্ৰনাথ বৰ্মনে। জিলা সমিতিৰ তৰফৰ পৰাও এখনি ধ্বজা উত্তোলন কৰে জিলা সভাপতি তনুজ গোস্বামীয়ে। ইয়াৰ পিছতেই যিসকল মহান ব্যক্তিয়ে ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, বৌদ্ধিক ক্ষেত্ৰলৈ বিশিষ্ট সেৱা আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আতৰি গ’ল সেই পূণ্যাত্মা সৱৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰা হয়। সেৱক সমাজ, অসমৰ এখন কেন্দ্ৰীয় কাৰ্য নিৰ্বাহক সভাও অনুষ্ঠিত হয় আৰু দুপৰীয়া ১১ বজাৰ পৰা কাৰ্যকৰী সমিতিৰ সদস্য, বিভিন্ন জিলা সমিতিৰ প্ৰতিনিধিবৰ্গ, হিতৈষী সদস্য, আজীৱন সদস্য আৰু ৰাইজৰ উপস্থিতিত সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে ভৱ গোস্বামীয়ে আৰু সভাৰ আঁত ধৰে প্ৰধান সম্পাদক মনু বৰুৱাই। সভাত কাৰ্য নিৰ্বাহক সমিতিৰ সভাপতি ভৱ গোস্বামীয়ে পদত্যাগ কৰি চলিত কাৰ্য নিৰ্বাহক সমিতিখন ভংগ কৰে।

## ডেৰবছৰত ১২ জন যুৱক-যুৱতীৰ অৰ্ধ সামৰিক বাহিনীত নিযুক্তি

# গৰুডুবা গাঁৱৰ যুৱক-যুৱতীৰ সফলতাৰ কাহিনী

**অসম ভূমি সেৱা, ঢেকীয়াজুলি ঃ** শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰুডুবা গাঁৱৰ এদল যুৱক-যুৱতীৰ সফলতাৰ কাহিনীয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। গাঁওখনৰ ১২ জন যুৱক-যুৱতীয়ে ডেৰ বছৰৰ ভিতৰত অৰ্ধ সামৰিক বাহিনীত নিযুক্তি লাভ কৰাত গাঁওবাসী অধিক উৎফুল্লিত হৈ পৰিছে। উল্লেখ্য যে অৰ্ধ সামৰিক বাহিনীৰ নিযুক্তিৰ বাবে বিগত বৰ্ষত অনুষ্ঠিত পৰীক্ষাৰ চূড়ান্ত ফলাফল শেহতীয়াকৈ ঘোষণা কৰাৰ লগে লগে গাঁওখনৰ ১১ গৰাকী যুৱক-যুৱতীৰ নাম চূড়ান্ত তালিকাত প্ৰকাশ পায়। এইবাৰ একেলগে এঘাৰগৰাকী যুৱক-যুৱতীৰ ভাগ্য উদয় হয়। বিগত বৰ্ষত নিযুক্তি লাভ কৰা অন্য এজন যুৱকৰ সৈতে মুঠ ১২ জন যুৱক-যুৱতীক লৈ গাঁওবাসী যথেষ্ট উৎফুল্লিত হৈ পৰা দেখা যায়। ইপিনে, অৰ্ধসামৰিক বাহিনীত নিযুক্তিৰ বাবে নিৰ্বাচিত এই যুৱক-যুৱতীৰ আটায়েকেইজন শিলিখাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বুলি জনা গৈছে। এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় কৰ্তৃপক্ষই মাতি আনি অলপতে (যোৱা ৩ ফেব্ৰুৱাৰীত) ৰাজহুৱাভাৱে সম্বৰ্ধনা জনায়। সেইদিনা বিয়লি ১-৩০ বজাত বিদ্যালয় প্ৰাংগণত বিদ্যালয়ৰ অধ্যক্ষ শিক্ষক-কৰ্মচাৰীসকলৰ উদ্যোগত আৰু সচেতন যুৱক তথা প্ৰাক্তন ছাত্ৰ নাৰায়ণ ফয়েলৰ সহযোগত আয়োজিত সম্বৰ্ধনা সভাত অৰ্ধ-সামৰিক বাহিনীত নিযুক্তিৰ বাবে নিৰ্বাচিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ক্ৰমে— অনুভৱ ছামলাগাই, সংগম ছামলাগাই, ঠগী ছামলাগাই, অৰ্পণ নেউপানে, গোকল ভট্টৰাই, পূজা ঘিমিৰে, মৌচুমী খনাল, প্ৰিয়ংকা ঘিমিৰে, শালিগ্ৰাম খনাল, হেমন্ত অধিকাৰী, কুশল কৈৰালা, নবীন ভট্টক সম্বৰ্ধনা জনোৱাৰ লগতে একে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বালিজান গাঁৱৰ যুৱক ৰাতুল দাস আৰু প্ৰকাশ শৰ্মাক একেলগে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দুৰ্গা বিমলিৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ শিক্ষক শশী উপাধ্যায়ে। সভাত বিদ্যালয়ৰ অধ্যক্ষ বুধিন গোহাই, অৱসৰপ্ৰাপ্ত শিক্ষক ধৰ্মানন্দ পৰাজুলি, নাৰায়ণ ফয়েল, টিংকু শৰ্মা আদিয়ে বক্তব্য ৰাখি অৰ্ধসামৰিক বাহিনীত নিযুক্তিৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীসকলক শুভেচ্ছা জনায়। সভাত শিৱ ৰিজাল, মিত্ৰ বাহাদুৰ কাৰ্কী, শোভানা বসুমতাৰী, জিলিমণি শৰ্মা, টিংকু শৰ্মা, তিলক কৈৰালা, প্ৰনামি ডেকাৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই যুৱক-যুৱতীসকলে অৰ্ধসামৰিক বাহিনীৰ নিযুক্তি লাভৰ কাৰণে যোৱা দুবছৰে অধিক পৰিশ্ৰম কৰি চেষ্টা অব্যাহত ৰখাত এইবাৰ আটায়েকেইজনে সফলতা অৰ্জন কৰাৰ লগতে অঞ্চলটোৰ সুনাম বৃদ্ধি কৰিলে বুলি শিলিখাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বুধিন গোহায়ে মতপোষণ কৰে।



**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**